


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৫২ ■ গুৱাহাটী ■ দেওবাৰ, ৩১ জুলাই, ২০২২, ১৪ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 352 Dainandin Barta ■ Guwahati, Sunday ■ 31 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




**বাৰ্মিংহাম কমনৱেলথ গেমছ**

**ভাৰত ঃ সোণ ১, ৰূপ ১, ব্ৰঞ্জ ১ ঃ মুঠ ৩**







## ভাৰতক প্ৰথমটো পদক দিলে সংকেট সাগৰে

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ কৰিছে পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ সংকেটে ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত ১১৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৩৫ কিলোগ্ৰাম মুঠ ২৪৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। ■ ৮ পৃষ্ঠাত

## ভাৰোত্তোলনত দেশক দ্বিতীয়টো পদক দিলে গুৰুৰাজাই

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** ভাৰতৰ পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে আজি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ ■ ৮ পৃষ্ঠাত

# টাইৱানৰ বিৰুদ্ধে চীনৰ সামৰিক অনুশীলন

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩০ জুলাই ঃ** চীনে কয় যে বেইজিঙে নিজৰ ভূখণ্ডৰ অংশ হিচাপে দাবী কৰা দ্বীপটো গণতন্ত্ৰ ভ্ৰমণৰ সম্ভাব্য পৰিকল্পনা বাতিল কৰিবলৈ আমেৰিকাৰ প্ৰতিনিধি সদনৰ অধ্যক্ষ নেন্সি পেলোছিক সকীয়াই দিয়াৰ পিছত টাইৱানৰ বিপৰীতে থকা নিজৰ উপকূলত শনিবাৰে সামৰিক অনুশীলন চলাই আছে। চৰকাৰী ছিনহুৱা নিউজ এজেন্সীয়ে জনোৱা মতে, শাসকীয় কমিউনিষ্ট পাৰ্টীৰ সামৰিক শাখা পিপল্‌ছ লিবাৰেচন আৰ্মীয়ে ফুজিয়ান প্ৰদেশৰ ওচৰৰ পিংটান দ্বীপপুঞ্জৰ ওচৰত পুৱা ৮ বজাৰ পৰা নিশা ৯ বজালৈ 'জীৱন্ত অগ্নিকাণ্ডৰ অনুশীলন' চলাই আছিল। সামুদ্ৰিক সুৰক্ষা প্ৰশাসনে জাহাজসমূহক অঞ্চলটোৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিয়ে। এনে ■ ৮ পৃষ্ঠাত




*নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰৰ সমীপৰ নিৰ্মীয়মাণ উৰণীয়া সেতু ক্ষিপ্ৰতাৰে নিৰ্মাণৰ দাবীত যুৱ-ছাত্ৰৰ গণ বিক্ষোভ*

# আমিনগাঁৱত ৩০ কোটি টকা মূল্যৰ ড্ৰাগছ দাহন আৰক্ষীৰ





## ৰাজ্যৰ ভিন্ন স্থানত ড্ৰাগ্‌ছ দাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ৩০ জুলাই ঃ** ড্ৰাগ্‌ছমুক্ত অসমৰ লক্ষ্যৰে আজি মধ্য পশ্চিম সংমণ্ডল, অসমৰ উপ-আৰক্ষী মহাপৰিদৰ্শকৰ উদ্যোগত কামৰূপ আৰক্ষীৰ সহযোগত অসম আৰক্ষীৰ দ্বাৰা জব্দকৃত নিচাযুক্ত দ্ৰব্যৰ দাহন অভিযান চলোৱা হয়। এই অভিযানত জুইত দাহন কৰা হয় কামৰূপ, নলবাৰী, দৰং আৰু মৰিগাঁও আৰক্ষীয়ে জব্দ কৰা প্ৰায় ৩০ কোটি টকা মূল্যৰ ড্ৰাগ্‌ছ। উপ-আৰক্ষী মহাপৰিদৰ্শক ব্ৰজেনজিৎ সিন্‌হাৰ উপস্থিতিত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হীতেশ চন্দ্ৰ ৰয়ৰ নেতৃত্বত দাহন কৰা হয় এই বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছখিনি। অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ■ ৮ পৃষ্ঠাত

### অৱশেষত মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে গা লৰিল বিটিআৰ কৰ্তৃপক্ষৰ

### মানাহত বিটিআৰৰ ই এম ৰঞ্জিৎ বসুমতাৰী প্ৰতিবাদী প্ৰকৃতিপ্ৰেমীক প্ৰদান কৰিলে আশ্বাস

## মানাহৰ ক্ষেত্ৰ সঞ্চালকক বদলি, পূৰ্বৰ মতে বাহাল থাকিব পৰ্যটকৰ ৰাজহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৩০ জুলাই ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটনক্ষেত্ৰত বিভিন্ন মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে তথা মানাহৰ বিভিন্ন সমস্যা, ক্ষেত্ৰ সঞ্চালকক বদলিৰ দাবীত যোৱা ৯ জুলাইৰ পৰা আছু, এবছু, আছা, আক্ৰাছু, এবিএমছু, মানাহ ল'জ এছ'চিয়েচন, জীপ ছাফাৰী সন্থাকে ধৰি ১৪টাকৈ সংগঠনৰ উমৈহতীয়া মঞ্চ 'বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজ'ৰ অব্যাহত আছিল গণতান্ত্ৰিক আন্দোলন। তাৰ মাজতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৎক্ষণিক ■ ৮ পৃষ্ঠাত

**মুখ্য ন্যায়াধীশ এন ভি ৰমনা**

### ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰমনা— গৰিষ্ঠসংখ্যক ভাৰতীয়ই আদালতৰ কাষ চাপিব নোৱাৰে আৰু তেওঁলোকে 'মৌনতাৰে কষ্ট পায়' বুলি উল্লেখ কৰি ন্যায়ৰ সুবিধাক 'সামাজিক মুক্তিৰ আহিলা' বুলি অভিহিত কৰে

## আদালতৰ কাষ চাপিব নোৱাৰা অধিকাংশ ভাৰতীয়ই নীৰৱে কষ্ট সহ্য কৰে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩০ জুলাই ঃ** 'ন্যায় ঃ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক— সেইটোৱেই হৈছে ন্যায়ৰ দৃষ্টিভংগী, যিটো আমাৰ প্ৰস্তাৱনাই প্ৰতিজন ভাৰতীয়ক প্ৰতিশ্ৰুতি দিছে। বাস্তৱতা হ'ল, আজি আমাৰ জনসংখ্যাৰ এটা সৰু শতাংশইহে ন্যায় প্ৰদান ব্যৱস্থাৰ কাষ চাপিব পাৰে, যেতিয়া প্ৰয়োজন হয়। এটা সংখ্যাগৰিষ্ঠতা। জনসাধাৰণে মৌনতাৰে কষ্ট পায়, সজাগতা আৰু প্ৰয়োজনীয় উপায়ৰ অভাৱত।' দিল্লীত ■ ৮ পৃষ্ঠাত



### ছাত্ৰ আৰু যুৱ কল্যাণ পৰিষদ

## নতুন সদস্য সচিব হিচাপে গীতাৰ্থ গোস্বামীৰ দায়িত্ব গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুলাই ঃ** মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অতি বিশ্বস্ত বুলি পৰিচিত বিজেপিৰ যুৱ নেতা তথা ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সাংগঠনিক সচিব গীতাৰ্থ গোস্বামীয়ে আজি ছাত্ৰ আৰু যুৱ ■ ৮ পৃষ্ঠাত

## চঅন্ধ কুঠৰীৰ পাৰ ভাঙি নিজ মহাবিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত পৰীক্ষাত বহিল বৰ্ষাশ্ৰী

**মনত অনাবিল হেঁপাহ বুকত বান্ধি দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ত পদাৰ্পণ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩০ জুলাই ঃ** দীৰ্ঘ দুটামাহ বিৰতি পিছত জে'লৰ অন্ধ কুঠৰীৰ পাৰ ভাঙি আজি নিজ শিক্ষানুষ্ঠান দেৱীচৰণ ছাত্ৰী মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত বিপ্লৱী কবিতা লিখা অপৰাধত অভিযুক্ত হৈ গোলাঘাট জিলা কাৰাগাৰ কুঠৰীত দুমাহ দিন অতিবাহিত কৰাৰ পিছত ন্যায়ালয়ে জামিন প্ৰদান কৰাৰ পিছত বৰ্ষাশ্ৰী বুঢ়াগোহাঁয়ে দ্বিতীয় ছেমিষ্টাৰৰ তৃতীয়টো পৰীক্ষাত ■ ৮ পৃষ্ঠাত



*অজয় জমৱালক অসমলৈ আদৰণি জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ বিজেপিৰ সভাপতি ভবেশ কলিতাই*

## ১৭ বছৰ ৩ মাহতেই শিক্ষকৰ চাকৰি...

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩০ জুলাই ঃ** ক্ৰমাৎ পোহৰলৈ আহিছে শিৱসাগৰ জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত নিযুক্তি লাভ কৰা নাবালক শিক্ষক নিযুক্তিৰ কেলেংকাৰি। সাংবাদিকৰ অনুসন্ধানত উন্মোচিত হৈছে শিক্ষক নিযুক্তিৰ ক'লা অধ্যায়। ■ ৮ পৃষ্ঠাত

## মুছলমান যুৱকে পৰিচয় সলাই বিয়া পাতিলে কামাখ্যাত

**পুনৰ লাভ জেহাদৰ বলি মহিলা**

### তেজপুৰত প্ৰৱঞ্চক স্বামী মিণ্টু ৰয় ওৰফে আব্দুল ছাহজাহান শ্বেইখক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ জুলাই ঃ** অসমৰ কোনো যুৱতীয়েই যাতে প্ৰবঞ্চকৰ জালত নপৰে। কাৰণ এই প্ৰবঞ্চকবোৰে নিজৰ পৰিচয় গোপনে ৰাখি প্ৰলোভন দি হিন্দু যুৱতী-মহিলাক প্ৰথমে বিয়া পাতে আৰু পিছত এৰি দিয়ে অথবা বিক্ৰী কৰে। গতিকে মই যি ভুল কৰিলো সেই ■ ৮ পৃষ্ঠাত

## গোগামুখৰ জয়ৰামপুৰত আন্তৰ্জাতিক বন্ধুত্ব দিৱসৰ দিনাই বন্ধুক হত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৩০ জুলাই ঃ** আজি আন্তৰ্জাতিক বন্ধুত্ব দিৱস। বন্ধুত্ব দিৱসৰ দিনাই বন্ধুক নৃশংসভাৱে হত্যা কৰা ঘটনা ধেমাজি জিলাৰ গোগামুখ আৰক্ষী থানাৰ অন্তৰ্গত জয়ৰামপুৰত সংঘটিত হৈছে। ঘটনাৰ বিৱৰণী মতে ২৯ তাৰিখ শুকুৰবাৰে ■ ৮ পৃষ্ঠাত



**বাৰ্মিংহাম কমনৱেল্‌থ গেমছত প্ৰথম সোণ**

**কেটাগৰী ৪৯ কেজি ঃ ৮৮ কেজি + ১১৩ কেজি = ২০১ কেজি**

## অভিলেখ গঢ়ি চানুৰ সোণ

# নৱ-প্ৰজন্মই ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতি আকৰ্ষিত হওক

**দক্ষ, নিষ্ঠাৱান আৰক্ষী বিষয়া মৃদুলানন্দ শৰ্মাৰ আহ্বান**



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩০ জুলাই ঃ** উঠি অহা যুৱক-যুৱতীয় পথভ্ৰষ্ট নহৈ আৰু নৈতিকতা বিসৰ্জন নিদি সততাৰে একাগ্ৰতা আৰু কঠোৰ অধ্যাৱসায়ে শৈক্ষিক উত্তৰণত অধিক মনোযোগ দিলে তেওঁলোকে ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰিব। সেয়ে নহয় সমাজৰ এজন প্ৰতিষ্ঠিত সু-নাগৰিক হৈ পৰিয়াল আৰু সমাজৰ গৌৰৱ কঢ়িয়াই আনিব পাৰিব। এই আহ্বান এজন দক্ষ, সৎ আৰক্ষী বিষয়া উজনি অসমৰ মাণ্ডলিক মহাপৰিদৰ্শক (আইজিপি) মৃদুলানন্দ শৰ্মাৰ। উঠি অহা শিক্ষিত ছাত্ৰ-ছাত্ৰীক তেওঁ ভাৰতীয় প্ৰশাসনিক সেৱা পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আহ্বান জনাই কয় যে, এনে সেৱাত কৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীৰ বাবে সন্মানীয় পদমৰ্যদাৰে ভাৰতৰ যিকোনো ঠাইতে দেশৰ বাবে সেৱা আগবঢ়াব পাৰে। উল্লেখ্য যে উজনি অসমৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ আই.পি.এচ. এই গৰাকী আৰক্ষী বিষয়াই উঠি অহা শিক্ষিত প্ৰজন্মক দিন-ৰাতি কষ্ট কৰি নিজৰ ভৱিত থিয় হৈ সমাজত সন্মানীয় পদমৰ্যদাৰে নিজকে আত্মনিৰ্ভৰশীল হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ উদগনি ■ ৮ পৃষ্ঠাত




## মৃগনাভি আলোচনীৰ বাবে লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাৱাবজাৰ, ৩০ জুলাই ঃ** সাহিত্যপ্ৰেমীৰ বাবে সুখবৰ, তিনিচুকীয়াৰ পৰা প্ৰকাশিত ছমহীয়া আলোচনী 'মৃগনাভি'ৰ বাবে দেশৰ ভিন্ন প্ৰান্তত থকা অসমীয়া সাহিত্যপ্ৰেমীসকলৰ পৰা প্ৰবন্ধ, কবিতা, নিবন্ধ, ঐতিহ্য, অনুভৱ, লোক-সংস্কৃতি, চুটিগল্প, গ্ৰন্থ-সমালোচনা, উপন্যাস, অনুবাদ লেখা, সামায়িকী, সাক্ষাৎকাৰ (কথা-বাৰ্তা), খেলৰ পৃথিৱী, শৈক্ষিক শিতান, কেৰিয়াৰ বিশেষ, মনোৰঞ্জনমূলী, বেচিপি আদি বিষয়ত লেখা আৰু মডেলিং পৃষ্ঠাৰ বা বিজ্ঞাপন আদি ৩১ আগষ্টৰ আগত পোৱাকৈ ৯৬৭৮১৬৪৯৭৪ হাটচএপ নম্বৰত প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে আগন্তুক আলোচনীখন দিল্লীত উন্মোচন কৰাৰ কথা সদৰী কৰে সম্পাদক দুলুমণি দেৱীয়ে। সবিশেষৰ বাবে উল্লিখিত নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

### আজি 'বিহগী মিডিয়া গ্ৰুপৰ ৰামধেনু বঁটা' প্ৰদান অনুষ্ঠান

# প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনলৈ মৰণোত্তোৰভাৱে 'ৰামধেনু বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩০ জুলাই ঃ** অসমৰ সাহিত্য, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা 'বিহগী মিডিয়া গ্ৰুপ'ৰ উদ্যোগত এইবেলি ১৬তম বৰ্ষৰ (২০২২) ঘোষণা কৰা নিৰ্বাচিত বঁটাপ্ৰাপকসকলক কাইলৈ বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি বিহগী মিডিয়া গ্ৰুপৰ সঞ্চালক কনক কলিতা আৰু সম্পাদক দিলীপ বৰ্মনে এক সংবাদ মেলযোগে ঘোষণা কৰিছে। সচেতন ৰাইজ, অভিজ্ঞ নাটককাৰ, নাট সমালোচক, বিশিষ্ট সাংবাদিক, চিন্তাবিদ আদিৰে গঠিত নিৰ্বাচক মণ্ডলীৰ নিৰ্বাচনমৰ্মে এইবেলি প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্ষীয়ান ৰাজনীতিবিদ ডাঃ ভূমিধৰ বৰ্মনলৈ মৰণোত্তোৰভাৱে প্ৰথমবাৰলৈ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিশিষ্ট লেখক ড° দীনেশ বৈশ্যলৈ জীৱনজোৰা সাধনা বঁটা ৰাজ্যৰ অগ্ৰণী সাহিত্য, সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠীৰ সভাপতি লীলাধৰ পাঠকলৈ ৰামধেনু সাধনা বঁটা, কণ্ঠশিল্পী কুমাৰ ভবেশলৈ সংগীত ৰত্ন বঁটা, নিৰ্মালী দাসলৈ কণ্ঠ সূৰ্য বঁটা, সুদক্ষ আৰক্ষী বিষয়া দীনেশ মেধিলৈ সমাজৰত্ন বঁটা, বলিষ্ঠ অভিনেতা দ্বীপন আৰ্যলৈ শ্ৰেষ্ঠ অভিনেতা, ভ্ৰাম্যমাণ জগতৰ বঞ্চিত দৰ্শলৈ অচ্যুত লহকৰ বঁটা, যাত্ৰাদলৰ বলিষ্ঠ অভিনেতা নৱ শৰ্মালৈ শ্ৰেষ্ঠ অভিনেতা, ললিতা বণিকাৰ বিহগী কবি ৰঘুনাথ চৌধুৰী বঁটা, সাংবাদিক নগেন তালুকদাৰক শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিক বঁটা ৰুদ্ৰল আলীক সমাজৰত্ন বঁটা, সত্ৰ নগৰী বৰপেটাৰ লীলাধৰ দাসক, শিক্ষাৰত্ন বঁটা, লক্ষী পাটোৱাৰীক সমাজৰত্ন বঁটা, শুকদেৱ মালাকাৰক শিক্ষাৰত্ন বঁটা, বিকি আহমেদক কৰ্ম সাধনা বঁটা, ধীৰেন বৰ্মনক শিল্পীপ্ৰাণ বঁটা, শিখাজ্যোতি ডেকাক সাহিত্য সাধনা বঁটা, ভূপেন ডেকা, উৎপল ডেকা, সৰ্বেশ্বৰ কলিতা, আৰু প্ৰীতম গোস্বামীক ৰামধেনু বঁটা প্ৰদানৰ লগতে বিভিন্ন ক্ষেত্ৰৰ কেবাজনো যোগ্য ব্যক্তিক যোগ্য সন্মান প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে যোল্লগৰাকী সাংবাদিক ক্ৰমে বীৰেন কলিতা, দেৱান নজৰুল ইছলাম, মনোজ শৰ্মা, এম মহিবৰ ৰহমান, মাণিক ডেকা, দিগন্ত বৰ্মন, গুণজিৎ কলিতা, ৰাজেন ডেকা, প্ৰদীপ কলিতা, জয়ন্ত ডেকা, আমিনুৰ শেখ, ৰাণা চৌধুৰী, ভাৰত ৰাজবংশী, তফিকুৰ ৰহমান, আব্দুল গণি খান চৌধুৰী আৰু সুভাষ কাকতিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব বুলি সংবাদ মেলযোগে সদৰী কৰিছে। কাইলৈ নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী আদাবাৰী ছোৱালী হাইস্কুলত অনুষ্ঠিতব্য এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব। উক্ত বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুদ্ধিজীৱী তথা বিশিষ্ট সাংবাদিক অজীপ ফুকন, দৈনিক অসম কাকতৰ কাৰ্যবাহী সম্পাদক, দিলীপ মহন্ত, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, নৰ্থ-ইষ্ট কেঞ্চাৰ হাস্পতালৰ সঞ্চালক গণেশ তামুলীসহ অসমৰ কে'বাগৰাকীও বিশিষ্ট ব্যক্তি। উল্লেখ্য যে ৰাজনৈতিক অনুদান, পেছাদাৰী, ঈৰ্ষা, স্বজনপ্ৰীতি, তোষামোদ আদি বিভিন্ন কাৰকৰ বাবে এচাম যোগ্য আৰু প্ৰতিভাবান ব্যক্তিয়ে স্বীকৃতি আৰু প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হৈ আহাৰ ফলতে ২০০৭ চনতে যোগ্য ব্যক্তিক যোগ্য সন্মান প্ৰদানৰ মূলমন্ত্ৰেৰে এই 'বিহগী মিডিয়া গ্ৰুপ অসম'ৰ জন্ম হয়।



# মাৰ্ঘেৰিটাত টাই ভাষা, পাঠদান কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৩০ জুলাই ঃ** ডামচাও গিৰীন মহুং বৰুৱা সোঁৱৰণত অনুষ্ঠিত কৰা টাই ভাষাৰ পাঠদান কৰ্মশালা ও সাংস্কৃতিক সমাৰোহৰ কালি সামৰণি পৰে। এই পাঠদান, কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহখনি ১ জুলাইত শুভাৰম্ভ কৰা হৈছিল। মাৰ্ঘেৰিটাৰ টাউন হাই স্কুলত এমাহযোৰা কাৰ্যসূচীৰে আয়োজন কৰা এই টাই ভাষাৰ পাঠদান, কৰ্মশালা আৰু সাংস্কৃতিক সমাৰোহৰ শুভ উদ্বোধন কৰিছিল মাৰ্ঘেৰিটা মহকুমাধিপতি মানচাও পলাশ ৰাজকুমাৰ আহোমে।আজি পুৱা মাৰ্ঘেৰিটাস্থিত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী সামৰণী অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। সামৰণী অনুষ্ঠানৰ মুকলি সভাত টাই আহোমৰ বিশিষ্ট পণ্ডিত, শুভাকাঙ্খীসকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত টাই আহোমৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামৰণিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি টাই আহোমৰ এক সাংস্কিতিক সমাৰোহৰো আয়োজন কৰা হয়। সাংস্কৃতিক সমাৰোহত টাই আহোমৰ কলা সংস্কৃতি প্ৰতিফলিত কৰা হয়।

### গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নটসূৰ্য ফণী শৰ্মা ভৱনত সম্বৰ্ধনা অনুষ্ঠান

# ৰাজ্যৰ কেবিনেটে শিক্ষাৰ ক্ষেত্ৰত অনা নতুন নীতিক তীব্ৰ বিৰোধিতা সভাপতি দীপাংক নাথৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩০ জুলাই ঃ** গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নটসূৰ্য ফণী শৰ্মা ভৱনত অনুষ্ঠিত হয় বিশেষ সম্বৰ্ধনা অনুষ্ঠান। ২০২২ বৰ্ষৰ হাইস্কুল, হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষাত জিলাখনৰ পৰা স্থান লাভ কৰি সুনাম কঢ়িয়াই অনা ছাত্ৰগৰাকীৰ লগতে ডিষ্টিংচন পোৱা আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য আৰু বিজ্ঞানৰ চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাবলৈ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। কৃতি ছাত্ৰ-ছাত্ৰীসকলে যিখন শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰি এই প্ৰশংসনীয় ফলাফল পাবলৈ সক্ষম হ'ল সেই শিক্ষানুষ্ঠানৰ সন্মানীয় মুৰব্বী সকলকো সম্বৰ্ধনা জনোৱা হয় উক্ত অনুষ্ঠানত। উল্লেখ্য, ৰাজ্যৰ কেবিনেটে শিক্ষাৰ ক্ষেত্ৰত অনা নতুন নীতিক তীব্ৰ বিৰোধিতা কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে। সভাপতি গৰাকীয়ে কয় যে, চৰকাৰে অসমীয়া মাধ্যমৰ শিক্ষাটোক ধ্বংসৰ গৰাহত ঠেলি দিব বিচাৰিছে।




জেষ্ঠ শিক্ষক তথা শিক্ষা বিশেষজ্ঞৰ লগত বিষয়টো পুনৰ আলোচনা কৰাৰ বাবে অনুৰোধ জনায় সভাপতি গৰাকীয়ে। উক্ত অনুষ্ঠান টোত উপস্থিত থাকে গোৱালপাৰা জিলাৰ শিক্ষা বিভাগৰ দায়িত্বত থকা এ চি এছ বিষয়া কল্যানী কংকনা দাস, গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথ, সাধাৰণ সম্পাদক বেদান্ত্য কাশ্যপ প্ৰমুখ্যে গোৱালপাৰা চহৰৰ গণ্যমান্য ব্যাক্তিসকল।



# ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত গৌৰীপুৰত বৃহৎ পৰিমাণৰ নীচাজাতীয় দ্ৰব্য ধ্বংস কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩০ জুলাই ঃ** আজি দিনৰ ১১ বজাত গৌৰীপুৰৰ ৰঙামাটি পাহাৰাত জব্দকৃত ড্ৰাগ্‌ছ বিনিষ্টকৰণ অভিযান। ধুবুৰী জিলাৰ বিভিন্ন থানা এলেকাৰ পৰা জব্দকৃত ড্ৰাগ্‌ছ সমূহ একেলগে ধংস কৰে। এই ড্ৰাগ্‌ছ বিনিষ্টকৰন অভিযানত ধুবুৰী জিলা আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গৌৰৱ , সহকাৰী আৰক্ষী অধীক্ষক ৰজীৱাণী শৰ্মা, ডিএছপি বিদ্যুৎ ভুএগ্ৰা , আবকাৰী বিভাগৰ পৰিৰ্দশক জয়দীপৰায়, যুটীয়া স্বাস্থা সঞ্চালক ডাঃ প্ৰদীপ চন্দ্ৰ দাস আদি উপস্থিত থাকে। অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গৌৰৱে জনায় যে বছৰটোত জিলাৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই জব্দকৃত প্ৰায় ৩৩ কেচ ড্ৰাগ্‌ছ আজি জ্বলাই দি ধ্বংস কৰা হয়। আনুমানিক মূল্য হ'ব ১.৫ কোটি টকা।

# ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ ধেমাজি, ৩০ জুলাই ঃ** শনিবাৰে ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ আহ্বানত চেলিবৱ্ৰেচন অন্ দ্য অকেজন অব ৱৰ্ল্ড দে এগেইনষ্ট ট্ৰেফিকিং ইন পাৰ্চনচ্ কাৰ্যসূচী সফলভাৱে সম্পন্ন। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাত আমন্ত্ৰিত অতিথিক সম্বৰ্ধনা জনোৱাৰ পিছত। অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ সদস্যা ড° পিলু হাজৰিকাই আদৰণি ভাষণ প্ৰদান কৰি মানৱ সৰবৰাহ আৰু শিশু সৰবৰাহ ৰোধ সম্পৰ্কত সমাজৰ ল'বলগা সচেতনতা সম্পৰ্কত আৰু শিশু অধিকাৰ আইনৰ সম্পৰ্কত বিস্তৃতভাৱে বৰ্ণনা কৰা হয়,সাম্প্ৰতিক সময়ত মবাইল ইন্টাৰনেটৰ অনলাইন গেম ইত্যাদিবোৰৰ অপপ্ৰয়োগৰ বাবেই শিশুসকলক প্ৰলোভিত কৰি অধিক শিশু ট্ৰেফিকিঙৰ বলি হবলগা হয় বুলি ভাষণ প্ৰসংগত জানিবলৈ দিয়ে,এই ক্ষেত্ৰত সভাত উপস্থিত সকলো শিক্ষক সমাজ,দল,সংগঠনক সজাগতা বৃদ্ধিত অধিক গুৰুত্ব দিবলৈ আহ্বান জনোৱা হয়। মুখ্য অতিথিৰ ভাষণত ধেমাজিৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূএগ্ৰাই অসম-অৰুণাচল সীমান্তবৰ্তী জিলা হিচাপে নহয়, কিন্তু ধেমাজিত বেছিকৈ অৰুণাচললৈ কৰ্মসূত্ৰে গৈ অধিক শিশু আৰু মানৱ সৰবৰাহ সংঘটিত হোৱা বুলি জানিবলৈ দিয়ে। এই ক্ষেত্ৰত উদ্ধাৰ অভিযানৰ কামত অৰুণাচল আৰক্ষীয়ে যথেষ্ট পৰিমানে সহযোগিতা আগবঢ়াই আহিছে বুলি অৰুণাচল আৰক্ষীক ধন্যবাদ জনোৱা দেখা যায়। এই অনুষ্ঠানতেই ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত যাদৱ পেগু,অতিৰিক্ত আৰক্ষী অধীক্ষক গৌৰৱ আগৰৱালে কয় আজিৰ যুগত ফেচবুকৰ অপপ্ৰয়োগৰ ফলতেই বন্ধুত্ব গঢ়াৰ চ্যেলু লৈ মানৱ সৰবৰাহকাৰীয়ে অধিক সুযোগ পোৱা বুলি উল্লেখ কৰে,ইয়াৰ বাবে অভিভাৱক-অভিভাৱিকাৰ সচেতনতাৰ যথেষ্ট প্ৰয়োজন বুলি ৰাইজক সজাগ হবলৈ আহ্বান জনায়। অনুষ্ঠানত জিলা পৰিষদৰ চি,অ প্ৰফুল্ল দেউৰী,অসম ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ সদস্য অজয় কুমাৰ দত্ত আদিও উপস্থিত থাকি শিশু আৰু মানৱ সৰবৰাহ সম্পৰ্কত গুৰুত্বপূৰ্ণ সজাগতামূলক বক্তব্য প্ৰদান কৰে।

### মাজবাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বাহীপুখুৰী ভিচিডিচিৰ সভাপতিৰ সংবাদ মেল

# টি এছ্ কৰাৰ নামত ৪-৫ শতাংশ টকা লোৱাৰ অভিযোগ নস্যাৎ কৰিলে লাডু লোহাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৩০ জুলাই ঃ** মাজবাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বাহীপুখুৰী ভিচিডিচিত আঁচনিৰ প্ৰাককলন টি এচ কৰাৰ নামত ৪-৫ শতাংশ টকা লোৱা বুলি বৈদ্যুতিন সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছত নিজৰ স্থিতি স্পষ্ট কৰি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে উক্ত ভিচিডিচিৰ সভাপতি লাডু লোহাৰে। তেওঁৰ অভিযোগ নস্যাৎ কৰি তথ্যসহকাৰে সকলো কথা সংবাদ মাধ্যমৰ সন্মুখত ব্যক্ত কৰে । মাজবাট পশু চিকিৎসালৰ অতিথিশালাত অনুষ্ঠিত কৰা সংবাদ মেলত তেওঁ আৰু কয় যে মোৰ বিৰুদ্ধে যি দুজন ব্যক্তিয়ে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ কামৰ বিভাগীয় অনুমোদন (টিএছ) জনোৱাৰ বাবে ৪-৫ শতাংশ টকা সংগ্ৰহ কৰা বুলি অভিযোগ কৰিছে সেইয়া সম্পূৰ্ণ ভিত্তিহীন আৰু মনে সজা কথা। কাৰণ এম জি এনৰেগা আঁচনিৰ কামত কোনোধৰণৰ ঠিকাদাৰী ব্যৱস্থা নাথাকে। উক্ত আঁচনিসমূহ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তা, জে আৰ এছ আৰু ভি চি ডি চিৰ সভাপতি সমূহে চোৱাচিতা কৰে আৰু কামসমূহ জবকাৰ্ড হিতাধীকাৰীৰ জৰিয়তে কৰে। তেনেস্থলত নিৰ্দিষ্ট কোনো ব্যক্তিৰ পৰা টকা লোৱা কথা সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। তেওঁ আৰু কয় উন্নয়ন খণ্ডৰ সকলো কামৰ বিভাগীয় অনুমোদন উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তাই জিলা প্ৰকল্প সঞ্চালক কাৰ্যালয়ৰ কাৰ্যবাহী অভিযন্তাৰ জৰিয়তে বিভাগীয় অনুমোদন জনায়। তাত ভি চি ডি চিৰ সভাপতিৰ কোনো হাত নাথাকে। মোৰ বিৰুদ্ধে অভিযোগ আনি সংবাদ মাধ্যমৰ জৰিয়তে জনমানসত মোৰ ভাৱমূৰ্তি ম্লান কৰিবলৈ চেষ্টা চলাইছে সেইয়া সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত মাথোঁ। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ আৰু কয় যদি আঁচনিসমূহৰ বিভাগীয় অনুমোদন জনোৱাৰ নামত মাজবাট উন্নয়ন খণ্ডৰ কোনো বিষয়া, কনিষ্ঠ অভিযন্তা তথা কৰ্মচাৰীয়ে টকা সংগ্ৰহ কৰি আছে সেই বিষয়ে মই জ্ঞাত নহয়। আনহাতে এই সংবাদ মেলত সভাপতি গৰাকীৰ বিৰুদ্ধে মিছা অভিযোগেৰে তেওঁক সমাজত হেয় প্ৰতিপন্ন কৰিব খোজা ৰাজীৱ ধৰ আৰু কেলিয়েন কিচপটাৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত মানহানী গোচৰ তৰা হ'ব বুলিও সংবাদ মেলত ব্যক্ত কৰে।



# ৩৩নং উত্তৰ-পূব চাৰিগাঁও গাঁও পঞ্চায়তৰ তিনিখনকৈ আঁচনিৰ শুভাৰম্ভ কৰে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ৩০ জুলাই ঃ** যোৰহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৩ নং উত্তৰ-পূব চাৰিগাঁও গাঁও পঞ্চায়তে পঞ্চদশ বিত্তীয় বৰ্ষৰ অনিৰ্ধাৰিত পুঁজিৰে (আনটাইড) নিৰ্মাণ কৰিবলৈ লোৱা তিনিটা আঁচনি উদ্বোধন কৰে বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়। বিধায়কগৰাকীয়ে প্ৰথমে এগছি বন্তি প্ৰজ্বলন কৰি প্ৰতিটো ওৱাড়ৰ ৰাইজক পোহৰ দিব পৰাকৈ নিৰ্মাণ কৰিবলৈ লোৱা ষ্টিটলাইত ব্যৱস্থা পঞ্চায়তৰ কাযালয়ৰ পৰাই চুইছ টিপি উদ্বোধন কৰে । তাৰ পাছত দ্বিতীয়টো আঁচনি পঞ্চায়ত এলেকাৰ প্ৰায় ৪৪টা নামঘৰলৈ স্বচ্ছতাৰ প্ৰতি লক্ষ ৰাখি একোটাকৈ উন্নত মানৰ ডাষ্টবিন প্ৰদান কায্যসুচীও বিধায়ক গৰাকীয়ে ফিতা কাটি উদ্বোধন কৰে। তৃতীয়টো পঞ্চায়তলৈ অহা প্ৰতিজন নাগৰিকৰ বাবে সুবিধা হোৱাকৈ গ্ৰহণ কৰা অত্যাধুনিক বিশুদ্ধ খোৱাপানী আঁচনিখন যোৰহাট জিলা পৰিষদৰ উপ-সভানেত্ৰী বাসৰী কলিতা শইকীয়াই বন্তি প্ৰজ্বলন কৰি আৰু ফিটা কাটি উদ্বোধন কৰে। তাৰ পাছতে পঞ্চায়তৰ সভাপতি মুনিন বৰাৰ সভাপতিত্বত এখনি ৰাজহুৱা অনুষ্ঠিত হয় । সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই আত ধৰা আৰু পঞ্চায়তৰ সচীৱ সুভাষ থাপাই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখনিত বিধায়কগৰাকীয়ে তিনিওখন আঁচনিয়ে জনগণৰ হিত সাধন কৰাৰ উপৰিও



বেলেগ পঞ্চায়তৰ বাবেও আদৰ্শ হ'ব বুলি উল্লেখ কৰে। জিলাপৰিষদৰ উপ-সভানেত্ৰী বাসৰী কলিতা শইকীয়া, আঞ্চলিক পঞ্চায়তৰ সদস্য বাবুল বৰা, সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়াই চমু ভাষণ প্ৰদান কৰা সভাত অ'বিচি যোৰহাট জিলাৰ সম্পাদক প্ৰবীৰ বৰা, যুৱ সমাজকৰ্মী ৰূপকৰঞ্জন দত্তৰ লগতে পঞ্চায়ত এলেকাৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পোহৰ, পানী, পৰিস্কাৰ অৰ্থাৎ তিনিওটা আঁচনি উদ্বোধনৰ ৰাজহুৱা সভাখনৰ আদৰণী ভাষণ আগবঢ়াই খণ্ড সদস্যা নিভা বৰা ভূএগ্ৰা আৰু শলাগ জ্ঞাপন কৰে খণ্ড সদস্য অভিজিত দত্তই।

# নগেন তালুকদাৰলৈ বিহ'গী মিডিয়া গ্ৰুপৰ শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিক বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩০ জুলাই ঃ** সামাজিক, সাংস্কৃতিক, সাংবাদিকৰ সন্হা ,বিহগী মিডিয়া গ্ৰুপে কাইলৈ ৩১ জুলাইত নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী,আদাবাৰী ছোৱালী হাইস্কুলত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাংবাদিক, লেখক নগেন তালুকদাৰ শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিক বটা প্ৰদান কৰিব বুলি সংস্থাটোৰ সঞ্চালক কনক কলিতাই জানিব দিছে ।সাংবাদিক ,লেখক নিবন্ধকাৰ নগেন তালুকদাৰ অসমৰ সাহিত্য, সামাজিক, সাংস্কৃতিক জগতখনত এটি পৰিচিত নাম ।এটি আদৰ্শ কৃষক পৰিয়ালত জন্মলাভ কৰা তালুকদাৰে২০০০ চনত নলবাৰী জিলাৰ পৰা প্ৰকাশিত এখন জনপ্ৰিয় সাপ্তাহিক কাকত আমাৰ নলবাৰীৰ জৰিয়তে সংবাদ সেৱাৰ ক্ষেত্ৰখনত ভৰি দিছিল। পিছত অসমৰ বিভিন্ন সাপ্তাহিক আৰু দৈনিক বাতৰি কাকতত সমান্তৰালভাৱে গল্প, প্ৰবন্ধটোত আদি বিভিন্ন শিতানত লিখি আহিছে ।গ্ৰাম্য বোকা পানী গছকি এটি কৃষক পৰিয়ালৰ মাজতে ডাঙৰ দীঘল হোৱা তালুকদাৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানৰ লগতো জড়িত। এসময়ত নলবাৰীৰ পৰা প্ৰকাশিত সাদিনীয়া নলবাৰী নামৰ সাপ্তাহিক কাকতখনৰ সহযোগী সম্পাদক হিচাপে কাম কৰা তালুকদাৰে পিছত সাদিনীয়া অসম নামৰ কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদকো আছিল । পশ্চিম নলবাৰী প্ৰেছ গ্ৰীল্ডৰ প্ৰাক্তন সম্পাদক নগেন তালুকদাৰ নলবাৰী জিলা সাংবাদিক সন্থাৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ উপৰিও বৰনদী প্ৰেছ ক্লাৱৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ।অসম সাহিত্য সভাৰ আজীৱন সভ্য নগেন তালুকদাৰৰ ইতিমধ্যে খখৰিশাল-গদিৰা শ্ৰী শ্ৰী গোপাল থানৰ ইতিবৃত্ত, বৰ্ণময় শিল্প সংগ্ৰামী শিল্পী ,অসমীয়া সমাজৰ এক পবিত্ৰ অনুষ্ঠান বিবাহ, বিহু আৰু পূজা নামৰ পাঁচখন গ্ৰন্থ প্ৰকাশ পাইছে । ইয়াৰ উপৰিও কলেজীয়া জীৱনত সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদকৰ দায়িত্বত থকা তালুকদাৰ নলবাৰী জিলা শিল্পী সমাজৰো আজীৱন সভ্য। জাতীয় সচেতন মঞ্চৰ উদ্যোগত ২০১৭-২০১৮ বৰ্ষত সদৌ অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হোৱা তালুকদাৰে অসম মহিলা সন্থা নেলীৰ দ্বাৰা২০১৮ ইং বৰ্ষত অসম ভিত্তিত আয়োজন কৰা কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল। উল্লেখ্য যে সাংবাদিক লেখক নগেন তালুকদাৰ ইতিমধ্যে অসমৰ আন এটি অগ্ৰণী অনুষ্ঠান সাহিত্য, সমাজ,সাংস্কৃতিক সেৱা মঞ্চ অসমে২০০০ চনত অসম গৌৰৱ বটা ,২০২১চনত শংকৰ আজান সমন্বয় বটা প্ৰদান কৰাৰ উপৰি তালুকদাৰে অসম চৰকাৰৰ অসম ভাষা গৌৰৱ আচনিৰ অন্তৰ্গত লেখক সম্বৰ্ধনা লাভ কৰিবলৈও সক্ষম হয়। এই বৰ্ষটোত অসমৰ অগ্ৰণী অনুষ্ঠান সাহিত্য ,সংস্কৃতিৰ বৃহত্তৰ মঞ্চ অসমে সাহিত্য সংস্কৃতিৰ সাধনা বটা-২০২১ প্ৰদান কৰে ।ইয়াৰোপৰি Cultural Assam ৰ উদ্যোগত অসম আদিত্য বটা আৰু North East Plus ৰ উদ্যোগত বৰলুইত সন্মান-২০২২ লাভ কৰে তালুকদাৰে ।তালুকদাৰৰ এই যাত্ৰা অগ্ৰসৰ হৈ থাকক।



### চাকৰি হেৰুৱাৰ ভয় বিদ্যুৎ বিভাগৰ ৫ সহস্ৰাধিক কৰ্মচাৰীৰ

# লোকৰ ঘৰত পোহৰ বিলাই ফুৰা বিদ্যুৎ কৰ্মীৰ নিজৰ জীৱনেই অন্ধকাৰ হোৱাৰ পথত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩০ জুলাই ঃ** চাকৰি হেৰুৱাৰ ভয় অসমৰ শক্তি বিতৰণ খণ্ডৰ কাম কৰি থকা প্ৰায় ৫ হাজাৰ অস্হায়ী বিদূৎ কৰ্মীৰ। উল্লেখযোগ্য যে চাকৰি নিয়মীয়াকৰনৰ বিষয়টো চৰকাৰক বহুবাৰ আবেদন কৰাৰ পাছতো চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা নাই। ইপিনে, দেশত কভিড ১৯ ৰ মহামাৰী সময়ত নিজৰ জীৱনক তুচ্ছ কৰি ৰাইজক বিদুৎ যোগান ধৰা অস্থায়ী কৰ্মচাৰীয়ে চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াত শক্তি বিভাগৰ কোনো খালি পদ নেদেখুওৱাত এতিয়া হতাশাত ভুগিছে। উল্লেখ্য যে কাকজান বিদ্যুৎ উপ-সংমণ্ডলৰ কৰ্মচাৰীয়ে দিনে ৰাতিয়ে কৰা পৰিশ্ৰমৰ কথা চিন্তা নকৰা বিভাগ তথা চৰকাৰখনে মাত্ৰ ৰাজহৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিয়াত আজি এ পি ডি চি এলৰ অস্হায়ী কৰ্মীয়ে চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। লগতে যদি পৰবৰ্তী সময়ত ASSAM STATE OUTSOURCE POWER WORKERS UNION ৰ দীৰ্ঘ দিনীয়া সমস্যাসমূহ সমাধান নকৰে তেতিয়া গনতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰো হুংকাৰ প্ৰদান কৰে কৰ্মচাৰীসকলে।



# সোণৰ আ-অলংকাৰ চাফা কৰাৰ ছলেৰে চেইন চুৰি আৰক্ষীৰ জালত বিহাৰৰ ৰমেশ কুমাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৩০ জুলাই ঃ** আপোনাৰ ঘৰলৈ যদি সোণৰ আ-অলংকাৰ চাফা কৰা কোনো লোক আহিছে তেন্তে সাৱধান হঁওক।কিয়নো আপোনাৰ সৰলতাৰ সুযোগ লৈ সোণৰ আ-অলংকাৰ চাফা কৰাৰ চলেৰে কোনো ৰাসায়নিক দ্ৰব্য মিহলি কৰি আপোনাক অচেতন কৰি লুট কৰি নিব পাৰে আপুনি পৰিধান কৰি থকা মূল্যৱান সোণৰ আ-অলংকাৰ।জামুগুৰিহাটত সংঘটিত হৈছে এনে এক ঘটনা। বিগত জুন মাহৰ ২০ তাৰিখে জামুগুৰিহাটৰ মূঢ়াদলৰ নিজৰা বৰুৱা নামৰ মহিলাগৰাকীৰ গৃহত আহি উপস্থিত হৈছিল সোণ চাফা কৰি জিলিকাই তোলা স্বয়ম্ভু ৰমেশ কুমাৰ নামৰ প্ৰৱঞ্চকটো। কিন্তু ঘৰৰ মহিলাগৰাকীৰ সৰলতাৰ সুযোগ লৈ ৰাসায়নিক দ্ৰব্য মিহলি কৰি প্ৰৱঞ্চকটোৱে সেইসময়ত উপস্থিত সকলোকে অচেতন কৰি চুৰি কৰি লৈ গ'ল ডেৰ টোলা সোণৰ এডাল চেইন। এমাহৰ পিছত টেলিভিচনৰ পৰ্দাত প্ৰবঞ্চকটোক দেখি চিনি পাই লগে লগে মহিলাগৰাকীৰ লগতে স্বামীয়ে জামুগুৰি আৰক্ষীক বিষয়টো অৱগত কৰাই। তাৰপিছতেই জামুগুৰি আৰক্ষীৰ জিম্মাত স্বয়ম্ভু সোণ চাফা কৰা খনিকৰ ৰমেশ কুমাৰ। বৰ্তমান সোণৰ আ অলংকাৰক অধিক সোণত সুৰগা কৰা প্ৰৱঞ্চক চোৰটোক জামুগুৰি আৰক্ষীয়ে সোধপোচ অব্যাহত ৰাখিছে। এশ গৰু মাৰিলে বাঘৰো মৰণৰ লেখিয়াকৈ কিমানগৰাকীৰ সোণৰ আ-অলংকাৰ চুৰ কৰি নিয়াৰ পিছত বিহাৰৰ এই ৰমেশ কুমাৰ নামৰ এই প্ৰৱঞ্চকটো আৰক্ষীৰ জালত পৰিল সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব। অৱশ্যে এনে অসৎ লোকৰ মিঠা মিঠা মাত শুনি ঘৰত পুৰুষৰ অনুপস্থিতিত থকা মহিলাসকলক আতৰি থাকি সাৱধান হ'বলৈ আহবান জনাইছে ভূক্তভোগী মহিলাগৰাকীৰ স্বামীয়েও। উল্লেখ্য, সোণৰ আ অলংকাৰ চুৰি কৰা এই প্ৰৱঞ্চকটো নগাঁও জে'লত আছিল আৰু জে'লৰ পৰাই জামুগুৰি আৰক্ষীয়ে জিম্মাত আনিছে।



## জাননী

ইয়াৰ দ্বাৰা নিলাম কমিটিয়ে জানিবলৈ দিছে যে মহামান্য SDJM(M) গোসাইগাঁও আদালতৰ নিৰ্দেশ মৰ্মে গোসাইগাঁও থানাৰ Case No 138 /2021 সংক্ৰান্তে জব্দকৃত মুঠ ১৫টা গৰু অহা ইংৰাজী ০১/০৮/২০২২ তাৰিখৰ ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ২ বজাৰ ভিতৰত নিম্ন উল্লেখিত স্থানত নিলামযোগে বিক্ৰী কৰা হ'ব। ইচ্ছুক ক্ৰেতাক উক্ত তাৰিখৰ দিনা যথা সময়ত উপস্থিত থাকিবলৈ নিলাম কমিটিয়ে ইয়াৰ দ্বাৰা আহ্বান জনাইছে।

**নিলামৰ স্থান ঃ**
**S D Livestock centre & Shelter House**
**Damrapara, Srirampur.**

## ৰাশিফলত আজিৰ দিনটো

**১৪ শাওণ, দেওবাৰ, ৩১ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা তৃতীয়া, নক্ষত্ৰ ঃ মঘা, ৰাশি ঃ সিংহ**
**সূৰ্যোদয়- ৪-৫১-৮ সূৰ্যাস্ত- ৬-৭-৩৮**



■ **মেষ** ঃ মনোবাঞ্ছা পূৰ্ণ ■ **বৃষ** ঃ পাৰদৰ্শী ব্যক্তি ■ **মিথুন** ঃ শুভ বুদ্ধি উদয় ■ **কৰ্কট** ঃ ছাত্ৰীৰ সুনাম ■ **সিংহ** ঃ ব্যৱসায় বৃদ্ধি ■ **কন্যা** ঃ এলাহ ভাব বৃদ্ধি ■ **তুলা** ঃ সঞ্চয়ী মনোভাব ■ **বৃশ্চিক** ঃ সমস্যাৰ উদ্ভৱ ■ **ধনু** ঃ প্ৰেমত আনন্দ ■ **মকৰ** ঃ সুন্দৰ পৰিৱেশ ■ **কুম্ভ** ঃ সাহসৰ পৰিচয় ■ **মীন** ঃ ঘৰুৱা অশান্তি।

# ৰঙিয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত পৰ্যালোচনা সভাত উপস্থিত বিধায়ক ভৱেশ কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩০ জুলাই ঃ** ৰঙিয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত শুকুৰবাৰে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। উক্ত সভাত ৰঙিয়া সমষ্টিৰ বিভিন্ন পঞ্চায়ত সমূহত চলি থকা ৰাজ্য চৰকাৰৰ অধীনৰ জনকল্যাণমুখী তথা উন্নয়নমূলক আঁচনি সমূহৰ কাম কাজৰ অগ্ৰগতি সন্দৰ্ভত খতিয়ান লোৱাৰ লগতে আগন্তুক দিনত ল'বলগীয়া পৰিকল্পনা সন্দৰ্ভত খণ্ড উন্নয়ন বিষয় ববীয়া সকলৰ লগতে পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে আলাপত মিলিত হয় ৰাজ্যিক বিজেপিৰ সভাপতি তথা স্থানীয় বিধায়ক ভবেশ কলিতা।উক্ত সভাত খণ্ড-উন্নয়ন কাৰ্যালয়ৰ বিষয়ববীয়া সকলৰ লগতে পঞ্চায়তৰ প্ৰতিনিধিসকলক ৰাজ্য চৰকাৰৰ অধীনত চলি থকা উন্নয়ন মূলক আঁচনি সমূহ নিৰ্ধাৰিত সময়ত ক্ষীপ্ৰ গতিত ৰূপায়িত কৰি তুলিবলৈ নিৰ্দেশ প্ৰদান কৰে কলিতাই। উক্ত সভাত খণ্ড উন্নয়ন বিষয়া ধনজিৎ দত্ত,পঞ্চায়তৰ প্ৰতিনিধি সকলৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৩১ জুলাই, ২০২২ ■ দেওবাৰ ■ ১৪ শাওণ, ১৯৪৪ শক


চৰকাৰৰ জলসিঞ্চন আঁচনিৰ পৰা বঞ্চিত ব্ৰহ্মপুত্ৰ অঞ্চলৰ হাজাৰ হাজাৰ কৃষক

# পানীৰ অভাৱত উকা হৈ ৰৈছে হাজাৰ হাজাৰ বিঘা কৃষিভূমি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি,৩০ জুলাই ঃ** ৰঙামাটিৰ কাষৰীয়া খুমটাই সমষ্টিৰ পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ কৃষকৰ মাজত এতিয়া পানীৰ বাবে হাহাকাৰ অৱস্থা। চৰকাৰৰ জলসিঞ্চন আঁচনিৰ পৰা বঞ্চিত ব্ৰহ্মপুত্ৰ অঞ্চলৰ কৃষক। এতিয়া শাওণৰ পথাৰ সেউজীয়া কৰোৱা সময়।। সকলো কৃষকৰ সপোন পথাৰ কেইডৰা সোণালী কৰোৱাৰ। বুঢ়ি নাঙলত ধৰি হালোৱা গৰুহালৰ পিছত ৰাতিতেই উঠি চহোৱা পথাৰ কেইডৰাত ছিঁৰাল ফাট দিছে। জেঠতেই পৰা ধানৰ কঠীয়াই সজাল ধৰিলে। কৃষিৰ বাবে পানীৰ প্ৰয়োজন।পানীৰ বাবে খেতিয়কসকলে প্ৰায়ে প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হয়। কেতিয়াবা খেতিৰ ভৰপকৰ সময়তো বতৰ খৰাং হয় আৰু পথাৰে ছিঁৰাল ফাট দিয়ে। পানীৰ অভাৱত কৃষিপথাৰ খেতিৰ অনুপযোগী হৈ পৰিছে । ফলত খেতিয়কসকলৰ মাজত এতিয়া হাহাকাৰ সৃষ্টি হৈছে । ভৰ বাৰিষা বৰষুণৰ অভাৱত খেতিপথাৰত এটুপিও পানী নথকাৰ ফলত ৰুব পৰা নাই ।একমাত্ৰ কৃষকৰ জীয়াই থকাৰ সম্বল খেতিপথাৰডৰা। তাক লৈ এতিয়া চিন্তিত হৈ পৰিছে খেতিয়কসকল। কিন্তু অসম চৰকাৰৰ বিয়াগোম কৃষি আৰু জলসিঞ্চন বিভাগৰ এইবোৰৰ প্ৰতি কোনো কাণসাৰ নাই। কৃষি আৰু জলসিঞ্চন বিভাগৰ এনে চকু মুদা কুলি স্বভাৱৰ বাবে মূৰে-কপালে হাত দিব লগা হৈছে কৃষকসকলে। চৰকাৰে দুয়োটা বিভাগৰ নামত কোটি কোটি টকা খৰচ কৰিছে যদিও কোনো এটা বিভাগৰ কোনো এখন আঁচনিয়ে চহা খেতিয়কসকলক ঢুকি পাবলৈ সক্ষম নহয়। পথাৰৰ খেতিডৰাৰ মাজেৰে জীৱনৰ সপোন দেখা খেতিয়ক ৰাইজে এতিয়া আশীৰ্বাদ বিছাৰিছে বৰুণ দেৱতাৰ। বৰুণ দেৱতাৰ কৃপাদৃষ্টি নপৰিলে কৃষি আৰু জলসিঞ্চন বিভাগলৈ আশা কৰি থাকিলে খেতিসকলে পেটত গামোচা বান্ধিব লাগিব বুলি ক'লেও বঢ়াই কোৱা নহ'ব। চৰকাৰী হিতাধিকাৰীৰ তালিকাতো নাম নাথাকে এইসকল কৃষকৰ। পানী পাম্প, ছ'লাৰ ছিষ্টেম ইত্যাদিৰ সুবিধাও নাপাই এইসকল চহা কৃষকৰ, প্ৰকৃতিও যেন অন্যায় কৰিছে এইসকল কৃষকক। যাৰ বাবে হাজাৰ হাজাৰ বিঘা মাটি এনেই পৰি ৰৈছে। ডাঙৰ ডাঙৰ হাৰ্ডিঙ বোৰত খৰজ কৰা লক্ষ্য লক্ষ্য টকাবোৰ যদি পথাৰত খৰজ কৰিলে হয় তেতিয়া হয়তো সকলো অন্নদাতা কৃষকসকলেই অসমখন সুন্দৰ হৈ উঠিলে হয়। পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ স্থানীয় বিধায়ক মৃণাল শইকীয়াক আহ্বান স্থানীয় ৰাইজৰ। ভুক্তভোগী কৃষকসকলৰ এই আহ্বানক বিধায়কজনে কিমান গুৰুত্ব আৰোপ কৰিব পৰৱৰ্তী সময়ত সেয়াহে হ'ব লক্ষণীয়।

মানকাচৰ-দঃ শালমাৰা সংহত শিশু উন্নয়ন প্ৰকল্পত ব্যাপক অনিয়ম

# কণ কণ শিশুৰ খাদ্যৰ নামত লুণ্ঠনৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ৩০ জুলাই ঃ** দক্ষিণ শালমাৰা-মানকাচাৰ জিলাৰ সমাজ কল্যাণ বিভাগত শিশুৰ খাদ্যৰ নামত ব্যাপক অনিয়ম আৰু লুণ্ঠনৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে । অভিযোগ মতে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে জিলাখনত থকা সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ৰ অধীনত থকা অংগনৱাড়ী কেন্দ্ৰৰ কণ কণ শিশুসকলৰ নামত বিভাগীয়ভাৱে টেক হোম আঁচনিৰ যোগেদি মটৰমাহ, চাউল আৰু এছএনপি আঁচনিৰ যোগেদি ৰাতিপুৱা কেন্দ্ৰবোৰত গৰম খাদ্যৰ ব্যৱস্থা কৰিছে। কিন্তু বৰ পৰিতাপৰ বিষয় যে আজি ৪ মাহ ধৰি মানকাচৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া প্ৰীতিলতা দাসৰ আশীৰ্বাদত মানকাচৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ এছ এ জনে বিভিন্ন আঁচনিৰ খাদ্যৰ নামত ব্যাপক হাৰত কমিচনৰ বজাৰ খুলি ৰমৰমীয়া ব্যৱসাই চলাই থকাৰ অভিযোগ উত্থাপন হয়। ইয়াৰ উপৰিও চলিত মাহত কেন্দ্ৰবোৰত টেক হোম আঁচনিৰ ৬ মাহৰ পৰা ৩ তিনি বছৰৰ শিশুৰ মটৰমাহ আৰু চাউল আৰু পৰিবহণৰ নামত ধন আবণ্টন দিয়ে বিভাগে। কিন্তু বৰ পৰিতাপৰ বিষয় যে এছ এ জনে কেন্দ্ৰবোৰত কিমান দিনৰ মটৰমাহ আৰু চাউল বিতৰণ কৰিছে কেন্দ্ৰৰ কৰ্মীয়ে নেজানে। ইয়াৰ উপৰিও এছএন পিৰ খাদ্যৰ চাউল চৰকাৰে সমবায় সমিতিৰ জৰিয়তে দিছে যদিও কেন্দ্ৰ বোৰত মাহত মাথোঁ ৭-৮ দিন খাদ্য খুৱাই আবণ্টনৰ সিংহ ভাগ চাউল আৰু খাদ্যৰ নগদ ধন বিষয়া-কৰ্মচাৰীয়ে লুণ্ঠন চলাই আছে। ইপিনে, মানকাচৰৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াজনে দক্ষিণ শালমাৰাৰ প্ৰকল্পৰ দায়িত্বত থকাৰ সুযোগ গ্ৰহণ কৰি দক্ষিণ শালমাৰাত চলাই আছে বিভিন্ন আঁচনিৰ নামত লুণ্ঠন। গতিকে ৰাইজৰ স্বাৰ্থত বিভাগীয় মন্ত্ৰী মহোদয়ে অনতি পলমে দুৰ্নীতিপৰায়ণ চিডিপিঅ'জনৰ বিৰুদ্ধে চৰজমিন তদন্ত কৰি প্ৰশাসনিক ব্যৱস্থা লোৱাৰ বাবে দাবী জনায় স্থানীয় ৰাইজে।

**PREMIER CRYOGENICS LTD.**
Regd. Off: 136, M D Road, Chandmari, Guwahati - 3
Ph.0361-2660192 | E-mail: info@premiercryogenics.com | Fax : 03612661787
Website: www.premiercryogenics.com | CIN:L24111AS1994PLC004051
**NOTICE OF AGM, BOOK CLOSURE, REMOTE E-VOTING, ETC.**
**NOTICE** is hereby given that the **28th Annual General Meeting** (AGM) of the Company will be held on **Monday, the 26th September, 2022 at 3:30 P.M. (IST)** through Video Conferencing (VC)/ Other Audio Visual Means (OAVM) to transact the businesses as per separate notice of the AGM. In accordance with the General Circulars issued by the Ministry of Corporate Affairs (MCA) dated 8/4/2020, 13/4/2020, 5/5/2020, 13/1/2021 and 5/5/2022 and Circulars issued by the Securities and Exchange Board of India (SEBI) dated 12/5/2020, 15/1/2021 and 13/5/2022 (collectively referred to as "the Circulars"), the notice of AGM will be send through electronic mode only to all the Members who have registered their email addresses with the Company or its Registrar & Transfer Agent (RTA) or Depository Participants (DP). Members who have not yet registered or updated their **Email address & Mobile no.** are requested to register/update the same by following the instructions available in the Company's website: **www.premiercryogenics.com** which is also mandatory for e-Voting and joining virtual meeting.
Members may note that the notice of AGM and Annual Report will also be made available on the Company's website: **www.premiercryogenics.com**.
**Book Closure:** Notice is also hereby given that pursuant to Sec 91 of the Companies Act, 2013, the applicable Rules thereunder and Reg. 42 of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015, the Register of Members and Share Transfer Books of the Company shall remain closed from Tuesday the 20th Sept.,2022 to Monday the 26th Sept.,2022 (both days inclusive) and the Record Date has been fixed on Monday, the 19th Sept.,2022 for the purpose of AGM and dividend.
**Dividend:** Dividend, if declared at the AGM will be paid to those Members whose names appear on the Company's Register of Members as on the record date and in respect of shares held in demat form, to the Members whose names are furnished by the depositories (CDSL and NSDL) as beneficial owners as on that date. The dividend will be paid subject to applicable TDS. For Members who have not updated their bank account details, the dividend warrants will be sent to their registered addresses as per prescribed modes. Shareholders are requested to update their **Bank and PAN details** with their DPs, in case the shares are held in demat mode. Shareholders holding securities in physical form should send a request for updating their Bank and PAN details in prescribed **Form ISR-1** available in the Company's website: **www.premiercryogenics.com** to the Company's RTA Niche Technologies Pvt. Ltd. 3A, Auckland Place, 7th Floor, Room No. 7A&7B, Kolkata 700017 email Id: **nichetechpl@nichetechpl.com** Contact no. +91 033 2280 6616/17/18.
**E-Voting:** As per Sec.108 of Companies Act, 2013 read with applicable Rules, Reg.44 of the Listing Regulations and the aforesaid Circulars, the Company is providing facility of remote e-Voting to its Members in respect of the businesses to be transacted at the AGM. For this purpose, the Company has engaged the services of Central Depository Services India Ltd. (CDSL) for facilitating voting through electronic means.
The cut-off date for determining the eligibility to vote by electronic means before or at the AGM is 19th Sept., 2022. The **e-voting period** before the AGM will commence on Friday the 23rd Sept., 2022 at 9:00 AM and ends on Sunday the 25th Sept., 2022 at 5:00 PM.
The detail instructions for remote E-voting are provided in the Notice of AGM which will be sent to the members as per the prescribed mode mentioned above. The same can also be downloaded from the Company's website: **www.premiercryogenics.com**.
In case of any queries or issues regarding attending AGM & e-Voting from the CDSL e-Voting System, you can write an email to **helpdesk.evoting@cdslindia.com** or contact at toll free no.1800225533.
Date : 30/07/2022
Place: Guwahati
**For PREMIER CRYOGENICS LTD.**
A. Talukdar, Company Secretary

ছিপাঝাৰত শাওণৰ শালি খেতি পথাৰত ৰোৱনীৰ ভূঁই ৰোৱাৰ ব্যস্ততা

# মহিলাক প্ৰত্যাহ্বান যুৱকৰ, ন-ভূঁইৰ পৰিৱৰ্তে দিন হাজিৰা

## পথাৰৰ পৰাই মুখ্যমন্ত্ৰীলৈ অৰুণোদয় দিয়াৰ অনুৰোধ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩০ জুলাই ঃ** বানৰ বালিত পোত যোৱা শাওণৰ পথাৰত কষ্ট স্বীকাৰ কৰি হ'লেও খেতিয়কসকলে পৰিয়ালৰ বছৰৰ ভাতমুঠি যোগাৰ কৰি লোৱাৰ লক্ষ্যৰে খেতিপথাৰত ব্যস্ত হৈ পৰিছে। আদ্যৰন্ত খেতিয়কসকলে খেতি পথাৰত ট্ৰেক্টৰেৰে মাটি চহাই কঠীয়া ৰোপণৰ কামত লাগি পৰিছে। সময়ৰ সোঁতত ন-ভূঁই পৰিৱৰ্তে ৰোৱনীসকলে ৩৫০ টকাকৈ দিন হাজিৰাৰে ভূঁই ৰুইছে। কাৰণ এনে বয়বস্তুৰ আকাশলংঘী দামত ন-ভূঁই ৰুলে পৰিয়াল নচলে। যাৰ বাবে অতীতৰ তেনে পৰম্পৰা যেন আজি নষ্টাজিয়া। খেতিপথাৰত মহিলাক প্ৰত্যাহ্বান জনাই যুৱকেও দিন হাজিৰাৰে ভূঁই ৰোৱা কামত জড়িত হৈ পৰিছে। দিন হাজিৰা কৰি পৰিয়ালৰ ভাত মুঠি যোগাৰ কৰা এইসকল ৰোৱনীয়ে পথাৰৰ পৰাই মুখ্যমন্ত্ৰীলৈ অনুৰোধ জনাইছে যেন তেওঁলোকক অৰুণোদয় আঁচনি দিয়াৰ ব্যৱস্থা কৰে।

# উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ভাৰত স্কাউটছ্ এণ্ড গাইড্ছৰ দ্বাৰা ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰৰ সহযোগত আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ৩০ জুলাই ঃ** আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস যাক বিশ্ব বাঘ দিৱস বা গ্ল'বেল টাইগাৰ ডে' বুলিও জনা যায়। বাঘ সংৰক্ষণৰ বাবে সজাগতা বৃদ্ধি কৰাৰ হেতু ই হৈছে বাৰ্ষিক উদ্‌যাপন, যি বছৰি ২৯ জুলাইত পালন কৰা হয়। এই দিনটোৰ উদ্দেশ্য হৈছে এই বন্য মেকুৰীক বিলুপ্তিৰ পৰা ৰক্ষা কৰিবলৈ সকলো পক্ষকে উপযুক্ত পদক্ষেপ ল'বলৈ উৎসাহিত কৰা। এই পদক্ষেপৰ দ্বাৰা বাঘৰ বাসস্থান সুৰক্ষিত আৰু বৃদ্ধি কৰিবলৈ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বহুতো আন্তৰ্জাতিক সংগঠনে এই দিনটো বিশ্বজুৰি পালন কৰি আহিছে। এই বছৰ উত্তৰ পূৰ্বাঞ্চলীয় ভাৰত স্কাউটছ্ এণ্ড গাইড্ছৰ আঞ্চলিক মুখ্য কাৰ্যালয়ে ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ (ডব্লিউডব্লিউএফ), ইণ্ডিয়াৰ সহযোগত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মালিগাঁৱস্থিত ভাৰত স্কাউট্ছ এণ্ড গাইডছ (বিএছজি)ৰ ৰাজ্যিক প্ৰশিক্ষণ কেন্দ্ৰত এই দিৱস পালন কৰে। মুখ্য পৃষ্ঠপোষক, বিএছজিযএনএফআৰ আৰু মহাপ্ৰবন্ধকযউঃ পূঃ সীমান্ত ৰে'লৱে শ্ৰী অংশুল গুপ্তা, ৰাজ্যিক মুখ্য আয়ুক্ত তথা প্ৰীন্সিপাল চীফ পাৰ্চনেল অফিচাৰয উঃ পূঃ সীমান্ত ৰে'লৱে চন্দ্ৰজিৎ শইকীয়াৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ডব্লিউডব্লিউএফ ইণ্ডিয়াৰ, অসম, অৰুণাচল প্ৰদেশ ৰাজ্যিক কাৰ্যালয়ৰ (এএপিএছঅ') ৰাজ্যিক সমন্বয়ক শ্ৰীমতী অৰ্চিতা বৰুৱা ভট্টাচাৰ্যৰ লগতে বিএছজিযএনএফআৰৰ ৰাজ্যিক পৰিষদৰ সদস্যবৰ্গ, ৰাজ্যিক বিষয়াবৰ্গ, বিএছজিৰ উত্তৰ পূৰ্বাঞ্চলৰ সহকাৰী সঞ্চালক, অসম ৰাজ্যিক বিএছজিৰ সম্পাদক আৰু মুখ্য কাৰ্যালয় জিলা সন্থাৰ সদস্যসকলো উক্ত অনুষ্ঠানত উপস্থিত আছিল। নিজৰ ভাষণ প্ৰসংগত মহাপ্ৰবন্ধক, এনএফআৰ অংশুল গুপ্তাদেৱে আমাৰ বাসস্থানৰ সঠিক ভাৰসাম্য বজাই ৰখাৰ বাবে বিভিন্ন প্ৰজাতিৰ বন্য জীৱন সুৰক্ষিত কৰি ৰখাৰ গুৰুত্ব আৰু এই ক্ষেত্ৰত ৰে'লৱেই গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। উল্লেখ্য যে যোৱা ২৮ জুলাইত আন্তৰ্জাতিক বাঘ যুৱ সন্মিলনত প্ৰথমবাৰৰ বাবে অনলাইনযোগে বাঘৰ ওপৰত প্ৰদৰ্শন কৰা আন্তৰ্জাতিক এছঅ'এছৰ ভিডিঅ'টোও ২৯ জুলাইত উদ্‌যাপনৰ এক অংশস্বৰূপে অফলাইনত দেখুওৱা হয়। আনহাতে, মালিগাঁৱৰ বিএছজি প্ৰশিক্ষণ কেন্দ্ৰত বাঘৰ গুৰুত্বৰ ওপৰত সজাগতা প্ৰচাৰ কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰতিযোগিতা যেনে পোষ্ট কাৰ্ডৰ প্ৰস্তুতকৰণ, কুইজ প্ৰতিযোগিতা, বাঘ সংৰক্ষণৰ বাৰ্তাৰ সৈতে ডুডল কলা প্ৰদৰ্শনীৰো আয়োজন কৰা হয়।

আত্মনিৰ্ভৰ ভাৰতৰ এগৰাকী আদিবাসী যুৱক

# নেমু টেঙাৰ খেতিৰে স্বাৱলম্বী চঞ্জুক চবৰে দেখুৱাইছে সুন্দৰ নিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩০ জুলাই ঃ** কাগজেৰে কলমেৰে নহয় হাতে কামে আত্মনিৰ্ভৰ ভাৰতৰ এগৰাকী স্বপ্নাতুৰ যুৱকে কৰি দেখুৱাইছে ।ঘৰ্মাক্ত পৰিশ্ৰমেৰে চঞ্জুক চবৰ নামৰ এগৰাকী তেজাল অসমীয়া আদিবাসী যুৱকে ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতৰ সপোনক বাস্তৱ জীৱনত সফল ৰূপায়ণ কৰিছে। এয়া এক ক্ষুদ্ৰ প্ৰতিবেদন ।চৰকাৰী চাকৰিৰ পিছত নদৌৰি কৃষি কৰ্ম নতুবা অন্যান্য কৰ্ম সংস্থাপনৰে আত্মনিৰ্ভৰশীল হোৱা সমাজত বহু উদাহৰণ আছে ।কিন্তু ইয়াৰ বিপৰীতে হাতী- মানুহৰ সংঘাতেৰে জৰ্জৰিত ভাৰত -ভূটান সীমান্তৱৰ্তী ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৰে অতি দুৰ্গম অঞ্চলত নেমু টেঙাৰ খেতিৰে আত্মসংস্থাপনৰ জীৱিকা বাছি লোৱা আদিবাসী যুৱক বহুজনৰ ব্যতিক্ৰম ।জিলাখনৰ হৰিশিঙা ৰাজহ চক্ৰৰ তিনি নম্বৰ উত্তৰ ডিমাকুছিৰ কালা নদীৰ পাৰত চঞ্জুক চবৰে নিজৰ ঘৰৰ ছয় বিঘা ম্যাদী মাটিত আকৰ্ষণীয় ৰূপত গঢ়ি তুলিছে নেমু বাগিচা ।এটকাও চৰকাৰী ৰাজ সাহায্য লাভ নকৰা চঞ্জুক চৱৰে নিজৰ গাঁঠিৰ ধন ভাঙি গঢ়া নেমু বাগিচাখনত কেবাটাও প্ৰজাতিৰ প্ৰায় তিনিশ জোপা কাজি নেমুৰ লগতে প্ৰায় দুশ জোপা গোল নেমু (তুলা টেঙা)ৰোপণ কৰিছে ।ইয়াৰ উপৰিও নেমু বাগিচাখনৰ চৌপাশে ৰোপণ কৰা চেগুন ,তিতা চাপ আৰু মেঘগণি গছৰ সৌন্দৰ্যই অধিক আকৰ্ষণীয় কৰি তুলিছে নেমু বাগিচাখন ।আজিৰ পৰা প্ৰায় চাৰি বছৰ পূৰ্বে ৰোপণ কৰা কাজি নেমুৰ গছমূহত এতিয়া লপালপে ফল ধৰিছে বিভিন্ন প্ৰজাতিৰ কাজি নেমু ।বিগত বছৰৰ লগতে এই বেলিও চঞ্জুক চবৰৰ নেমু বাগানৰ কাজি নেমু স্থানীয় ডিমাকুছি আৰু টংলাৰ বজাৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে ।কাজি নেমু আৰু গোল নেমু উৎপাদনৰ লগতে নেমু বাগিচাৰে এটা অংশ ক্ষুদ্ৰকৈ হ'লেও নেমুৰ নাৰ্চাৰী গঢ়ি তোলাৰ প্ৰস্তুতি চলাইছে উদ্যমী যুৱ কৃষক চঞ্জুক চৱৰে ।যুৱ খেতিয়ক চঞ্জুক চৱৰে ডিমাকুছিৰ লগতে টংলাত ধান খেতিৰেও স্বাবলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে ।ওদালগুৰি জিলা কৃষি বিভাগৰ ডিমাকুছিস্থিত মহকুমা কৃষি বিষয়া কাৰ্যালয়ৰ নিকটৱৰ্তী হোৱা সত্বেও বিভাগীয়ভাৱে লাভ কৰা নাই কোনো ৰাজ সাহাৰ্য আৰু সুবিধা ।কাজি নেমুৰ যথেষ্ট চাহিদা থকাৰ পিছতো যোগাযোগৰ সু ব্যৱস্থা নথকাত আৰু জিলা কৃষি বিভাগৰ অমনোযোগিতাৰ ফলত উপযুক্ত মূল্য লাভৰ পৰা বঞ্চিত হৈছে যুৱ কৃষক ছবৰ ।যিটো সময়ত অসমৰ নেমু টেঙাই বিদেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে তেনে সময়ত চঞ্জুক চৱৰৰ দৰে নেমু খেতিয়ক বঞ্চিত হোৱাটো পৰিতাপৰ বিষয়। চঞ্জুক চবৰৰ দৰে যুৱ আদৰ্শ খেতিয়কক ওদালগুৰি জিলা কৃষি বিভাগৰ লগতে কৃষি গৱেষণা কেন্দ্ৰই গুৰুত্ব সহকাৰে উৎসাহিত আৰু অনুপ্ৰেৰণা দিয়াটো নিতান্তই প্ৰয়োজনীয়, তেতিয়াহে জিলাখনত চঞ্জুক চবৰৰ দৰে আৰু ন ন যুৱ খেতিয়কৰ সৃষ্টি হ'ব।

NEMCARE Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# খাৰুপেটীয়াত দলগাঁও ২১০ কোব্ৰা কেম্পৰ গছপুলি ৰোপণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া ৩০ জুলাই ঃ** দৰঙৰ খাৰুপেটীয়া মহাবিদ্যালয়ত দলগাঁওস্থিত ২১০ কোব্ৰা কেম্পৰ উদ্যোগত MEGHA PLANTATIONৰ কাৰ্যসূচী। প্ৰায় ৫০০ গছপুলি ৰোপণৰ কাৰ্যসূচী হাতত লৈছে দলগাঁওস্থিত ২১০ কোব্ৰা কেম্পৰ চিআৰপিএফ বাহিনীয়ে। আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি খাৰুপেটীয়া মহাবিদ্যালয়ত বৃক্ষৰোপণ কৰে । বৃক্ষ ৰোপণ কাৰ্যসূচীৰ অন্তত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীৰ উপস্থিতিত অতিথিসকলে বৃক্ষ ৰোপণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাত উপস্থিত থাকে দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান ২১০ কোব্ৰা কেম্পৰ অধিনায়ক অশোক কুমাৰ আৰু উপ-অধিনায়ক শিৱ কুমাৰ ৰাও ।খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মৌচুমী সাহা কলিতা , অধ্যাপক আছমানাৰা বেগম , বুৰঞ্জী বিভাগৰ অধ্যাপক আব্দুল কৰিম, জ্যেষ্ঠ চিকিৎসক শ্ৰোট গুপ্তা । একাংশ লোকে গছ গছনি কাটি তহিলং কৰাত পৃথিৱীৰ জলবায়ু তথা উত্তাপ বৃদ্ধি পাইছে বুলি ভাষণত ক্ষোভ প্ৰকাশ কৰে বিধায়ক মজিবুৰ ৰহমানে । আনহাতে, উপস্থিত সকলোকে বৃক্ষ ৰোপণত গুৰুত্ব প্ৰদান কৰাৰ আহ্বান জনায় বিধায়ক মজিবুৰ ৰহমানে ।

# চিপিআইএম, হাজো-দমদমা আঞ্চলিক কমিটীৰ উদ্যোগত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩০ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চৌহদত চিপিআইএম হাজো-দমদমা আঞ্চলিক কমিটীৰ উদ্যোগত আজি এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বান গৰাখহনীয়াত ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণ দিয়া,মূল্যবৃদ্ধি ৰোধ কৰা,বানপানীৰ সময়ত গৃহ ত্যাগ কৰা পৰিয়ালক অতি শীঘ্ৰেই ৩,৮০০ টকাকৈ প্ৰদান কৰা, একাদি কোঁৰৰপুৰ সংযোগী দলং নিৰ্মাণৰ ব্যৱস্থা কৰা আদি কেইবাটাওঁ দাবীৰে ৰূপায়ন কৰে এই বিক্ষোভ কাৰ্যসূচী। শীৰ্ষক কাৰ্যসূচীত শতাধিক লোকে অংশগ্ৰহণ কৰি ৰাজহ চক্ৰ কাৰ্যলয়ৰ সমুখত হাতে হাতে প্লেকাৰ্ড লৈ কেইবাটাওঁ দাবী সম্বলিত শ্ল'গানৰে আকাশ-বতাহ কপাই তোলে। ইয়াৰ লগতে বান খহনীয়াত ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণৰ দাবীত হাজো চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে চিপিআইএম হাজো-দমদমা আঞ্চলিক কমিটয়ে।




কেনৰা বেংক Canara Bank
সিণ্ডিকেট Syndicate
**বিক্ৰী জাননী**
**মৰাণ টাউন শাখা**
এ. টি. ৰোড, ডাকঘৰ ঃ মৰাণ
জিলা- ডিব্ৰুগড়, অসম-৭৮৫৬৭০

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ্ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **১২.০৯.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব ০৯.০৯.২০২২ তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ১২.০৯.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, মৰাণ টাউন শাখা এ. টি. ৰোড, ডাকঘৰ ঃ মৰাণ জিলা- ডিব্ৰুগড়, অসম-৭৮৫৬৭০ (খ) ঋণ লওঁতা ঃ শ্ৰীমতী তৃপ্তি লাহন চাংমাই | ভূমি আৰু বিল্ডিংসহ পৰিমাপ হ'ল- ০বি-১কে-১০এল, আৰৰি আছে দাগ নং-১০৪(নতুন), পি পি নং-৫০ (নতুন), অৱস্থিত আছে- হাটখোলা গাঁও, মৰাণ মৌজা, জিলা- ডিব্ৰুগড়, অসম। নামত আছে শ্ৰীমতী তৃপ্তি লাহন চাংমাইৰ। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- শ্ৰী অতুল গগৈ, দক্ষিণে- ডাঃ পবিত্ৰ বৰগোহাঞি, পূবে- পথ, পশ্চিমে- ভেণ্ডৰৰ ভূমি। | (ক) মুঠ অনাদায় ঃ ৭,৯৬,৯৩৫.৯৭ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৩৫.০০ লাখ টকা (গ) ইএমডি ঃ ৩.৫০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ৫০,০০০/- টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব মেনেজাৰ, মৰাণ টাউন শাখা, যোগাযোগ নং ঃ ৯৬৭৮৬৯৬৪৪৬ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।
**তাৰিখ ঃ ২৯.০৭.২০২২, স্থান ঃ মৰাণ টাউন**
**কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

ইণ্ডিয়ান বেংক Indian Bank
ইলাহাবাদ ALLAHABAD
**মাণ্ডলিক কাৰ্যালয়**
শৰ্মা এণ্ড শৰ্মা মাৰ্কেট, দ্বিতীয় মহলা, আৰ জি বৰুৱা ৰোড, চান্দমাৰী, গুৱাহাটী, অসম-৭৮১০০৩
ই-মেইল ঃ zoguwahati@indianbank.co.in
অনুবন্ধ-A
পৰিশিষ্ট-IV-A [বিধি ৮ (৬) অনুবিধি চাওঁক]
স্থাৱৰ সম্পত্তি বিক্ৰীৰ বৰে বিক্ৰী জাননী

**বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু আমানত সুদৰ কাৰ্যকৰীকৰণ আইন, ২০০২ ৰ সৈতে আমানত সুদ (কাৰ্যকৰীকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬) অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু ঋণী(সকলক) আৰু জামিনদাৰ (সকলক) বিশেষকৈ জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লেখিত স্থাৱৰ সম্পত্তি, ইণ্ডিয়ান বেংক, মাণ্ডলিক কাৰ্যালয় গুৱাহাটী, চিকিউৰ্ড ক্ৰেডিটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা **শাৰীৰিক/নিৰ্মাণমূলক/প্ৰতীকি** (যিটো প্ৰযোজ্য) অধিগ্ৰহণ কৰা হৈছে আৰু ৩০.০৮.২০২২ তাৰিখে "য'ত আছে", "যি আছে" আৰু "যেনে আছে তেনেই ভিতিতত" বিক্ৰী কৰা হ'ব। ই-নিলামৰ জৰিয়তে বিক্ৰী কৰিবলৈ আগ্ৰহ কৰা সম্পত্তিৰ বিশদ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ

| ক্ৰ/নং | শাখাৰ নাম | (ক) ঋণ লওতা/গেৰাণ্টাৰৰ নাম আৰু ঠিকনা (খ) অনাদায় টকাৰ পৰিমাণ | স্থাৱৰ সম্পত্তিৰ বিৱৰণ | সম্পদৰ দায়বদ্ধতা | (ক) সংৰক্ষিত মূল্য ঃ (খ) ইএমডি এমাউণ্ট ঃ (গ) বিড ইনক্ৰিমেণ্ট এমাউণ্ট ঃ | ই-নিলামৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|
| ০১ | নগাঁও শাখা | (ক) শ্ৰী মঃ ইছলামুদ্দিন (স্বত্তাধিকাৰী), মেচাৰ্ছ নৰ্থ ইষ্ট ইণ্টাৰপ্ৰাইজ, শ্ৰী মঃ ইছলামুদ্দিন (ঋণ লওঁতা) আৰু শ্ৰী ৰফিকুল হক (গেৰাণ্টৰ আৰু মৰ্টগেজৰ। (খ) ৭৪,৪৪,০৪৯.২৫ (চৌসত্তৰ লাখ চৌৱাল্লিশ হাজাৰ উনপঞ্চাশ টকা পচিশ পইচা কেৱল) তাৰিখ ১০.০৮.২০২১ৰ ভিত্তিত। | (ক) ভূমিৰ সকলো সম্পদ আৰু অংশসহ ভূমি সম্পদ নামত আছে শ্ৰী ৰফিকুল হক, পিতা- স্বৰ্গীয় আব্দুল ৰহমান, পঞ্জীয়ন বিক্ৰী নামা নং-৯২২, তাৰিখ-০২.০৮.১৯৯১। পৰিমাপ হ'ল- ০১ বিঘা ০২ কঠা ১০লেচা। আৱৰি আছে- দাগ নং-৫১৪, পট্টা নং-পি পি ২৩১। অৱস্থিত আছে কিষাম মণিপুৰ টুপ, মৌজা- বাৰপূজীয়া, থানা- ৰহা, জিলা-নগাঁও, অসম। চাৰিসীমা ঃ উত্তৰে- পুখুৰী/বিল, দক্ষিণে- পথ, পূবে- শ্ৰী আব্দুল ছালেম আৰু অন্যান্য, পশ্চিমে- আলাহ উদ্দিন। (খ) IDIB30242189509 | অৱগত নহয় | (ক) ২০,২৫,০০০.০০ টকা (খ) ২,০২,৫০০.০০ টকা (গ) ১০,০০০.০০ টকা | ৩০-০৮-২০২২ দিনৰ ১.০০ বজাৰ পৰা বিয়লি ৫.০০ বজালৈ |
| ০২ | নগাঁও শাখা | (ক) শ্ৰী পৰাগ কুমাৰ দাস (স্বত্তাধিকাৰী), মেচাৰ্ছ গৌৰী ইলেক্ট্ৰনিকচ, শ্ৰী পৰাগ কুমাৰ দাস (ঋণ লওঁতা আৰু মৰ্টগেজৰ) আৰু শ্ৰীমতী ৰীণা দাস (গেৰাণ্টৰ)। (খ) ২৯,২১,৯১৫.৩৫ (উনত্ৰিশ লাখ একৈশ হাজাৰ নশ পোন্ধৰ টকা পয়ত্ৰিশ পইচা কেৱল) তাৰিখ ১০.০৮.২০২১ৰ ভিত্তিত। | (ক) ভূমিৰ সকলো সম্পদ আৰু অংশসহ ভূমি সম্পদ নামত আছে শ্ৰী পৰাগ কুমাৰ দাস, পিতা- শ্ৰী প্ৰতাপ চন্দ্ৰ দাস, পঞ্জীয়ন বিক্ৰী নামা নং-২১৮১/২০১৬, তাৰিখ-১৮.০৯.২০১৪। পৰিমাপ হ'ল- ১৩ লেচা। আৱৰি আছে- দাগ নং-৪৮৯, পট্টা নং-পি পি ২৬৮। অৱস্থিত আছে ৰঙাগড়া হুজ, কিষাম/ মৌজা- কাচমাৰী, জিলা-নগাঁও, অসম। চাৰিসীমা ঃ উত্তৰে- বাইলেন (উপ পথ), দক্ষিণে- শ্ৰী স্বপ্না শইকীয়া, পূবে- শ্ৰী বিৰেণ বৰা, পশ্চিমে- শ্ৰী মুকুট বেজবৰুৱা। (খ) IDIB30103336442 | অৱগত নহয় | (ক) ১৪,৬২,০০০.০০ টকা (খ) ১,৪৬,২০০.০০ টকা (গ) ১০,০০০.০০ টকা | ৩০-০৮-২০২২ দিনৰ ১.০০ বজাৰ পৰা বিয়লি ৫.০০ বজালৈ |
| ০৩ | নগাঁও শাখা | (ক) শ্ৰী ফকৰুল ইছলাম (ঋণ লওঁতা আৰু মৰ্টগেজৰ) আৰু শ্ৰীমতী চাজিদা খাতুন (গেৰাণ্টৰ আৰু মৰ্টগেজৰ)। (খ) ৯,৮৬,৪১৪.৫৭ (ন লাখ ছিয়াশী হাজাৰ চাৰিশ চৈধ্য টকা সাতৱন্ন পইচা কেৱল) তাৰিখ ১০.০৮.২০২১ৰ ভিত্তিত। | (ক) ভূমিৰ সকলো সম্পদ আৰু অংশসহ ভূমি সম্পদ নামত আছে শ্ৰী মঃ ফকৰুল ইছলাম, পিতা- মঃ নুৰুল ইছলাম আৰু শ্ৰীমতী ছাজিদা খাতুন, স্বামী-মঃ ফকৰুল ইছলাম, পঞ্জীয়ন বিক্ৰী নামা নং-৩৯২২, তাৰিখ-০৪.১০.২০০৫। পৰিমাপ হ'ল- ০২ কঠা, য'ত ০১ কঠা আৱৰি আছে- দাগ নং-১১, পট্টা নং-পি পি ১৩৭ আৰু ভূ খণ্ডৰ অন্য প্লটৰ পৰিমাপ-০১কঠা। আৱৰি আছে দাগ নং-০৬, পট্টা নং-পি পি ১৭৩। দুয়োটা সম্পদ অৱস্থিত আছে কিষাম ধিং, বড়িচাপৰি, মৌজা আৰু থানা- জুৰিয়া, জিলা-নগাঁও, অসম-৭৮২১২৪ চাৰিসীমা ঃ উত্তৰে- শ্ৰী নুৰুল ইছলাম, দক্ষিণে- শ্ৰী আকবৰ আলী, পূবে- শ্ৰী হৰমুজ আলী, পশ্চিমে- শ্ৰী ফকৰুল ইছলাম। (খ) IDIB30166445585 | অৱগত নহয় | (ক) ১৯,৯১,০০০.০০ টকা (খ) ১,৯৯,১০০.০০ টকা (গ) ১০,০০০.০০ টকা | ৩০-০৮-২০২২ দিনৰ ১.০০ বজাৰ পৰা বিয়লি ৫.০০ বজালৈ |

অনলাইন নিবিদাত অংশগ্ৰহণৰ বাবে নিবিদাকাৰীসকলক আমাৰ ই-নিলাম সেৱা প্ৰদানকাৰী এম এছ টি চি লিমিটেডৰ ৱেবছাইট (www.mstcecommerce.com) চাবলৈ উপদেশ দিয়া হ'ল। কাৰিকৰী সহায়ৰ বাবে অনুগ্ৰহ কৰি এম.এছ.টি.চি. হেল্পডেস্ক নং-০৩৩-২২৯০১০০৪ত আৰু সেৱা প্ৰদানকাৰীৰ হেল্প ডেস্কত উপলব্ধ অন্য হেল্প লাইন নম্বৰ সমূহত যোগাযোগ কৰক। এম.এছ.টি.চি. লিমিটেডৰ সৈতে পঞ্জীয়ন স্থিতিৰ বাবে, অনুগ্ৰহ কৰি যোগাযোগ কৰক ibapiop@mstcecommerce.com আৰু ই.এম.ডি. স্থিতিৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰক ibapifin@mstcecommerce.com. সম্পত্তিৰ বিশদ তথ্য আৰু সম্পত্তিৰ ছবি আৰু নিলামৰ নিয়ম আৰু চৰ্তাৱলীৰ বাবে চাওঁক https://ibapi.in আৰু এই পৰ্টেলৰ সম্পৰ্কীয় স্পষ্টীকৰণৰ বাবে, অনুগ্ৰহ কৰি যোগাযোগ কৰক হেল্প লাইন নম্বৰ '১৮০০১০২৫০২৬' আৰু '০১১-৪১১০৬১৩১'। নিবিদাকাৰীসকলক ৱেবছাইট https://ibapi.in আৰু www.mstcecommerce.com.ত সম্পত্তিৰ অনুসন্ধান কৰাৰ সময়ত ওপৰত উল্লেখ কৰা সম্পত্তিৰ আই.ডি. নম্বৰ ব্যৱহাৰ কৰিবলৈ উপদেশ দিয়া হ'ল।

**তাৰিখ ঃ ২৮-০৭-২০২২**
**স্থান ঃ নগাঁও**
**কৰ্তৃত্বশীল বিষয়া (ইণ্ডিয়ান বেংক)**

■ গ্ৰন্থ পৰ্যালোচনা ■

# এই বাটেদি এদিন শৰৎ আহিব




■ নৱ ডেকা

এইটো সূৰুযৰ পোহৰৰ দৰে সত্য যে সাহিত্যৰ অতি স্পৰ্শকাতৰ আৰু জনপ্ৰিয় বিষয়টো- কবিতা। কবিতা সৃষ্টিত তন-মন সঁপি দিয়া প্ৰত্যেক কবিয়ে নিজস্ব ভাব-বল্লৰীৰে মনৰ কেনভাছত শব্দৰ যাদুকৰী শক্তিৰ প্ৰদৰ্শনাত্মক দৃষ্টিভংগীৰে সময়ৰ বুকুত নানান ব্যঞ্জনাময় ছবি আঁকে। আলোকপাতৰ প্ৰসংগ হিচাপে সমকালীন সমাজ, ৰুক্ষ বাস্তৱ, চৌপাশৰ পৰিৱেশ-পাৰিপাৰ্শ্বিকতাক, বিনন্দীয়া প্ৰকৃতি, প্ৰেম-প্ৰীতি, মানৱতাবোধ, ভাতৃত্ববোধ, জীৱনবোধ ইত্যাদি বিভিন্ন দৃষ্টিকোণে কৰ্ষণ কৰে হৃদয় আৰু মগজুত। দেশপ্ৰেম, জাতিপ্ৰেম, ভাষাপ্ৰেম আৰু মানৱপ্ৰেমক প্ৰধান উপজীৱ্য হিচাপে সুস্থ সমাজ, নিভাঁজ ভাষা আৰু নিপোটল জাতি গঢ়াৰ বাবে কবিতাৰ পংক্তিৰে মানৱ সমাজৰ হৃদয়ত জীৱন বীক্ষাৰ অংকন কৰিব অহোপুৰুষাৰ্থ কৰি অহা কবিকুলৰ ভিতৰত এজন অত্যুগ্ৰ সংবেদনশীল কবি হ'ল- 'জ্যোতি মাধৱ'। কবিৰ মানস কন্যাসদৃশ প্ৰথমখন কবিতা সংকলন 'মনৰ সুৰভি' অভূতপূৰ্ব জনপ্ৰিয়তাৰ পিছত সুকুমাৰ অনুভৱ আৰু বাস্তৱিক চিন্তা-চেতনাৰ ৰহণত পুনৰ লালিত-পালিত হৈ প্ৰায় পাঁচ কুৰিৰ অধিক প্ৰাণসঞ্চাৰী কবিতাৰে শুৱনি কৰিছে দ্বিতীয়খন কাব্য সংকলন- 'এই বাটেদি এদিন শৰৎ আহিব'। প্ৰণিধানযোগ্য যে সমাজৰ জীয়া বাস্তৱৰ বয়নত নিখচি গঢ়া কাব্য চেলেঙখনি- 'এই বাটেদি এদিন শৰৎ আহিব'ত কবিয়ে নিজা স্বকীয় চানেকিৰে সদ্‌ভাব, সম্প্ৰীতি, বিশ্বাস আৰু সমন্বয়ৰ যিবোৰ গুটিফুল গুঁঠিছে তাত প্ৰস্ফুটিত হৈছে জীৱনবোধৰ বহুকেইটা ৰসগ্ৰাহী সাৰ্থক কবিতা। সৰ্বমুঠ ২৩০ পৃষ্ঠাৰ কাব্য সংকলনখনত ভুমুকি মাৰিলে বাটচ'ৰাত উপলব্ধ হৈছে 'এই বাটেদি এদিন শৰৎ আহিব' নামৰ মননশীল কবিতাটো আৰু পৰিসমাপ্তিত অন্তৰ্ভুক্ত হৈছে 'তুমি শব্দৰ প্ৰেমিক হোৱা' নামৰ প্ৰতীকধৰ্মী কবিতাটো। 'এই বাটেদি এদিন শৰৎ আহিব' নামৰ আৰম্ভণি কবিতাটোতে কবি যে নিষ্ঠাৱান সমাজ সংগঠক, সমাজ সচেতক আৰু মূল্যবোধৰ অন্বেষক তাৰ পৰিচয় বহন কৰিছে এইদৰে-অন্যায়, দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিপৰীতে মানৱতা, সমন্বয়, স্বচ্ছতা আৰু ত্যাগৰ মনোভাবেৰে কৰ্ম-সংস্কৃতি গঢ়ি তুলিব পাৰিলে জাতি, বৰ্ণ, ধৰ্ম সকলোৱে মিলি শান্তি-সম্প্ৰীতিৰে অগ্ৰসৰ হ'লে আকাংক্ষিত প্ৰগতি সম্ভৱ হৈ উঠিব। একেদৰে সামূহিক উন্নয়নৰ স্বাৰ্থত ঐক্যবদ্ধ প্ৰচেষ্টাৰে অগ্ৰসৰ হ'লেও নিশ্চয় সেই পথেদি এদিন শৰৎ আহিব। আকৌ সামৰণি পৃষ্ঠাৰ অন্তিমটো কবিতা-'তুমি শব্দৰ প্ৰেমিক হোৱা'ত কবিয়ে শব্দৰ মোহনাত অনুপম অনুভৱেৰে সাঁতুৰি-নাদুৰি প্ৰশান্তিৰ মন্দাকিনী ধাৰা বৈ নিয়া শব্দৰ প্ৰেমিক মই বুলি অভিহিত কৰিছে। শব্দৰ নিবিড় আলিংগনৰ আঁহে আঁহে নিতৌ উদ্‌যাপিত হোৱা মায়া সনা অমৃত মাধুৰীৰ মাজতেই প্ৰেমৰ ৰাগ ভৈৰৱীৰ আত্মনুন্ধান কৰিছে এনেদৰে-অনুপম অনুভৱত সাঁতুৰি /প্ৰশান্তি বিলাই দিয়া/শব্দৰ খনিকৰ তুমি / মোৰ মনৰ সুৰভি/ প্ৰতিক্ষণে উদ্‌যাপিত/ নিৰিড় আলিংগন/ মায়াসনা অমৃত মাঘুৰী/ স্বপ্নীল মনত সানি দিয়া/ প্ৰেমৰ ৰাগ ভৈৰৱী। প্ৰণিধানযোগ্য যে দেশপ্ৰেমৰ অগ্নিশিখাত দপ্‌দপকৈ জ্বলি পাঠকৰ হৃদয়তন্ত্ৰীত মুক্তিৰ বহ্নিশিখাৰে সেক দিবলৈ উদ্বুদ্ধ কৰা 'এই দেশ মোৰ চেনেহৰ স্বদেশ'ত কবিয়ে কবিতাক শত-সহস্ৰ নিৰ্যাতিত, নিপীড়িত আৰু মেহনতী জনতাৰ মুখেৰে ওলাই অহা সংগ্ৰামী সত্তালৈ পৰ্যৱসিত হ'বলৈ আহ্বান জনাইছে। আৰু আহ্বান জনাইছে কবিতা হৈ উঠক হৃদয়ৰ পৰা উদ্‌গিৰণ হোৱা লাভাসদৃশ তেজাল শব্দ আৰু প্ৰতিবাদৰ অগ্নি স্ফুলিংগ। কবিতাটোৰ শেষৰ পংক্তিটোত

অতিন্দ্ৰিয়বাদী কবি হিচাপে খ্যাত নলিনীবালা দেৱীৰ 'জনমভূমি' কবিতাৰে শেষৰ পংক্তিটো-

দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
একেখনি পুণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।

লেখীয়া সুৰৰ অমিয়া ঝংকাৰ নিনাদিত হৈছে এনেদৰে-জন্মভূমি মোৰ সহস্ৰ প্ৰণাম/মৰিলেও পুনৰ আহি এই দেশৰ ন কোলাতে লওঁ যেন পুনৰ জনম। মুঠ-মাঠকৈ ক'বলৈ গ'লে বিন্দুতে সিন্ধু সৃষ্টি কৰিবলৈ সক্ষম হৈছে কাব্য সংকলনৰ গোটাদিয়েক চিত্ৰকল্প, উপমা, প্ৰতীকী ব্যঞ্জনা ইমানেই ইন্দ্ৰিয়গ্ৰাহ্য যে পাঠকে কোনো কাৰণতে উজুটি খাবলগীয়া প্ৰশ্ন উত্থাপন হোৱা দেখা নাযায়। উদাহৰণস্বৰূপে-

-মাটিৰ মানুহ আমিবোৰ/মাটিতে শ্ৰম, জীৱন জীৱিকা (নতুন সূৰুযৰ সন্ধানত)

-নানা ৰং সানি, সময়ৰ বুকুত / বিয়পাব বিচাৰে এচামে/দেশত অশান্তিৰ প্লাৱন (অশান্তিৰ প্লাৱন)

-শংকৰ মাধৱৰ সত্ৰসমূহ/বৰ অসমৰ ঐক্যৰ ভেটি/ভাওনা সবাহ কীৰ্তনৰ ধ্বনি /দেশৰ যশ, গুণ, জাতিৰ খ্যাতি (জনমভূমি)

-সভ্যতাৰ শ্যামলী কোলাত / গোপনে ধৰ্ষিতা হয় মানৱতা (স্তৱক)

-ৰণুৱা ঘোঁৰাৰ উন্মাদনাই /দুৰ্বিসহ কৰি ৰাখিছে /নিৰীহৰ বিবৰ্ণ সময় (জনতাৰ আৰ্তনাদ)

-চৰকাৰী পাখি লগা শুকুলা ঘোঁৰাসদৃশ সুন্দৰ আঁচনিবোৰ নিঃকিনৰ / চুবুৰিবোৰক গা চেলেকি গুচি যায়/ কণা হাঁহক পতান ছটিওৱাৰ দৰে (মানৱতাক উপহাস )

-জীৱন যুঁজৰ পূৰ্বাভাস/সময়ৰ বুকুত লিখা/ তেজে ধোৱা ইতিহাস (ক্ষুধাৰ আৰ্তনাদ )

-ফেৰেংগাদাওৰ চিফুং বাঁহী / কল্যাণ ষড়তাল আৰু মাদলৰ প্ৰতিধ্বনি /কমৰেড ৰাভাৰ বৈপ্লৱিক / চিন্তা চেতনা আৰু বলিষ্ঠ সংগ্ৰামৰ কৰুণ ইতিহাস (ফেৰেংগাদাও )

— উপলব্ধিৰ কমাৰশালত/গঢ়া সঁজুলিবোৰ কাৰোবাৰ /অৱহেলাত অনাদৃত হৈ / চকুলো বোৱাই উচুপি ৰয় (জীৱনটো ত্যাগ আৰু নিৰন্তৰ সাধনাৰ প্ৰতিমূৰ্তি)

—সনাতনী শব্দবোৰ শুনিবলৈ/কাৰো যে আহৰি নাই/প্ৰতাৰণাৰ দৌৰত দৌৰোঁতে / আৱাহনী সময়বোৰ /চকুলো মচি গুচি যায় (দেশৰ বুকুত শীত নামিছে)

—ধৃতৰাষ্ট্ৰ সদৃশ অন্ধ শাসকৰ/নীতিহীন প্ৰশাসন/মেৰুদণ্ডহীন নকল বাঘ (কুঁৱলীৰ আচ্ছাদন)

এইটো স্পষ্ট যে কবিতা পুথিখনত সন্নিৱিষ্ট হোৱা এশ পাঁচটা কবিতাৰ মাজেৰে কবিয়ে ব্যক্তিগত স্বাৰ্থৰ উৰ্ধ্বত অৱৰোহণ কৰি সমাজৰ জীৱন্ত বাস্তৱক দাঙি ধৰিবলৈ প্ৰয়াস কৰাটো সুস্পষ্ট ।শব্দ, ভাব, ভাষাৰ কোনো কোষ্ঠকাঠিন্য নোহোৱাকৈ স্বতঃস্ফুৰ্তভাৱে নিগৰিত হোৱা প্ৰতিটো কবিতাৰ অন্তৰ্নিহিত চিন্তা-স্ৰোতবোৰ যদিওবা পৰ্যালোচনাৰ আওতাত উল্লেখ কৰা সম্ভৱ হৈ নুঠিল তথাপিও গোটাচেৰেক কবিতাৰ ৰসত নিমজ্জিত হোৱাৰ প্ৰয়াসকণ কৰা হ'ল ।সাধাৰণ দৃষ্টিভংগীত প্ৰায়বোৰ কবিতাতে কবিয়ে সঠিক ঘনত্বত সামাজিক সমস্যাবোৰ যেনে -লুণ্ঠন, হত্যা, অপৰাধ, ষড়যন্ত্ৰ, অনাহাৰ, অত্যাচাৰ, অপৰাধ, নিৰ্যাতন, শ্বাসৰুদ্ধ পৰিৱেশ আদি হুবহু প্ৰতিফলন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। গাঁঠনি কোনো মেৰপেঁচ নথকাকৈ, যথাৰ্থ চিত্ৰকল্প নিৰ্মাণ কৰি, উন্নতমানৰ শব্দশৈলীৰ প্ৰয়োগেৰে, উপস্থাপনৰ অভিনৱত্বৰে, প্ৰকাশভংগী সাৱলীলতাৰে নিপোটলভাৱে উপহাৰ দিয়া সিংহভাগ কবিতাই একাংশ পাঠকৰ হৃদয়ত এদনীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। বৰ্ণাশুদ্ধিৰ দিশত দুই-এঠাইত ৰসগ্ৰাহী পাঠকে পাক্‌ ঘূৰণি খোৱা দেখা গ'লেও সাধাৰণ পঢ়ুৱৈৰ বাবেও পঠনযোগ্য শব্দৰ দুৰ্বোধ্যতাবিহীন স্বকীয় শৈলীৰ প্ৰতিটো কবিতাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে মানৱতাৰ অন্তৰ্লীন সুৰ হৈ নিগৰি থকা সততে বিদ্যমান। মুঠৰ ওপৰত প্ৰতিটো কবিতাতে কোনো অপ্ৰাসংগিক মেদবহুলতা নোহোৱাকৈ মাৰ্জিত আৰু পঢ়ুৱৈৰ ৰুচিসন্মতবোধত কবিয়ে অনুভৱ আৰু অনুভূতিৰ আত্মপ্ৰকাশ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰাত শক্তিশালী ৰূপত ধৰা দিছে। স্মৰ্তব্য যে শৰতৰ নৈপৰীয়া কঁহুৱাৰ লয়লাস ভংগিমা আৰু নিয়ৰসিক্ত শেৱালিৰ এক সেউজী আভাত কাব্য সাধনাৰ শুভংকৰ চিন্তা-চেতনাৰে সংপৃক্ত কবিৰ নিমগ্ন আলোকচিত্ৰৰ দ্বাৰা সৃষ্ট দৃষ্টিনন্দন বেটুপাতটোৰ পৰিকল্পনা জ্যোতিৰেখা কলিতাৰ। মাত্ৰ ৩০০ টকা মূল্যৰ কাব্য সংকলনখন বাৰে বাৰে পঢ়িও আমনিয়ে বাহ নোলোৱা প্ৰতিটো অনুপম চিকুণ কবিতাই পাঠকৰ হৃদয়ৰ নিভৃত কোণত সামাজিক সম্প্ৰীতিৰ ধ্বনি বৈ নিয়াবলৈ সক্ষম হ'ব বুলি মনে ধৰে। সদৌ শেষত আশা কৰিম শ্ৰীমতী জুনু কলিতাৰ দ্বাৰা প্ৰকাশিত উজ্জ্বল, প্ৰোজ্জ্বল, উদ্দীপনাময় কবিতাৰ সংকলনখনে অসমীয়া সাহিত্যৰ বৰপথাৰখনত নিজৰ স্থিতি সাঁচত বাট কাটি সাহিত্যৰ ভঁৰালত অনবদ্য উপহাৰ হৈ ৰ'ব আৰু অনাগত দিনবোৰত চিৰজ্যোতিষ্মান আভাৰে উদ্ভাসিত হৈ থাকিব পাঠকৰ হৃদয়ে হৃদয়ে। সঁচাকৈ এই বাটেদি এদিন সৌন্দৰ্যৰ প্ৰতীক ঋতু ৰাণী শৰৎ নিশ্চয় আহিব।

কবি ঃ **জ্যোতি মাধৱ**
**ফোন ঃ ৭৫৭৬৮-৯৫৯৭০**



# অপেক্ষা...

আজি এসপ্তাহ ধৰি পূবালী আৰু তাইৰ শাহুৱেক প্ৰণীতাৰ দুচকুত টোপনি নাই। সেই দিন ধৰি দুয়োজনীৰ মনটো কিবা এটা ৰিঙা ৰিঙা ভাবে আচ্ছন্ন কৰি আছে। নিশা হোৱাৰ লগে লগে দুয়োজনীক নানা ধৰণৰ চিন্তাই আৱৰি ধৰে। ক'ৰবাত কিবা এটা শব্দ শুনা পালেও দুয়োজনী উচপ খাই উঠিছিল। বন্ধ দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিছিল। কিজানি তন্ময় ঘৰলৈ আহিছে। পূবালীৰ মনে কয়, সি আহিব আৰু তাই লৰালৰিকৈ গৈ দুৱাৰখন খুলি দিব। তন্ময়ে এটা হাঁহি মাৰি তাইৰ সেই ৰঙা পৰা দুগালত চুমা দিব আৰু তাই লাজতে তাইৰ কোঠালিলৈ দৌৰি যাব।

ঠিক সেইদৰে তন্ময়ৰ মাক প্ৰণীতাৰ মনটোৱেও কয়, সি আহিব আৰু আহিয়ে মা বুলি মাতিব। মাকৰ কোঠালিলৈ গৈ সি মাকৰ দৰবৰোৰ চাই সি সুধিব— মা তুমি ডাক্তৰে কোৱামতে দৰববোৰ খালানে?' এনেবোৰ কথাই পূবালী আৰু তাইৰ শাহুৱেক প্ৰণীতাৰ মনটো আচ্ছন্ন কৰি আছে। কিয়নো আজি এসপ্তাহ ধৰি তন্ময় ঘৰৰ পৰা সন্ধানহীন হৈ আছে। তাৰ ম'বাইলটোৰ ছুইছ অফ আছে। দুয়োজনীয়ে তাৰ পৰিয়ালবৰ্গৰ পৰা বন্ধু-বান্ধৱীলৈ সকলোতে বিচাৰিলে কিন্তু তাৰ কোনো খবৰ নাপালে। ইতিমধ্যে তেওঁলোকে বাতৰিয়ে- পত্ৰয়ো তন্ময় সন্ধানহীনৰ খবৰটো দিছে। কোনোবাই ক'ৰবাত দেখা পায়েবা কিজানি। কিন্তু কোনো খবৰ নাই। আনকি পুলিচেও তাৰ কোনো খবৰ পোৱা নাই। তথাপি দুয়োজনী আশাৰে অপেক্ষা কৰি আছে সি ঘৰলৈ আহিব বুলি। পূবালীয়ে বাৰে বাৰে টেলিফোনটোলৈ চায়, কিজানি তাৰ কিবা খবৰ আহে। এনেদৰে আজি এসপ্তাহ ধৰি দিন-ৰাতি কাটি কৰি দুয়োজনী ড্ৰয়িংৰূমৰ চোপ্ৰাৰখনতে সময়বোৰ কটাইছে।

পূবালী চিন্তা কৰি কৰি ড্ৰয়িংৰূমৰ চোপ্ৰাৰখনতে বহি থাকোঁতে হঠাৎ টেলিফোনটো বাজি উঠিল। দুয়োজনী ফোনটো ৰিচিভ কৰিবলৈ উচপ খাই উঠিল। পূবালীয়ে লৰালৰিকৈ চোপ্ৰাৰ পৰা উঠি গৈ ফোনটো ৰিচিভ কৰিলে।

ঃ হেল্লো, কোনে কৈছে?

ঃ মই চেকনিধৰা আৰক্ষী চকীৰপৰা ক'লোঁ অ'চি বিমল ভৰালী।

ঃ হয় কওকচোন আপোনালোকে তেওঁৰ কিবা খবৰ পাইছে নেকি?

ঃ নিশ্চয় পাইছোঁ বৰুৱানী কিন্তু আচৰিত আমি ক'ব নোৱাৰিম যে সেয়া আপোনাৰে স্বামী হয় বুলি।

ঃ কি...? এইবোৰ আ...পোনালোকে কি কৈছে মই একো ধৰিব পৰা নাই?

ঃ শুনক বৰুৱানী আমি আজি এটা মৃতদেহ উদ্ধাৰ কৰিছোঁ।

ঃ কিন্তু, ক'ত...?

ঃ আপুনি যে কৈছিল আপোনালোকৰ সেই গাঁৱত এখন নদী আছে। সেই ৰঙানদীৰ বুকুত কেইগৰাকীমান মহিলাই পুৱাৰ ভাগত নদীত গা ধুবলৈ গৈ মৃতদেহটো দেখা পাই আমাক খবৰ দিয়াত তাৰ পৰা মৃতদেহটো উদ্ধাৰ কৰোঁ। এতিয়াও মৃতদেহটো আমি চিনাক্ত কৰিব পৰা নাই। কাৰ হয় মৃতদেহটো আপোনাৰ স্বামী নে আন কৰোবাৰ। কিয়নো মৃতদেহটো চিনাক্ত কৰিব পৰা অৱস্থাত নাই।

ঃ কি...?

ঃ উম সেইকাৰণে কৈছোঁ আমি ক'ব নোৱাৰিম সেয়া তন্ময় বৰুৱাৰ মৃতদেহ হয় নে নহয়। এবাৰ আপোনালোক থানালৈ আহি চাই যোৱাটোৱেই ভাল হ'ব নেকি? কি ঠিক আমি ভবাৰ দৰে নহ'বও পাৰে। অ' প্ৰয়োজন হ'লে মই থানাৰ পৰা গাড়ী পঠিয়াই দিছোঁ। আপোনালোক মাথোঁ ওলাই আহিলে হ'ব।

ঃ ঠিক আছে আমি এতিয়াই গৈ আছোঁ।

-পূবালীয়ে লৰালৰিকৈ ফোনটো থৈ শাহুৱেক প্ৰণীতাক লগত লৈ বাহিৰলৈ ওলাই গ'ল। কিছুসময় পাছতে থানাৰ পৰা অহা গাড়ীত উঠি দুয়োজনী থানা অভিমুখে ৰাওনা হ'ল। গাড়ীৰ ভিতৰত দুয়োজনীক নানাধৰণৰ কিছুমান বেয়া চিন্তায়ে আৱৰি ধৰিলে।

ঃ আহক মোৰ লগত আহক।

-অ'চি বিমল ভৰালীয়ে লগত দুগৰাকী মহিলা আৰক্ষী আৰু কনিষ্টবল দাসক লৈ পূবালী আৰু প্ৰণীতাক এটা বন্ধ অন্ধকাৰ কোঠালিলৈ লৈ গ'ল। পূবালী আৰু প্ৰণীতা আচৰিত হ'ল বন্ধ কোঠালীটোত সোমাই। কিয়নো কোঠালীটো চাৰিওফালে মাথোঁ অন্ধকাৰ। খিৰিকী বুলিবলৈকো নাই কোঠালিটোৰ মাথোঁ এটা সৰু ফুটা আছে। যিটো ফুটাদি ৰ'দৰ পোহৰ এখন টেবুলতহে পৰে। দুয়োজনী কোঠালিটোৰ চাৰিওফালে ঘূৰি ঘূৰি চাই। আমি ক'লৈ আহিছোঁ বুলি, আমাক ক'লৈ আনিছে বুলি। তেনেতে কনিষ্টবল দাসে লাইটৰ চুইছটো দি দিয়াত কোঠালিটো ভিতৰৰ কিছু অংশ পোহৰ হৈ উঠে। তেওঁলোকে দেখা পায় বগা কাপোৰে ঢাকি ৰখা এটা মৃতদেহ, য'ত মাথোঁ পোহৰ পৰিছে। অন্যথা কোঠাটোৰ চাৰিওফালে তেতিয়াও অন্ধকাৰে আৱৰি আছিল। অ'চি বিমল ভৰালীৰ চকুৰ ইংগিতত দাসে আগবাঢ়ি গৈ বগা কাপোৰেৰে ঢাকি ৰখা মৃতদেহটো গাৰ পৰা কাপোৰখন আঁতৰাই দিয়ে। কিছু সময় পূবালী আৰু প্ৰণীতায়ে মৃতদেহটোলৈ একেথৰে চাই চিঞৰি উঠিল।

ঃ তন্ময়...

দুয়োজনীৰ চিঞৰত থানা কঁপি উঠিল। হঠাতে পূবালী মাটিত ঢলি পৰিল। মহিলা আৰক্ষী হাজৰিকানীয়ে লৰালৰিকৈ ধৰিলে। তাৰ পাছতে পূবালীৰ স্বাস্থ্য বেয়া হোৱাত তাইক চিকিৎসাললৈ নিয়াৰ ব্যৱস্থা কৰিলে। আনফালে আৰক্ষী কনিষ্টবল শইকীয়ানীয়ে প্ৰণীতাক কোঠাটোৰ পৰা বাহিৰলৈ ধৰি উলিয়াই লৈ আহিল। দাসে পুনৰ মৃতদেহটো বগা কাপোৰেৰে ঢাকি দিলে। দাসে তন্ময়ৰ মৃতদেহটো বগা কাপোৰেৰে ঢাকি দিয়াত বাহিৰৰ পৰা প্ৰণীতায়ে চিঞৰি উঠিল।

ঃ অ'ই পুলিচ তহঁতে তাৰ গাত বগা কাপোৰ নিদিবি সি বগা ৰং বেয়া পায়।

ঃ খুড়ী পৃথিৱীৰ মানুহবোৰে জীয়াই থাকোঁতে বগা ৰংটো বেয়া পালেও শেষ যাত্ৰাৰ সময়ত ভাল পায়।

ঃ তুমি কি ক'ব বিচাৰিছা মোৰ ল'ৰাই বগা ৰং ভাল পায় ।নাপাই সি বগা ৰং ভাল নাপায়।

ঃ আপোনাৰ বগা ৰং বেয়া পোৱা ল'ৰাটো আজিৰ পৰা আৰু নাই।

ঃ নাই নাই তুমি মিছা কৈছা, সি মোক এৰি নাথাকে, সি মোক কৈছে নহয়। সি মোৰ অবিহনে জীয়াই নাথাকে। চাবা সি আকৌ ঘূৰি আহিব। আমি দুয়োজনী তাৰ অপেক্ষাত ৰৈ থাকিম চাবা সি আহিব।

-প্ৰণীতায়ে পুত্ৰৰ মৃত্যু হোৱা কথাষাৰ সহজে মানি ল'ব পৰা নাছিল বাবে এনেদৰে কৈছিল।

**ৰাজু বণিয়া**
**ফোন ঃ ৮০৯৯৪৩১২৭৬**

## কলেজীয়া জীৱন ঃ

# জীৱনৰ আটাইতকৈ মধুৰ সময় আৰু এক প্ৰত্যাহ্বান

■ গৌতম দাস

পাঠশালাত অ, আ,ক, খ শিকি শিক্ষা জীৱনৰ আঁত ধৰা, শিক্ষাগুৰুৰ ৰঙাচকুলৈ ভয় কৰি কবিতা মুখস্থ মতা, বেতৰ কোবৰ ভয়ত পিঠিৰ বেগটোত হ'মৱৰ্কৰ বহীখন ভৰাই লৈ যাওঁ নাযাওঁকৈ পঢ়াশালিলৈ দৌৰা দিনবোৰৰ পৰা আদি কৰি হাইস্কুলত অংকৰ ছাৰৰ অংক কৰিব নোৱাৰিলে বেঞ্চৰ ওপৰত থিয় হৈ থকা দিনবোৰকো নেওচি মেট্ৰিক, হায়াৰছেকেণ্ডাৰীৰ দেওনা দুখন পাৰ কৰি কৰি কলেজলৈ খোজ ল'ব পৰা হোৱালৈকেও বহু দূৰ বাট..। এই বাটত ভৰি দিব পৰাজনেই জীৱনৰ আচল যুঁজাৰু।

সপোন খেদি ফুৰা এজাক যৌৱনক বুকুত সামৰি লৈ তেওঁলোকৰ সকলো সুখ দুখৰ সাক্ষী হৈ ৰৈ যোৱা সময়খিনিয়েই হ'ল কলেজীয়া জীৱন, যি জীৱনৰ আটাইতকৈ সেউজীয়া সময়, যি সময়ে এজন ছাত্ৰক যুঁজিবলৈ শিকায়, শিকিবলৈ শিকায়, ভৱিষ্যতে মানৱ সম্পদ হিচাপে নিজকে গঢ় দিব পৰাকৈ সাহসেৰে বুকু ভৰায়। সৰুৰে পৰা নম্বৰমুখী শিক্ষা ব্যৱস্থাৰ পাছত দৌৰি ফুৰি ভাটৌ পঢ়াদি পাঠ্যক্ৰমৰ জ্ঞান আওৰাই পৰীক্ষাৰ সৰহ নম্বৰৰ পাছত দৌৰি ফুৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই এই সময়খিনিতেই উপলব্ধি কৰিবলৈ বাধ্য হয় জীৱনত জয়ী হ'বলৈ নম্বৰগধুৰ মাৰ্কশ্বীটখনেই যথেষ্ট নহয়, যদিহে সাধাৰণ জ্ঞান শূন্য হয়। হাইস্কুলত পঢ়ি থাকোঁতে ক্লাছত কলম কামুৰি থকা ছাত্ৰ-ছাত্ৰী কেইগৰাকীয়েও এই সময়খিনিত কলমৰ গতি খৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলায়। আচলতে এই সময়ছোৱাত ঘৰৰ অভিভাৱকৰ ওপৰত নিৰ্ভৰ কৰি চলি থকা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই নিজৰ সিদ্ধান্ত নিজেই ল'ব পৰা হয়, নিজকে নিজৰ অধীন কৰি ৰাখিব পৰা হয় আৰু নিজৰ ভৱিষ্যৎ সম্পৰ্কে চিন্তা কৰিব পৰাকৈ বুকুত সাহ বান্ধিব পৰা হয়। এই সময়ছোৱা ছাত্ৰ-ছাত্ৰী এগৰাকীৰ বাবে সঁচাই জীৱনৰ আটাইতকৈ মহৎ আৰু গুৰুত্বপূৰ্ণ সময় হৈ পৰে। ৬ মাহৰ মূৰে মূৰে গধুৰ পাঠ্যক্ৰমেৰে চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা; ছেমিনাৰ, এছাইন্টমেন্টৰ বোজা কঢ়িয়াব পৰা হোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই এই সময়খিনিতেই বুজি উঠে ছাত্ৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য আচলতে কি? যদিহে জীৱনৰ এই সময়খিনিত আমি এই গধুৰ গধুৰ বোজাবোৰো কঢ়িয়াই সফলতাৰ উচ্চ শিখৰত উপনীত হ'ব পাৰোঁ তেন্তে আমাৰ অনাগত দিনত সফলতাই আহি নিজে ধৰা দিব।

কলেজীয়া সময়খিনিৰ পৰাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনলৈ আগলৈ কি কৰিম, ক'ত পঢ়িম, কি পৰীক্ষা দিম, কেনেধৰণৰ কিতাপ পঢ়িম, কেনেকৈ নিজকে প্ৰস্তুত কৰিম, যদি চৰকাৰী চাকৰি নাপাওঁ কি কৰিম ইত্যাদি ধৰণৰ নিজৰ ভৱিষ্যৎ সম্পৰ্কে নানাধৰণৰ চিন্তাচৰ্চা মনলৈ আহিবলৈ ধৰে। সৰুতে স্কুলৰ ছাৰে জীৱনৰ লক্ষ্য সুধোতে ডাক্তৰ, ইঞ্জিনীয়াৰ হ'ম বুলি কোৱা আমি এই সময়খিনিত কিন্তু বিভিন্ন ধৰণৰ চাকৰিৰ বিজ্ঞাপন ওলালে প্ৰতিটোতেই আবেদন কৰোঁ কাৰণ, এই সময়খিনিতেই আমি বুজি উঠিব পৰা হওঁ জীৱনত নিজকে সংস্থাপন দিব পৰাটো যে ইমান সহজ নহয়।

আচলতে ক'বলৈ গ'লে, এইসময়খিনিত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে জীৱনৰ আটাইতকৈ টাৰ্নিং পইন্ট হৈ পৰে। এই সময়ছোৱাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই নিজক বুজি উঠে, দেউতাকৰ হাড়ভগা পৰিশ্ৰমক বুজি পায়, জীৱনৰ অৰ্থ বুজি উঠে। এই সময়খিনি ভালকৈ সংগ্ৰাম আৰু কষ্ট কৰি পাৰ কৰি যাব পাৰিলেই আমাৰ প্ৰত্যেকৰে সফলতা অনিবাৰ্য। সাধাৰণ অৰ্থত ক'বলৈ গ'লে এজন ছাত্ৰৰ ব্যক্তিত্ব বিকাশ আৰু আহৰণৰ উত্তম সময় এই কলেজীয়া জীৱন। কলেজীয়া জীৱন মানেই যেন আৰু বহু কিবা কিবি, ফাগুনৰ মিঠা দুপৰীয়াবোৰত কলেজ কেম্পাছৰ সেউজীয়া দলিচাত বহি সপোন খেদি ফুৰা এজাক জ্ঞানপিপাসুৰ লগত পতা কত আড্ডাৰ কত যে তিতা-মিঠা অভিজ্ঞতা। কেতিয়াও আন এখন ঘৰৰ বুলি ভাবিব নোৱাৰা ডিপাৰ্টমেন্টৰ সতীৰ্থ তথা শিক্ষাগুৰুসকলৰ সৈতে কলেজীয়া জীৱনে দিয়ে আন এখন নতুন ঘৰ, যিখন ঘৰৰ মোহে যাওঁ বুলিও যাবলৈ নিদিয়ে বিদায়ৰ পথে....। নৱাগত আদৰণী সভাত হাঁহি হাঁহি স্বাগতম জনোৱা এজাক যৌৱনে বিদায়ৰ বেলাত চকুলো নোটোকাকৈ যেন থাকিব নোৱাৰে। কাৰণ এয়া জীৱনৰ আন এখন ঘৰ।

নৱবৰ্ষৰ প্ৰাকক্ষণত যিখন ঘৰৰ সদস্যসকলৰ লগত নৈপৰীয়া আবেলি এটিত বালিভোজ খাবলৈ যোৱাৰ আনন্দত শৰীৰৰ সমস্ত দুখ-কষ্ট পলাই-পত্ৰং দিয়ে তেনে এখন ঘৰৰ সদস্যৰ অকৃত্ৰিম মৰমত বান্ধ খাই পৰাৰ সৌভাগ্যৰ দাতা কলেজীয়া জীৱন। শ শ যৌৱনৰ লগত খোজ মিলাই আগবাঢ়িব বিচৰা মন এটি, ছেমিষ্টাৰ পৰীক্ষা আহিলে



পঢ়িবৰ হ'ল বুলি মনত সৃষ্টি হোৱা সকীয়নিবোৰৰ আমেজ কলেজীয়া জীৱনবোৰেই দিয়ে। বাৰিষাৰ বৰষুণজাক কলেজ কেম্পাছত সৰিলে মনটোক টিয়াই পেলোৱা, যৌৱনা গাভৰু এজাকৰ মাজত কাৰোবাক বিচাৰি ফুৰা, পুহমহীয়া ঠাণ্ডাত অফ ক্লাছবোৰত লগৰজাকৰ সৈতে কলেজ কেম্পাছত ৰ'দ লোৱাৰ অজুহাতেৰে শাক-খোৱা, ভাত খোৱাৰ পৰা আদি কৰি জীৱনৰ মূল্যৱান কথা কিছুমানলৈকে আলোচনা কৰা, অমুক ছাৰৰ তমুকটো কথাৰ পৰা আদি কৰি অমুকৰ পিঠিৰ শুভ বগা চোলাটোত কলমেৰে আঁক মৰালৈকে আঃস কত যে ভাল লগা মাদকতা যিখিনি শব্দৰে বুজাব নোৱাৰা।

ক্লাছত সোমালেই বুকুত ভয় এটাই বাহ লোৱা, চকুত চকু থৈ কথা ক'বলৈ ভয় কৰা ছাৰজনৰ পৰা আদি কৰি সুখ-দুখৰ প্ৰতিটো কথাই খুলি ক'ব পৰা ছাৰ বা মেমগৰাকীলৈকে কলেজীয়া জীৱনৰ এই সময়খিনিৰ যেন এক দীঘলীয়া পৃষ্ঠা...। যিবোৰ পৃষ্ঠাই এদিন মনত পেলাব জীৱনৰ এই সোণালী অধ্যায় আৰু তেতিয়া সোঁৱৰণীৰ এটি শুকান হুমুনিয়াহ কাঢ়ি বিচাৰি ফুৰিম আমি এই ভাল লগা দিনৰ দিনলিপি। সচাঁ অৰ্থত ক'বলৈ গ'লে এগৰাকী ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সোণোৱালী সময় তিনিবছৰীয়া কলেজীয়া জীৱন, যাৰ এই দিন কটোৱাৰ সৌভাগ্য হোৱা নাই তেওঁ সচাঁই ছাত্ৰ জীৱনৰ আচল সোৱাদ পোৱা নাই।

**স্নাতক ষষ্ঠ ষাণ্মাসিক**
**ফোন ঃ ৬০০৩১৩৪১৯৫**

# সাহিত্যৰ অনুষ্ঠানসমূহৰ বিষয়ে কিছু কথা

■ কাজি শ্বাহাদত ইছলাম

আজি মই বিশেষ বিষয় এটাৰ ওপৰত আলোচনা কৰিব ওলাইছোঁ। অনুগ্ৰহ কৰি কোনোৱে কথাবোৰ ঋণাত্মকভাৱে নলয় যেন। মোৰ এই আলোচনাখিনি কেৱল মাত্ৰ সাহিত্য চৰ্চাৰ স'তে জড়িত মোৰ প্ৰিয় সতীৰ্থসকলৰ বাবেহে। আমি সকলোৱে জানো যে ফেচবুকে আমাক এনেকুৱা সুকীয়া সুকীয়া মঞ্চ দিছে যে আমাৰ সকলোৰে মাজত থকা সৰু সুৰা বহু প্ৰতিভাসমূহক ইয়াতে উপস্থাপন কৰি আনন্দ লভোঁ। কেৱল আনন্দ লভায়ে নহয়, ইয়াৰ জৰিয়তে নিজৰ লগতে সমাজ তথা দেশকো গৌৰৱান্বিত কৰিবলৈ সক্ষম হৈছোঁ। এই ক্ষেত্ৰত সাহিত্য চৰ্চাৰ বিষয়টো সকলোতকৈ সুকীয়া। ফেচবুকৰ বিভিন্ন গোটসমূহত আমি সকলোৱে সাহিত্য চৰ্চা কৰি আজি বহুত উচ্চ পৰ্যায়ত আহি পাইছোঁ। ইয়াতে মই মানৱতা আৰু সমানতাৰ বহুত ডাঙৰ ডাঙৰ উদাহৰণ দেখিছোঁ। কেতিয়াবা কবি সন্মিলনবোৰত গ'লে সুন্দৰ পৰিৱেশ দেখিবলৈ পাওঁ। দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা সতীৰ্থসকলৰ বেছিভাগেই উচ্চপদস্থ বিষয়া, শিক্ষক, প্ৰফেছাৰ, ডক্টৰ, ইঞ্জিনীয়াৰ ইত্যাদি ইত্যাদি। ইয়াতে ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি কৃষক বন্ধুসকলকো দেখিবলৈ পাওঁ। মুঠতে সকলো পৰ্যায়ৰ ভাইটি, দাদা তথা বাইদেউসকলক ইয়াতে লগ পাই বৰ ভাল লাগে। সকলোতকৈ ডাঙৰ কথা হ'ল ইয়াতে জাতি,বৰ্ণ, ধৰ্ম, সৰু, ডাঙৰ বিচাৰ কৰা নহয়। সকলোৱে প্ৰথম সাক্ষাতৰ আলিংগন, আন্তৰিকতা চাই এনে লাগে যেন বহু যুগৰ চিনাকি। আচলতে আমি কোনোৱে অনুভৱেই নকৰোঁ যে আমাৰ প্ৰতিজনৰ পৰিয়াল বা বাসস্থান বেলেগ বেলেগ, যেন আমি একেটা পৰিয়ালৰে সদস্যহে। কেতিয়াবা আমি কিবা সমস্যাত পৰিলেও ফেচবুকৰ মজিয়াত আৱেগ ঢালি দিওঁ আৰু প্ৰতিজন বন্ধুৰ সঁহাৰি প্ৰীতিত পাহৰোঁ নিজৰ আৱেগ আৰু সমস্যাৰ সমাধানো হয়। আমি প্ৰতিজনে প্ৰতিজনকে অনুপ্ৰাণিত কৰোঁ আৰু এনেদৰেই আগবাঢ়ি আছোঁ। লকডাউনৰ সময়ছোৱাত এই সাহিত্য চৰ্চাৰ ব্যৱস্থাপনাই আমাক বহু ডাঙৰ ডাঙৰ মানসিক অশান্তিৰ পৰা মোকলাই লৈ আনিছে।

যিকি নহওক, এই সকলো কথাৰ প্ৰতিকূলে আন এটি কথা হ'ল যে সভা-সমিতি অথবা কবি




সন্মিলনবোৰত আমি এনে কিছু ভুল কৰোঁ যে আমাৰ অনুৰাগীসকলৰ ওচৰত লজ্জিত হ'বলগীয়া হয়। সভা-সমিতিৰ অনুষ্ঠানবোৰত যেতিয়া বিশিষ্ট মানুহবোৰে মূল্যৱান বক্তৃতাৰে আমাক জ্ঞান দিয়ে আমাৰ কিমানে সেই মুহূৰ্তবোৰত নিজৰ মাজতেই ব্যস্ত থকা পৰিলক্ষিত হয়। শতভাগেই এনে কৰে বুলি ক'ব মই খোজা নাই। আচলতে আমি বিশিষ্ট মানুহবোৰক এই কাৰণেই মাতোঁ যাতে সিহঁতৰ মূল্যৱান কথাবোৰে আমাক সমাজ তথা দেশক উন্নতিৰ শিখৰত আগবঢ়াই লৈ যোৱাত সহায় কৰে। যাতে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি হয়। কিন্তু আমাৰ অমনযোগিতাই প্ৰমাণ কৰে যে আমাৰ জানিবলৈ শিকিবলৈ কোনো আগ্ৰহ নাই। বক্তব্য চলি থকাৰ মুহূৰ্তত বক্তব্যৰ ফালে গুৰুত্ব নিদি চেল্‌ফি অথবা অইন কিবা কামতে ব্যস্ত থাকোঁ। মই ভাবোঁ এয়া আমাৰ সকলোৰে বাবে শুভ লক্ষণ নহয়। মঞ্চত কবিতা পাঠৰ সময়ছোৱাত আমাৰ হাই-উৰুমিৰ বাবে কবিতাৰ শব্দবোৰ স্পষ্টকৈ শুনা নাযায়। ফলত কবিতা পাঠৰ ভিডিঅ'বোৰ ফেচবুকত পোষ্ট কৰিলে অভিযোগেৰে কমেন্ট বক্স ভৰি পৰে। বহুতেই প্ৰশ্ন কৰে অনুষ্ঠানবোৰৰ এই অৱস্থাৰ বাবে কিন্তু উত্তৰ দিয়াৰ সামৰ্থ্য হেৰুৱায় পেলাওঁ। গতিকে সকলো বন্ধু-বান্ধৱীৰ প্ৰতি মোৰ কাতৰ অনুৰোধ—আপোনালোকে সাধাৰণ জনতাৰ আগত আমাৰ কবি সত্তাক অপমান নকৰিব। আমি লিখা-মেলা কৰাৰ বাবে বহুতেই আমাক মৰম, সন্মান কৰে, কিন্তু এই সন্মান সকলোৱে মিলি ৰক্ষা কৰিব নোৱাৰিম নে? অনুষ্ঠানবোৰৰ পৰিচালনা সমিতিয়ে এই বিষয়ত অধিক গুৰুত্ব দি সকলোকে শৃংখলাপূৰ্ণ হোৱাৰ বাবে আঁসোৱাহবোৰক আঙুলিয়াই দিব লাগে। আহক, আমি সকলোৱে হাতে হাত ধৰি আগুৱাই যাওঁ, আমি আমাৰ চিন্তাধাৰাক পৰিৱৰ্তন কৰি অনুষ্ঠানবোৰৰ শোভাবৰ্ধন কৰোঁ। কিবা ভুল হ'লে সৰু ভাইটি বুলি ক্ষমা কৰিব। ধন্যবাদ........

**ফোন ঃ ৬০০২৫৯৪৪৩০**

# চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৩০ জুলাই ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেশ্যনে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ডাকযোগে পতা চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ক - শাখা ঃ প্ৰথম স্থান- উন্মুক্ত চৌধুৰী, প্ৰাগজ্যোতিষ চিনিয়ৰ চেকেণ্ডেৰী স্কুল; দ্বিতীয় স্থান- ফাৰদিন আহমেদ, সৰলা বিৰলা জ্ঞান জ্যোতি; তৃতীয় স্থান: আৰ্চিছমান দত্ত, মদাৰ্ণ পাব্লিক একাডেমী। খ -শাখা ঃ প্ৰথম স্থান- ৰিচান শৰ্মা, ডনবস্ক' স্কুল; দ্বিতীয় স্থান- মহৰ্ষি বৈশ্য, আনন্দ একাডেমী; তৃতীয় স্থান ঃ দৰ্শীল জোনাক, জ্ঞানদীপ ইংলিছ একাডেমী আৰু মনজিষ্ঠা কুমাৰ, শংকৰদেৱ শিশু নিকেতন, ইচ্ছাদঘৰীয়া। গ-শাখা ঃ প্ৰথম স্থান- পূজা দাস, গুৱাহাটী বিশ্ববিদ্যালয় মডেল স্কুল; দ্বিতীয় স্থান- প্ৰাচুৰ্য শৰ্মা, গুৰুকুল গ্ৰামাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুল; তৃতীয় স্থান- গাৰ্গী বৈশ্য, প্ৰাগজ্যোতিষ চিনিয়ৰ চেকেণ্ডেৰী স্কুল। বঁটা বিজয়ী সকলক ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেশ্যনৰ শিক্ষা-সাংবাদিকতাৰ দিনত প্ৰদান কৰা হ'ব বুলি পৰেশ বৈশ্য ফাউণ্ডেশ্যনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

# তেজপুৰৰ বান বিধ্বস্ত অঞ্চলত পশু চিকিৎসা শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ জুলাই ঃ** তেজপুৰৰ দাঁতি কাষৰীয়া বান বিধ্বস্ত অঞ্চলত ৰাজ্যিক পশু চিকিৎসালয়, তেজপুৰৰ উদ্যোগত বুঢ়া চাপৰি, কলিবাৰী চুক, কলিবাৰী ৰাজহ চহৰ আৰু বালিচাপৰি অঞ্চলত সমূহত বিনামূলীয়া পশু চিকিৎসা শিবিৰ অলপতে অনুষ্ঠিত হৈ যায়। এই শিবিৰত প্ৰায় ১৩৯৪টা পশু ধনৰ বিভিন্ন বেমাৰ যেনে পেটফুলা, পাতল পায়খানা, অৰুচি, পেলু আদি ৰোগৰ চিকিৎসা কৰাৰ লগতে ঔষধ বিতৰণ কৰা হয়। তেজপুৰৰ স্থানীয় বিধায়ক পৃথ্বিৰাজ ৰাভাৰ সহযোগিতাত অনুষ্ঠিত হোৱা এই শিবিৰত তেজপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ মণিকা বৰদলৈ, জ্যেষ্ঠ ক্ষেত্ৰ সহায়ক জটিল ফুকন, ফকৰুদ্দিন আহমেদ, গোপাল মিত্ৰ সজল ঘোষ সম্বনিতে গাভৰু উন্নয়ন খণ্ডৰ পশু সখী কাঞ্চন ৰাভা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা মিছনৰ জীৱিকা সখী নীলিমা বড়ো উপস্থিত থাকে।

# কয়াকুছিত বজ্ৰপাতত পঞ্চৰতন ৰাইচ মিলৰ ক্ষতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ৩০ জুলাই ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টি তথা কয়াকুছি আৰক্ষী চকীৰ অন্তৰ্গত কয়াকুছি বজাৰৰ গাতে লাগি থকা বনবাহাৰস্থিত পঞ্চৰতন ৰাইচ মিলত ২৮ জুলাইত বজ্ৰপাত পৰি জুই লগাত মিলটোৰ বিস্তৰ ক্ষতিসাধন হয়। বজ্ৰপাতৰ ফলত ৰাইচ মেলখনত জুই লগা প্ৰত্যক্ষ কৰি ওচৰত থকা ৰাইজ তথা কয়াকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ তৎপৰতাত জুই নুমাবলৈ সক্ষম হয়। পঞ্চৰতন ৰাইচ মেলৰ স্বত্বাধিকাৰী আব্দুছ ছাদেক আলী আহমেদে মিলখনৰ প্ৰায় তিনি লাখ টকাৰ সা-সামগ্ৰী নষ্ট হোৱা বুলি জানিবলৈ দিয়ে। সামগ্ৰীসমূহ এনেধৰণৰ মিটাৰ তিনি ফেজ এটা, ১৬এম এমৰ তাৰ ৯০ মিটাৰ, ৫০ এম এমৰ কেবুল তাৰ ৬০ মিটাৰ, কাট আউট ৩ টা, কালেক্টৰ ২২ টা, মেইন চুইচ ১ টা, ষ্টাৰ ৰেৰ ১টা বল মিটাৰ ২টা, এমপিয়াৰ মিটাৰ ২টা, বসু কেবিনেটৰ ১টা, কেইবা কুইণ্টল ধান আৰু চাউল ভস্মীভূত হোৱা বুলি জানিবলৈ দিয়ে। যাৰ ফলত মিলখনৰ প্ৰায় তিনি লাখ টকাৰ সা-সামগ্ৰী ক্ষতি হয়।

# ডিমৌত বিজেপিৰ বিৰুদ্ধে টাই আহোম ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ

## আঙুৰলতা ডেকা, শিৱপ্ৰসাদ বদ্ৰাৰ প্ৰতিকৃতি দাহ




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ জুলাই ঃ** ডিমৌত বিজেপি বিৰোদ্ধে টাই আহোম ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ। সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ মহকুমা সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত ডিমৌ চাৰিআলিৰ মাজমজিয়াত আজি আটাছুৰ ডিমৌ আঞ্চলিক সমিতিৰ উদ্যোগত বিজেপি নেত্ৰী আঙুৰলতা ডেকা আৰু চাহ মৰ্চাৰ শিৱপ্ৰসাদ বদ্ৰাৰ বিৰোদ্ধে উত্তাল প্ৰতিবাদ কৰি দুয়োৰে প্ৰতিকৃতী দাহ কৰে। ২৯ জুলাইত ৰাজ্যিক বিজেপি অনুসুচীত জাতি মৰ্চা, মহিলা মৰ্চা আৰু চাহ জনগোষ্ঠী মৰ্চাৰ দ্বাৰা লোকসভাৰ বিৰোধী দলপতিয়ে নতুনকৈ নিৰ্বাচিত ৰাষ্ট্ৰপতিক লৈ অশালীন মন্তব্য কৰাৰ বিৰুদ্ধে বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত বাহিৰ কৰা প্ৰতিবাদী এক কাৰ্যসূচীত অসমত ছশ বছৰ ৰাজত্ব কৰা আহোম জনগোষ্ঠীক মুৰ্দাবাদ ধ্বনি দিছিলে। যাক লৈ অসমৰ প্ৰতিটো আহোম জনগোষ্ঠীয় সংগঠনে বিজেপিৰ নেত্ৰীগৰাকীৰ বিৰুদ্ধে সৰৱ হৈ প্ৰতিবাদ মুখৰ হোৱাৰ লগতে আঙুৰলতা ডেকা আৰু চাহ মৰ্চাৰ নেতা শিৱপ্ৰসাদ বদ্ৰাক অতি শীঘ্ৰে আহোম জনগোষ্ঠীৰ উচৰত ক্ষমা খুজিবলৈ দাবী জনাইছে। ইয়াৰ অন্যথা তেওঁলোকে যিকোনো পৰিস্থিতিৰ সন্মুখীন হব লাগিব বুলি সকীয়াই দিছে টাই আহোম ছাত্ৰ সন্থাৰ মহকুমা সমিতিৰ সম্পাদক সুমিত কুমাৰ সন্দিকৈয়ে। এই প্ৰতিবাদী কাৰ্যসূচীত আটাছু নেতা শিৱসাগৰ জিলা নেতা গোবিন গগৈ, সুনিত ফুলকোঁৱৰ, নিপন বৰুৱা, ডিমৌ আঞ্চলিকৰ বিদ্যুৎ দুৱৰা, দেৱজিৎ গগৈৰ লগতে ভালেসংখ্যক সদস্য উপস্থিত থাকে।

# তামুলপুৰত বন বিভাগৰ তৎপৰতা ৪টাকৈ অবৈধ কাঠফলা কল উচ্ছেদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩০ জুলাই ঃ** তামুলপুৰৰ বন বিভাগ পুনৰ অধিক তৎপৰ হোৱা পৰিলক্ষিত হৈছে। যোৱা কিছুদিন ধৰি অবৈধ বালি-শিলৰ বিৰুদ্ধে অভিযান চলাই উৎখাত কৰাৰ পিছত আজি তামুলপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত লতিবাৰী-অহিয়াবাৰীত চাৰিটা অবৈধ কাঠ ফলা মিলৰ বিৰুদ্ধে বন বিভাগে অভিযান চলায়। বন বিভাগ আৰু এছ এছ বিৰ যৌথ উদ্যোগত চলা এই অভিযানত কুমাৰীকাটা বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও সহযোগ কৰে। অভিযানকালত ৪টাকৈ অবৈধ কাঠ ফলা মিল উচ্ছেদ কৰাৰ লগতে পাঁচ লক্ষাধিক টকা মূল্যৰ কাঠৰ কুণ্ডা আৰু মেচিন, জেনেৰেটৰ আদি সা-সামগ্ৰী জব্দ কৰে। তামুলপুৰ ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বন বিষয়া গিৰীন বৰ্মনৰ নেতৃত্বত চলা এই অভিযান কুমাৰীকাটা ৰেঞ্জৰ বন বিষয়া বীৰেন চন্দ্ৰ বড়োসহ আন আন কৰ্মচাৰী, এছ এছ বিৰ বিষয়া আৰু জোৱানসকল উপস্থিত আছিল। উল্লেখযোগ্য যে নৱগঠিত জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰায় কুৰিটাৰো অধিক কাঠ ফলা কল অবৈধভাৱে স্থাপন কৰি বনবিভাগৰ চকুত ধূলি দি এখন ৰমৰমীয়া কাঠৰ ব্যৱসায় চলাই আহিছে বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছিল।

# বৰপেটা আৰু বজালীত উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ শক্তি- ২০৪৭

## চাৰিদিনীয় বৰ্ণাঢ্য কাৰ্যসূচী সফলতাৰে সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ৩০ জুলাই ঃ** শক্তি মন্ত্ৰণালয়ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত বৰপেটা আৰু বজালী জিলাত চাৰি দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উজ্জ্বল ভাৰত ˉ উজ্জ্বল ভৱিষ্যত-২০৪৭ উদ্‌যাপন সফলতাৰে ২৯ জুলাইত কয়াকুছিত সম্পন্ন হয়। ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰণালয়ৰ উদ্যোগত আৰু বৰপেটা জিলা প্ৰশাসন আৰু বজালী জিলা প্ৰশাসনৰ সহযোগত পৃথকে পৃথকে চাৰিদিনীয়াকৈ কাৰ্যসূচীৰে উদযাপিত কৰা উজ্জ্বল ভাৰত ˉ উজ্জ্বল ভৱিষ্যত ˉ শক্তি -২০৪৭ অনুষ্ঠিত অনুষ্ঠানত ভালে সংখ্যক জনগণে অংশগ্ৰহণ কৰে। শক্তি মন্ত্ৰণালয়ৰ উদ্যোগত আৰু বজালী জিলা প্ৰশাসনৰ সহযোগত ২৬ আৰু ২৭ জুলাইত ৰূপায়িত হয় উক্ত কাৰ্যসূচী। ২৬ জুলাইত বজালীৰ বতুৰাত অনুষ্ঠিত হোৱা প্ৰথম দিনৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু বজালীৰ উপযুক্ত কাবেৰী বৰকাকতি। ২৭ জুলাইত পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত দ্বিতীয় দিনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস আৰু বজালীৰ উপায়ুক্ত কাবেৰী বৰকাকতি আৰু অন্যান্য বিষয়াবৰ্গ। আনহাতে শক্তি মন্ত্ৰণালয়ৰ উদ্যোগত আৰু বৰপেটা জিলা প্ৰশাসনৰ সহযোগত আয়োজিত উজ্জ্বল ভাৰত ˉ উজ্জ্বল ভৱিষ্যত ˉ শক্তি-২০৪৭ অনুষ্ঠানৰ ২৮ জুলাইৰ প্ৰথম দিনৰ কাৰ্যসূচী ভোগৰ আন্দাত অনুষ্ঠিত হয়। প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰপেটা জিলা উন্নয়ন আয়ুক্ত বা ডিডিচি নৱজ্যোতি ওজা আৰু মন্দিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কিশোৰ কলিতা আৰু অন্যান্য বিষয়া-কৰ্মচাৰী। ২৯ জুলাইৰ দ্বিতীয় দিনত কয়াকুছি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত অতিথি হিচাপে উপস্থিত থাকে কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ দেৱান ছৰত আলী, বৰপেটাৰ অতিৰিক্ত উপায়ুক্ত লাচিত দাস, নিপকোৰ উপ-মহাপ্ৰবন্ধক উৎপল বৰুৱা, পাঠশালা ডিভিজনৰ এজিএম গৌৰাংগলাল পাঠকক আদি কৰি ভালে সংখ্যক বিভাগীয় বিষয়া-কৰ্মচাৰী। দুয়োখন জিলাৰ চাৰিটাকৈ কাৰ্যসূচী সফলতাৰে সম্পন্ন হোৱাত বৰপেটা জিলা আৰু বজালী জিলা প্ৰশাসনৰ লগতে বৰপেটাস্থিত বৰপেটা বৈদ্যুতিক চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়াই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

# বিলাসী বাহনেৰে গৰু সৰবৰাহৰ নতুন কৌশল দুষ্ট চক্ৰৰ

## গহপুৰত নিশা বিলাসী গাড়ী লৈ গৰু চুৰি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩০ জুলাই ঃ** এইবাৰ বিলাসী বাহনেৰে গৰু সৰবৰাহৰ নতুন কৌশল দুষ্টচক্ৰৰ। ঘটনাতো সংঘটিত হৈছে গহপুৰৰ ঘাঁহিগাঁও আৰক্ষী চকীৰ অন্তৰ্গত পূব বৰঙাবাৰীত। পূব বৰঙাবাৰী জিতেন শইকীয়া নামৰ লোকজনৰ ঘৰত পুৱতি নিশা ১.৩৮ বজাত এজনী গাই গৰু ছাফাৰী গাড়ীত উঠাই লৈ উধাও হয় চুৰে। চুৰি কাণ্ডত সহযোগ কৰে আন এখন এল্ট গাড়ীয়ে। নিশা চুৰি কাণ্ড সংঘটিত হোৱাৰ আগমুহূৰ্তত উক্ত স্থানেৰে পাৰ হৈ যায় ঘাঁহিগাঁও আৰক্ষী চকীৰ এখন পেট্ৰ'লিং গাড়ী। আনহাতে গৰু চুৰি ঘটনাটো সৌভাগ্যক্ৰমে নিকটৱৰ্তী এখন ব্যৱসায়ীক প্ৰতিষ্ঠানত থকা চি চি কেমেৰাত বন্দী হয় চোৰৰ এই সমগ্ৰ চুৰিকাণ্ডৰ দৃশ্য। আনহাত এই সন্দৰ্ভত জিতেন শইকীয়াই চুৰিকাণ্ডক লৈ এখন এজাহাৰ দাখিল কৰিছে ঘাঁহিগাঁও আৰক্ষী চকীত। আৰক্ষীয়ে চি চি টিভিত চুৰিকাণ্ডৰ দৃশ্য থকাৰ পাছতো বিশেষ তৎপৰতা দেখা নাই। ইফালে দীৰ্ঘদিন ধৰি অঞ্চলটো বহু লোকৰ গৰু চোৰ হোৱা তথ্য পোহৰলৈ আহিছে।

# দৰং জিলা উপায়ুক্তৰ কাৰ্যালয়ত পতাকা বিক্ৰী কেন্দ্ৰৰ শুভ উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩০ জুলাই ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান দৰং জিলা তথা পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ণ বিভাগৰ উদ্যোগত স্বাধীনতাৰ ৭৫ বছৰ জয়ন্তী,'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে দৰং জিলাৰ গ্ৰামাঞ্চলত বাস কৰা প্ৰায় এক লাখ চল্লিশ হাজাৰ পৰিয়ালৰ গৃহত ১৩ৰ পৰা১৫ আগষ্টৰ ভিতৰত স্বাধীনতা উৎসৱ উদযাপন কৰা ব্যৱস্থা কৰা হৈছে। তদুপলক্ষে প্ৰতিটো পৰিয়ালত এখন কৈ ভাৰতৰ জাতীয় পতাকা যোগান ধৰিবলৈ আত্মসহায়ক গোটৰ মহিলা সকলক ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত, বিক্ৰী আৰু বিতৰণৰ ব্যৱস্থা কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। দৰং জিলা পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ন বিভাগৰ অন্তৰ্গতমণ্ডল পৰ্যায়ৰ সংগঠনসমূহে তীব্ৰতাৰে পতাকা নিৰ্মাণ কাৰ্য চলাই আছে আৰু আশা কৰা ধৰণে জাতীয় পতাকা বৰ্তমান সময়লৈকে ১,৪০,০০০ পতাকা প্ৰস্তুতকৰণ কাৰ্য সমাপ্তি হৈছে। দৰং জিলাৰ প্ৰতিটো পৰিয়ালৰ পদূলিত ১৫ আগষ্ট তাৰিখত জাতীয় পতাকা উত্তোলনৰ হ'কে একোখন জাতীয় পতাকা উপলব্ধ হ'ব। সেই উদ্দেশ্য দৰং জিলাৰ বিভিন্ন অঞ্চলত ২১খন পতাকা বিক্ৰী কেন্দ্ৰ স্থাপন কৰা হৈছে। দৰং জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদত উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন চন্দ্ৰ মালাকাৰৰ উপস্থিতিত এক ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। ইয়াৰ জৰিয়তে ভাৰতবৰ্ষৰ ২০ কোটি পৰিয়ালৰ ভিতৰত দৰং জিলাত এক লাখ চল্লিশ হাজাৰ পৰিয়ালে নিজ স্বাভিমানৰে পতাকা ক্ৰয় কৰি নিজ পদূলিত স্বাধীনতা দিৱসৰ দিনা স্ব-পৰিয়ালৰ সৈতে ৭৫তম স্বাধীনতা দিৱস উদযাপন কৰিব পাৰিব।লগতে দেশৰ এজন প্ৰকৃত নাগৰিক হিচাপে নিজকে গৌৰান্বিত বোধ কৰিব।

# হাজোৰ জাপিয়াত বিজুলী মহোৎসৱ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩০ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাবে কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ জাপিয়াত বিজুলী মহোৎসৱ পালন কৰা হয়। অসম চৰকাৰ তথা হাজো বিদ্যুৎ বিভাগৰ সহযোগিতাত জাপিয়া গোপাল সত্ৰ প্ৰাংগনত দিনযোৰা বিভিন্ন কাৰ্যসূচীৰে বিজুলী মহোৎসৱ পালন কৰা হয়। উল্লেখ্য যে 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত' শ্লোগানেৰে শক্তি বিভাগে দেশৰ প্ৰতিটো পৰিয়াললৈ ২৪ ঘণ্টাই বিদ্যুতৰ যোগান ধৰাৰ সংকল্প গ্ৰহণ কৰিছে। শক্তি সংৰক্ষণ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি বিজুলী উৎসৱ পালন কৰা হয়। এই বিজুলী উৎসৱত অংশগ্ৰহণ কৰি হাজোৰ বিশিষ্ট উদ্যোগপতি তথা সমাজৰত্ন বনমালি শৰ্মাই কয় যে, উদ্যোগীকৰণে একো একোটা অঞ্চলৰ সামগ্ৰিক দিশত উন্নয়ন কৰি আহিছে। হাজোৰ শিক্ষিত যুৱক-যুৱতী সকলেও সমাজ উত্তৰনৰ হকে আগবাঢ়ি অহাৰ লগতে নিজকে অৰ্থনৈতিকভাবে স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত নতুন দিশলৈ ধাৱমান হ'ব লাগিব। এই অনুষ্ঠানতে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই, বিজুলীৰ পোহৰ বিহীন পুৰনি দিনবোৰ সোঁৱৰণ কৰি নষ্টালজিক হৈ পৰে। মাটিৰ চাকিৰ পোহৰত অধ্যয়ন কৰি কেনেদৰে পৰীক্ষা দিছিল সেই কথাও সুৱৰি বিধায়িকা সুমনে আৱেগিক হৈ পৰা পৰিলক্ষিত হৈছে। হাজোৰ বিদ্যুৎ সেৱা উন্নত কৰি ৰাইজক উপকৃত কৰাৰ ওপৰত পোষকতা কৰি এনে ক্ষেত্ৰত ৰাইজৰ সহযোগিতা কামনা কৰে। সেই অনুসৰি ৰাইজক বিদ্যুৎ ব্যৱহাৰৰ লগতে বিভিন্ন সাৱধানতাৰ বাবে সজাগতা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি, বাটৰ নাট, তথ্যচিত্ৰ, গীত-নৃত্য পৰিবেশন কৰাও হয়। এই অনুষ্ঠানত হাজো বিদ্যুৎ বিভাগৰ বিষয়া কৰ্মচাৰীসকল, এপিডিচিএলৰ মুখ্য কাৰ্যবাহী বিষয়া তন্ময় বৰা,শ্বহীদ সত্যনাথ গাঁও পঞ্চায়তৰ সভানেত্ৰী মাধৱী মালাকৰ, অপূৰ্ব মজুমদাৰৰ লগতে জাপিয়া গাঁৱৰ কেৱাশতাধিক ৰাইজে অংশগ্ৰহণ কৰে ।

# ৰঙাপৰাত কিষাণ মৰ্চাৰ উদ্যোগত পাৱাৰটিলাৰ বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ৩০ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত নাহৰণী গ্ৰাণ্ট গাঁৱত বিজেপি কিষান মৰ্চাৰ উদ্যোগত পাৱাৰ টেলাৰ কৃষকৰ মাজত বিতৰণ কৰা হয়। বিজেপি কিষান মৰ্চাৰ ৰঙাপৰা মণ্ডল সভাপতি কমল শৰ্মা বৰুৱাৰ সভাপতিত্ব অনুষ্ঠিত সভাত স্থানীয় কৃষক সন্তোষ লিম্বুক কৃষি বিভাগৰ ফালৰ পৰা পাৱাৰ টেলাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে উন্নত পদ্ধতিত খেতি কৰাৰ বাবে অঞ্চলটোত কৃষি বিভাগৰ ফালৰ পৰা কেইবাটাও পাৱাৰ টেলাৰ কৃষক সকলৰ মাজত বিতৰণ কৰা হৈছে। বিজেপি কিষান মৰ্চাৰ উদ্যোগত বিগত কিছুদিন ধৰি বিভিন্ন শস্যৰ বীজ বিতৰণ তথা সজাগতা সভা ৰঙাপৰাৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত কৰা হৈছে। আজিৰ পাৱাৰ টেলাৰ বিতৰণ কাৰ্যসূচীত শোণিতপুৰ জিলা বিজেপি কিষান মৰ্চাৰ উপ সভাপতি পৰাগ তামুলী, ৰঙাপৰা মণ্ডল বিজেপি কিষান মৰ্চাৰ সাধাৰণ সম্পাদক ৰমেশ শৰ্মা উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী ফছল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী কৃষান সন্মান নিধি আচনী সন্দৰ্ভতো আলোচনা কৰা হয়।

# বকোৰ ৪৭নং হেকৰা মীন পালনৰ নিবিদা জাননী জাৰি কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩০ জুলাই ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ৪৭নং হেকৰা মীন পালনৰ নিবিদা জাৰি কৰাৰ দাবী জনাইছে অঞ্চলটোৰ একাংশ ৰাইজে। জানিব পৰা মতে ৬০ শতাংশ শ্ৰেণীৰ হেকৰা মীন পালনৰ বন্দৰস্তীৰ চৰ্তাৱলী যোৱা ৮ এপ্ৰিলত উকলি যোৱাৰ পিছতো এতিয়ালৈকে বিভাগীয় কৰ্পতৃক্ষই নিবিদা জাননী জাৰি কৰাৰ ব্যৱস্থা নকৰিলে। কামৰূপ জিলা মীন বিভাগৰ বিষয়াৰ মতে যোৱা ২৮ জানুৱাৰীত এএফকেজি. ৫৮জি/২০২১-২২/২৬৯২ এক চিঠিৰ জৰিয়তে বছৰি নিম্নতম ২,০৪,৭৩২ টকা লীজ দাখিল কৰিছে। উল্লেখ্য যে জিলাখনৰ তদানীন্তন জিলা উপায়ুক্তই যোৱা ২৩ ফেব্ৰুৱাৰীত কেআৰ এফ-৮/৯৬/পিটি-১/১০ নম্বৰৰ চিঠি মৰ্মে আগতীয়াকৈ ওপৰোক্ত কথা খিনি সবিশেষ উল্লেখ কৰি অসম চৰকাৰৰ মীন বিভাগৰ আয়ুক্ত সচিবক ৪৭ নং হেকৰা মীন পালনৰ নিবিদা জাননী জাৰী কৰাৰ বাবে প্ৰয়োজনীয় অনুমোদন বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। জিলা উপায়ুক্তই পত্ৰ প্ৰেৰণ কৰাৰ পিছতো সংশ্লিষ্ট কৰ্তৃপক্ষই হেকৰা মীন পালনৰ বাবে আজিলৈ নিবিদা জাননী জাৰী কৰাৰ বাবে প্ৰয়োজনীয় অনুমোদনৰ ব্যৱস্থা নকৰিলে। মীন বিভাগে হেকৰা মীন পালনৰ নিবিদা জাননী জাৰী কৰাৰ ক্ষেত্ৰত গুৰুত্বাৰোপ নকৰাত অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। শীঘ্ৰে ৪৭ নং হেকৰা মীন পালনৰ নিবিদা জাৰী কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ অসম চৰকাৰৰ মীন বিভাগৰ লগতে জিলাখনৰ নৱনিযুক্ত উপায়ুক্তক দাবী জনাইছে ৰাইজে।

# চাপৰ সোণামুখী হিন্দুস্তান পেট্ৰ'লিয়ামত ভয়ংকৰ কাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ৩০ জুলাই ঃ** চাপৰৰ সোনামুখীস্থিত হিন্দুস্তান পেট্ৰ'লিয়ামৰ পাম্পত সংঘটিত হৈছে নাভূত-নাশ্ৰুত ঘটনা। পেট্ৰল, ডিজেলৰ পৰিৱৰ্তে পানী ওলোৱাৰ অভিযোগ। সোনামুখীৰ এইটো হিন্দুস্তান পেট্ৰ'লিয়ামত পানী ওলোৱা আৰু গ্ৰাহকক হিচাপত তেল কম দিয়াৰ অভিযোগ এয়াই নতুন নহয়। বৃহস্পতিবাৰে পুৱা এগৰাকী স্থানীয় ব্যক্তিয়ে তেওঁৰ এএছ ১৭ চি ০৩০৫ নম্বৰৰ মালবাহী গাড়ীত প্ৰায় ৩৬০০ টকাৰ তেল ভৰাই কিছু দূৰ যোৱাৰ পিছতেই গাড়ী বন্ধ হৈ যায়। পিছত ব্যক্তিজনে গেৰেজৰ কৰ্মচাৰীক মাতি লৈ বহু চেষ্টাৰ অন্তত গাড়ীখনৰ টেঙ্কীত তেলৰ পৰিৱৰ্তে পানী থকাৰ কথা গম পায়। তাৰ পিছতেই পেট্ৰ'ল পাম্পটোত সৃষ্টি হয় উত্তপ্ত পৰিস্থিতি। খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় শালকোচা আৰক্ষী। পেট্ৰল পাম্পটোৰ এনে কৰ্ম কাণ্ডক লৈ জাঙুৰ খাই উঠিছে দল-সংগঠনৰ লগতে স্থানীয় ৰাইজ। অতি শীঘ্ৰে পেট্ৰল পাম্পটো ছীল কৰিবলৈ বিলাসীপাৰা মহকুমা প্ৰশাসন আৰু যোগান বিভাগক দাবী জনাইছে আমছু, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু স্থানীয় ৰাইজে।

# যোৰহাটত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ৩০ জুলাই ঃ** অসম চৰকাৰৰ কৃতজ্ঞতা আঁচনিৰ অধীনত স্থাপন কৰা পেঞ্চন সেৱা কেন্দ্ৰটো আজি যোৰহাট জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় চৌহদত উদ্বোধন কৰা হয়। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এগছি বন্তি প্ৰজ্বলন কৰি প্ৰৱেশদ্বাৰ মুকলি কৰে আৰু কেন্দ্ৰটিৰ জৰিয়তে পেঞ্চনাৰসকল বিশেষভাৱে উপকৃত হ'ব বুলি মন্তব্য কৰে। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে আদৰণি ভাষন প্ৰদান কৰা অনুষ্ঠানটিত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন ভৰালী, বিজেপিৰ সভাপতি হেমন্ত কলিতা, অতিৰিক্ত উপায়ুক্ত (শিক্ষা) কবিতা কাকতি কোঁৱৰ, জিলাখনৰ বহুসংখ্যক শিক্ষক শিক্ষয়িত্ৰীৰ লগতে শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# নাজিৰা মহকুমাত বিশেষ সংক্ষিপ্ত সংশোধনী ২০২৩ সন্দৰ্ভত সংবাদ মেল




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩০ জুলাই ঃ** আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত নাজিৰা ৰাজহ চক্ৰ বিষয়া ভানলাল লিম্পুইয়া নাম্পুইৰ অধ্যক্ষতাত ভাৰতৰ নিৰ্বাচনী আয়োগে জাৰি কৰা শেহতীয়া নিৰ্দেশনা তথা সংশোধনীসমূহৰ সন্দৰ্ভত এখনি সংবাদ মেল অনুষ্ঠিত কৰা হয়। নাজিৰাৰ নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠকে উক্ত সংবাদ মেলত ভাৰতীয় নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাত নতুন ভোটাৰ সকলক অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা বিশেষ পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। উল্লেখযোগ্য যে পূৰ্বতে বছৰৰ ১ জানুৱাৰীত ১৮ বছৰ হোৱা ব্যক্তি সকলেহে ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব পাৰিছিল কিন্তু শেহতীয়া নিৰ্দেশনা অনুসৰি আগন্তুক বছৰৰ ১ জানুৱাৰীৰ উপৰিও ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰৰ ভিতৰত ১৮ বছৰ হোৱা যিকোনো ব্যক্তিয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰ-পত্ৰ নং ৬ৰ যোগেদি আগতীয়াকৈ আবেদন দাখিল কৰিব পাৰিব। লগতে ১৭ বছৰ উৰ্ধৰ যুৱক-যুৱতীসকলেও এতিয়া ভোটাৰ তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে আগতীয়াকৈ আবেদন কৰিব পাৰিব। তদুপৰি প্ৰ-পত্ৰ নং ৭, ৮ৰ জৰিয়তে ভোটাৰ সকলে ক্ৰমে নিজৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন, যাৱতীয় তথ্য সমূহ শুধৰণি কৰিব পাৰিব। আনহাতে ভোটাৰ কাৰ্ডৰ লগত আধাৰ সংযুক্ত কৰিবৰ বাবে প্ৰ-পত্ৰ নং ৬বি(6B) নতুনকৈ প্ৰৱৰ্তন কৰা হৈছে বুলি নিৰ্বাচনী বিষয়াই আজিৰ সংবাদ মেলত উল্লেখ কৰে। অৱশ্যে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ আধাৰ লগত সংগযোজন কৰাটো সম্পূৰ্ণ স্বেচ্ছামূলক। বৰ্তমান ভোটাৰ তালিকাত নাম সন্নিবিষ্ট হৈ থকা ভোটাৰ সকলৰ আধাৰ নম্বৰ সংগ্ৰহৰ বাবে ১ আগষ্ট ২০২২ তাৰিখৰ পৰা এক অভিযান আৰম্ভ কৰা হব। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ভোটাৰ সকলৰ পৰিচয় সঠিকভাৱে প্ৰতিষ্ঠা কৰা আৰু ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে কৰা আবেদনসমূহৰ সত্যতা নিৰূপণ কৰা। ভোটাৰসকলে ভোটাৰ হেল্পলাইন এপ আৰু এন.ভি.এছ.পি পৰ্টেলৰ জৰিয়তে অথবা বি.এল.অ'ৰ জৰিয়তে উপৰোক্ত প্ৰ পত্ৰৰ যোগেদি নিজৰ আবেদনসমূহ দাখিল কৰিব পাৰিব। তেওঁ কয় যে, আয়োগে পঞ্জীয়ন প্ৰ-পত্ৰসমূহ অধিক ব্যৱহাৰকাৰী অনুকূল আৰু সহজ কৰি তুলিছে। নতুনকৈ সংশোধিত প্ৰ-পত্ৰসমূহ ১ আগষ্ট, ২০২২ তাৰিখৰ পৰা উপলব্ধ হ'ব। উল্লেখ্য যে ৯ নৱেম্বৰ ২০২২ তাৰিখে সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ পাব। ৯ নৱেম্বৰ ২০২২ ৰ পৰা ৮ ডিচেম্বৰ ২০২২ লৈকে ওজৰ আপত্তি দাখিল কৰিব পাৰিব। ওজৰ আপত্তি দাখিলৰ নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰতে ভোটাৰ তালিকা সন্দৰ্ভত বিশেষ অভিযান চলোৱা হব। ২৬ ডিচেম্বৰ ২০২২ ৰ ভিতৰত সকলো ওজৰ আপত্তি নিষ্পত্তি কৰা হ'ব আৰু ৫ জানুৱাৰী ২০২৩ তাৰিখে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব।

# নগাঁৱত পুনৰ চিলনী চোৰৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩০ জুলাই ঃ** নগাঁও চহৰত পুনৰ সক্ৰিয় হৈ পৰিছে চিলনী চোৰ। আজি দিনদুপৰতে চহৰখনত এগৰাকী বৃদ্ধা মহিলাৰ ডিঙিৰ পৰা চিলনী চোৰে কাঢ়ি লৈ যায় সোণৰ চেইন। আনহাতে বৃদ্ধা গৰাকীৰ ডিঙিৰ পৰা চেইনডাল চিলনী চোৰে থপিয়াই লৈ যায় যদিও এটা টুকুৰা বৃদ্ধাগৰাকীৰ ডিঙিত থাকি যায়। জানিব পৰা মতে নগাঁও চহৰৰ সতী ৰাধিকা পথত জোৎস্না নাথ নামৰ বৃদ্ধা মহিলা গৰাকীয়ে ওচৰ চুবুৰীয়া এজন লোকৰ লগত পথৰ দাঁতিত ৰৈ কথাপাতি থকা অৱস্থাত এ টি ৰোড দিশৰ পৰা দ্ৰুতগতিত এখন পালচাৰ বাইকত অহা দুজনীয়া দুৰ্বৃত্তই বৃদ্ধাগৰাকীৰ ডিঙিৰ চেইনডাল কাঢ়ি লৈ যায়। আনহাতে দুৰ্বৃত্তৰ এনে আকস্মিক কাণ্ডত মহিলাগৰাকীয় বিব্ৰত হৈ পৰে।



## NOTICE FOR AUCTION

No. AF(E) 204/2021-22/ 6375-79

The Director of Fisheries, Assam, Guwahati invites sealed quotation from interested person/ party in plain paper affixing non refundable court fee stamp of Rs. 8.25(Rupees Eight and paisa twenty five) only for the auction of scrap materials available at the office of the Director of Fisheries, Assam, Guwahati on "as is where is basis". Details of the said scrap materials may be obtained from the office of the undersigned during office hours. The last date of submission of quotation at the office of the undersigned is 23rdAug, 2022 up to 12.00 noon. p.m. The quotation will be opened on the same day at 12.30 pm where the bidders or their authorized representative may be present.

| SL | Name of work | Approximate value of scrap |
|---|---|---|
| 1 | Auction of scrap materials available at the office of the Director of Fisheries, Assam, Guwahati on "as is where is basis" | Rs. 71,490.00 |

If the date of opening of quotation happens to be a holiday or if it is not possible to open quotation on the stipulated date due to any unforeseen reason, then the next working day will be considered as the date for opening of quotation.

**Terms and conditions:**

1. No quotation will be valid without the court fee stamp and bidder's address& contact number.
2. The quotationer has to submit the following:
   (i) 1 copy of Passport photo of the bidder
   (ii) copy of PAN card
   (iii) copy of GST Registration
3. The Condemnation Board will reserve the right to accept any or to reject all quotations without assigning anyreason thereof and also not bind himself to accept the highest bidder.
4. The scrap materials will be available for inspection during office hours from 3rdAug, 2022 to 23rdAug, 2022 at the office of the Director of Fisheries, Assam, Guwahati.
5. The scrap materials will be sold on "as is where basis is". The auction process will be conducted in presence of the Condemnation Board.
6. The successful bidder has to deposit the bid amount by in the form of Bank Draft/Bankers Cheque in favour of "The Director of Fisheries, Assam, Guwahati" payable at Guwahati only to the undersigned before issuance of formal order to lift the scrap materials. The bid amount is excluding GST, hence the GST is to be paid by the recipient of the scraps as per the rates applicableat the time of submission of the bid amount.
7. The scrap materials will be disposed off on "as is where basis" and no guarantee for its worthiness or quality will be given by this department.
8. The auctioned scrap materials will be removed by the successful bidder within 7(seven) working days of depositing the bid amount, at their own expenses making good to any damage made to the office& campus if any.

Sd/-
Director of Fisheries
Assam, Guwahati

Janasanyog /C/7381/22



ৰুচিৰ ৰঞ্জন গগৈ, শিৱসাগৰ

## শিশু গল্প...



# একুৰিয়ামৰ মাছ

■ টুনমণি বৰদলৈ

আকুলে নিচেই পুৱাতে শুই উঠি ককাকৰ লগত প্ৰাতঃ ভ্ৰমণ কৰিবলৈ যায়। আগৰাতি বৰষুণ বেছিকৈ দিয়াৰ বাবে পুখুৰীত পানী উপচি পৰাৰ উপৰিও সিহঁতৰ পদূলিটো চপচপিয়া পানীৰে বুৰাই পেলালে। সি মন কৰিলে পানীখিনিত যেন কিহবাই লৰাই কিবা এটা আগবাঢ়ি যেন গৈ আছে। দীঘল পেন্টটো অলপ কোচাই সি পানী ফালি এখুজি দুখুজিকৈ আগবাঢ়ি গ'ল আৰু তত্ক্ষণাৎ থাপ মাৰি মাছ এটা ধৰি সি চিঞৰি চিঞৰি গাবলৈ ধৰিলে -

“নাৰ, বাত, পাভ মাছ
আৰু এটা কাঁচ
বাৰ টকাত কিনি আনি
কিয় বাৰু নাচ।”

আকুলে আনন্দতে নাচি নাচি জপিয়াই জপিয়াই মাছটো হাতত লৈ ককাকৰ ওচৰ পালেহি -ককা, অ' ককা, চোৱাচোন এইটো কি ধৰিলোঁ।

অ' এইটো দেখোন মাছ আমাৰ পুখুৰীৰ পৰা ওলাই আহিছে নিশ্চয়। তুমি এইখিনিতে ৰোৱা, মই ডাঙৰ পাত্ৰ এটা লৈ আনো তাতে জীয়াই থব লাগিব।

ককাকে পিছফালৰ পৰা পানীৰে সৈতে আনি দিয়া বাচনটোত মাছটো এৰি দিয়াৰ লগে লগে মাছটোৰে সাঁতুৰিবলৈ ধৰিলে। সি মাছটোৰ বাবে বিস্কুটৰ গুৰি, আটাৰ লাডু, খলিহৈ আদি বিভিন্ন খোৱা বস্তু পানীত অকণ অকণ কৈ ছটিয়াই দিলেহি। ঘাঁহ কেইডালমানো চিঙি আনি মাছটোক খাবলৈ দিলে।

আকুলে ককাকক সুধিলে - ককা, মাছে পানীত কেনেকৈ সাঁতুৰি থাকে?

ককাকে ক'লে -মাছে পানীত মাছৰ ফানৰ সহায়ত সাঁতুৰি থাকে আৰু পানীত দেহৰ ভাৰসাম্য বজাই ৰাখিব পাৰে। সিহঁতে ফুলৰ সহায়ত উশাহ নিশাহ লৈ জীয়াই থাকে।

পিছে ককা, মাছবোৰে পানীত কেনেকৈ টোপনি যায়?- আকুলে পুনৰ ককাকক সুধিলে।

ককাকে ক'লে - তুমি মন কৰিছা নিশ্চয়, আমাৰ নিচিনাকৈ মাছৰ চকুৰ পতা নাথাকে। মাছৰ যেতিয়া ভাগৰ লাগে তেতিয়া মাছটো একে ঠাইতে ৰৈ ভাগৰ পলোৱায় আৰু সেই সময়তে মাছে চকু দুটাক জীৰণি দিয়ে বা টোপনি যায়। মাছৰ চকুৰ বিশেষত্ব হ'ল মাছৰ দুয়োটা চকুৱে একে সময়তে সকলোফালে চাব পাৰে অৰ্থাৎ ওপৰ বা তললৈ , আগলৈ বা কাষলৈ একেলগে চাব পাৰে। আমি কিন্তু দুয়োটা চকুৰে এটা নিৰ্দিষ্ট বস্তুহে চাব পাৰোঁ নহয়নে বাৰু।

ওম হয় ককা, পিছে মাছ খালে আমাৰ কি কি লাভ হয়।

মাছ খালে চকুৰ দৃষ্টিশক্তি অটুট থাকে, স্মৃতি শক্তি বৃদ্ধি হয়, শৰীৰৰ গঠনত সহায় কৰে, হৃদয় আৰু ধমনী সমূহ শক্তিশালী কৰি তোলে।মাছত থকা অমেগা-৩, ফেটি এচিদে আমাৰ শৰীৰটো শক্তিশালী কৰি ৰাখে, সেয়ে আমি মাছ খাব লাগে।

ককা, এই মাছটো একুৱাৰিয়াম এটাত সজাই থব পাৰিম নহয়নে বাৰু?

একুৱাৰিয়ামত সজাই থোৱাৰ কথাটো চিন্তা কৰাৰ আগতে শুনাচোন, আজি কালি সৌন্দৰ্য বৰ্ধনৰ বাবে একুৱাৰিয়ামত আলংকাৰিক মাছ সজাই ৰখা তুমি মন কৰিছা নিশ্চয়। ইয়াৰোপৰি ধৰ্মীয় চিহ্ন, কলা, চলচ্চিত্ৰ আৰু কিতাপতো মাছৰ বিষয়ে অধ্যয়ন কৰিব পাৰি গম পাইছানে নাই। এষাৰ কথা আছে - “ মাছৰ সোৱাদ ৰৌযআঞ্জাৰ সোৱাদ ঔ।”

তাৰমানে ৰৌ মাছৰ সোৱাদ আটাইতকৈ ভাল লগা নহয়নে ককা।

ওম হয় আকুল।

পিছে ঔ ৰ কথাটো অলপ বুজাই দিয়াচোন ককা।

ঔ টেঙা দি মাছৰ আঞ্জা ৰান্ধিলে বৰ সোৱাদ লগা হয় আকুল সেয়ে তেনেকৈয়ে কয়। ঔ টেঙাৰো আকৌ বহুতো গুণ থাকে।

কি কি গুণ থাকে ককা?

ঔ টেঙাত থকা প্ৰ'টিন, ভিটামিন, আঁহে আমাৰ শৌচ খোলোচা কৰে। ঔ টেঙাৰ বীজল আৰু কোমল কুঁহি পাতেৰে চুলি ধোলে চুলি ভালে থাকে। ইয়াৰোপৰি কাতি বিহুত কৃষকে ঔ টেঙাৰ বখলাত বন্তি জ্বলাই পথাৰত দি পথাৰত থকা শস্যক পোক পৰুৱাৰ পৰা ৰক্ষা কৰে। হাতীৰ প্ৰিয় খাদ্য হৈছে ঔ টেঙা সেয়ে ঔ টেঙাক হাতী-আপেল অৰ্থাৎ ইংৰাজীত elephant-apple বুলি কয়।

আকুলে মাছ থকা বাচনটোত চাই থাকোতেই মাছটোৱে খলিহৈ গুড়ি, বিস্কুটৰ টুকুৰা খাবলৈ ধৰিলে তাৰ হিয়াত আনন্দই ঠাই নধৰা হ'ল। আনকি মাছটোৰ নাচোন-বাগোন চাই আত্মহাৰা হৈ পৰিল।

ককাকে আকুলক মূৰত হাত বুলাই ক'লে - চোৱা আকুল বাঢ়নী পানীৰ মাছ ধৰি আনি খাব নাপায় গম পাইছানে। যোৱা মাছটো এতিয়া এৰি দিয়াগৈ।

ককা, মাছটো নাখাওঁ বাৰু কিন্তু একুৱাৰিয়ামত সজাই থোৱাৰ দৰে সজাই থম। পিছে ককা, তুমি যে ক'লা বাঢ়নি পানীৰ মাছ খাব নাপায় কিয় ককা? - আকুলে আচৰিত হৈ সুধিলে।

ককাকে ক'লে -এই সময়ত মাছে কণী পাৰি বংশ বৃদ্ধি কৰে, আমি যদি এই সময়ত মাছ ধৰি খাওঁ, মাছৰ সংখ্যা দিনক দিনে কমি যাব, যাৰ ফলত মূল্য বৃদ্ধি হ'ব। সেয়ে আমি এই ক্ষেত্ৰত সচেতন হ'ব লাগিব। এটা কথা ভাবাচোন, তোমাক যদি ঘৰৰ কোঠা এটাত খোৱা বস্তু দি ভৰাই থৈ দিয়ে তোমাৰ বাৰু কেনেকুৱা লাগিব অনুভৱ কৰাচোন, একুৱাৰিয়ামত ভৰাই থোৱা বন্দী মাছটোৰ দৰে লাগিব নহয়নে বাৰু।

অ' ককা, তুমি ঠিকেই কৈছা একুৱাৰিয়ামত বন্দী কৰি ৰখা মাছবোৰে কিমান কষ্ট পায় মই আজিহে অনুভৱ কৰিব পাৰিছো। সজাত বন্দী কৰি ৰখা চৰাইবোৰেও তাৰমানে বহু কষ্ট পায় নহয়নে ককা। অকল খোৱা বোৱাই জীৱন নহয়, জীয়াই থাকিবলৈ স্বাধীনতাৰো প্ৰয়োজন। মই এতিয়া মাছটো এৰি থৈ আহোগৈ দেই ককা বুলি আকুলে মাছটো পানীত এৰি দিবলৈ দৌৰ মাৰিলে।

**ফোন ঃ ৯৯৫৪৬৪৮০২২**

---

সাধু

# মিছা কথাৰ ঠেং চুটি

■ **মোহাইমিনুৰ ৰহমান**

জেঁতুকীৰ চকুত চকুপানী। গৃহস্থই বাৰু তাইক এনেকৈ ঠগিব লাগেনে। মাক হোৱাৰ আনন্দতে উমনিত বহোতেও কণীকেইটা আলফুলে ৰাখিছিল। যাতে এটাও কণী নষ্ট নহয়, এটাও কণীৰ পৰা পোৱালি নোহোৱাকৈ নাথাকে। কিন্তু এতিয়া পোৱালিকেইটা ডাঙৰ হোৱাতহে গম পালে আচলতে সেইবোৰ তাইৰ কণী নাছিল হাঁহৰহে কণী। তথাপি পোৱালিকেইটাই যিহেতু মা বুলি মাতিছে। গতিকে তাই সিহঁতক কেতিয়াও মৰমৰ পৰা বঞ্চিত হ'বলৈ নিদিয়ে। সদায় মাকৰ দায়িত্ব পালন কৰি যাব। দিনৰ দিনটো তাই পোৱালিকেইটাৰ লগতে ব্যস্ত থাকে। সিহঁতে পুখুৰীত খেলি থাকে আৰু তাই পাৰত বহিসিহঁতৰ মৰমলগা মুখকেইখনলৈ চাই থাকে। পোৱালীকেইটাৰ মাজত মুনমুনি নামেৰে এটি বহুত ধুনীয়া আৰু মৰমলগা পোৱালি আছিল। তাই বহুত দুষ্ট, চঞ্চল যদিও জেতুকীৰ বহুত মৰমৰ।

এদিন পুখুৰীত সাঁতুৰি থাকোতে মুনমুনিয়ে মাকক সুধিলে - মা অকণমান দূৰত যে নদীখন আছে আমি তাত সাঁতুৰিব যাব পাৰিমনে?

নাই বাছা। তোমালোক এতিয়া সৰু আছা। নদীত সাঁতুৰিব গলে তাত থকা ডাঙৰ ডাঙৰ মাছবোৰে তোমালোকক খাই পেলাব। ডাঙৰ হ'লে যাবা দিয়া।

মাকে মানা কৰিলে যদিও মুনমুনিৰ মনটোৱে নামানিলে। তাইৰ নদীত সাঁতুৰিব বৰ ইচ্ছা। ৰাতি শোৱাৰ সময়তো তাই সেইটোৱে ভাবি থাকিলে।

পিছদিনা ৰাতিপুৱা সকলোৱে উঠি পুখুৰীত সাতুৰিব যাবলৈ সাজু হ'ল। কিন্তু মুনমুনি শুইয়ে থাকিলে। তাকে দেখি মাকে মাত লগালে- মুনমুনি বাছা উঠা। পুখুৰীত সাঁতুৰিব যাব সময় হ'ল।

মা মোৰ আজি টোপনিয়ে লাগি আছে। লগতে গা বেয়া। তোমালোক যোৱা। মই ঘৰতে শুই থাকিম।

ঠিক আছে বাছা। মই তোমালৈ খোৱা বস্তু থৈ যাম। তুমি শুই উঠি খাবা।

হ'ব মা। মই শুই উঠি খাম।

সকলোৱে পুখুৰীত সাতুৰিবলৈ যোৱাৰ পিছত মুনমুনিয়ে লাহেকৈ শোৱাৰ পৰা উঠিলে আৰু কোনেও নেদেখাকৈ বনৰ আঁৰে আঁৰে নদীলৈ বুলি ৰাওনা হ'ল।

নদীখন পাই মুনমুনিৰ বহুত স্ফূৰ্তি লাগিল আৰু অকলে অকলে নানা ধৰণৰ খেল খেলি সাঁতুৰিবলৈ ধৰিলে। সাঁতুৰি থাকোতে দেখিলে প্ৰকাণ্ড বৰালি মাছ এটাই তাইক খাবলৈ মুখ মেলি আহিছে। মাছটো দেখি তাইৰ বহুত ভয় লাগিল আৰু কোনো মতে সাঁতুৰি পাৰলৈ আহি মা মা বুলি চিঞৰিবলৈ ধৰিলে। তাই দেখিলে ঘৰলৈ যাব পাৰি নদীটোৰ ওলোটা ফালৈলহে তাই আহিছে। যিটো ফালে তাইৰ ঘৰ নহয়। ঘৰলৈ যাবলৈ হ'লে আকৌ নদীখন পাৰ হ'ব লাগিব। যিটো তাইৰ বাবে এতিয়া সম্ভৱ নহয়। কাৰণ সাঁতুৰি সাঁতুৰি তাইৰ বহুত ভাগৰ লাগিছে লগতে অচিনাকি ঠাই দেখি ভয়তে কান্দোনো ওলাইছে।

এইপিনে জেতুকীয়ে ঘৰলৈ আহি মুনমুনিক নেদেখি পাগলৰ দৰে হ'ল আৰু চাৰিওফালে বিচাৰিবলৈ ধৰিলে। বিচাৰি বিচাৰি অৱশেষত তাই গৈ নদীখনৰ ওচৰ পালে আৰু নদীখনৰ সিটো পাৰৰ পৰা মুনমুনিৰ কান্দোনৰ শব্দ শুনিবলৈ পালে।

মুনমুনিৰ কান্দোন শুনি জেতুকীৰ হিয়া থানবান হৈ গ'ল আৰু মুনমুনিক উদ্দেশ্যি ক'লে- বাছা নাকান্দিবা। মই আহিছো নহয়। মই তোমাক ঘৰলৈ লৈ যাম।

মাকৰ মাত শুনি মুনমুনিয়ে মা মা বুলি চিঞৰিবলৈ ধৰিলে।

মুনমুনিৰ মাত নদীখনৰ ওচৰৰ হাবিতে থকা চিলনীজনীয়েও শুনিলে আৰু তাইক অকলে দেখি ধৰিবলৈ চোঁচা ললে।

চিলনীজনীক দেখা পাই মুনমুনিৰ অণ্ঠকণ্ঠ শুকাই গ'ল আৰু নদীৰ পাৰে পাৰে দৌৰিবলৈ ধৰিলে।।

জেতুকীয়ে চকুৰ সন্মুখত নিজ সন্তানক এনেকুৱা অৱস্থাত দেখি উধাতু খাই ততাতোয়াকৈ নদীখন পাৰ হ'ল আৰু চিলনীজনীৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। জেতুকীৰ উগ্ৰমূৰ্তি দেখি চিলনীজনীয়েও ভয়ত পলাই পত্ৰং দিলে। চিলনীজনী যোৱাৰ পিছত মুনমুনিয়ে মাকৰ বুকুৰ মাজত সোমাই কান্দিবলৈ ধৰিলে। বাছা নাকান্দিবা। এতিয়া বুজিলানে মই তোমাক নদীত সাঁতুৰিব আহিবলৈ কিয় মানা কৰো। গতিকে সদায় ডাঙৰৰ কথা শুনিবা আৰু এটা কথা সদায় মনত ৰাখিবা মিছা কথাৰ ঠেং ছুটি। মিছা ক'লে এদিন নহয় এদিন ধৰাত পৰিবায়ে লগতে বিপদো হ'ব।

মা মই আজিৰ পৰা কেতিয়াও মিছা কথা নকওঁ আৰু এনেকুৱা ভুল নকৰো।

ঠিক আছে বাছা। ব'লা এতিয়া আমি ঘৰলৈ যাওঁ। ঘৰৰ বাকীবোৰেও আমালৈ বুলি বাটচাই আছে।

মুনমুনিয়ে মাকৰ লগত নিশ্চিন্তমনে ঘৰলৈ বুলি ৰাওনা হ'ল। ঘৰ গৈ পোৱাত বাকীবোৰেও মুনমুনিক মৰম কৰিবলৈ ধৰিলে।

**ফোন ঃ ৮৩৯৯০৮২৭৮৫**





ধিয়া বৰ্মন, শ্ৰেণীঃ বিকাশ (বয়স-৪বছৰ), স্কুলঃ অসম একাডেমী নলবাৰী।



## ভেকুলা ককাইৰ বিলৈ

ভেকুলা ককাই আছিল লুকাই
দুৱাৰৰ চুকত বহি
পোক -পৰুৱা কোনোবা আহিলে
খাব হেনো তাক আহি।
তেনেতে এটি জেঠী আহি
পৰিলহি ভেকুলাৰ ফান্দত
আনন্দৰ কোবত উলাহে
নধৰা হ'ল যে তাৰ মনত।
ভেকুলাই মনে মনে জেঠীক
ধৰিবলৈ জপিয়াই গ'ল
জেঠীয়ে আকৌ এবাৰতে গৈ
বেৰত হে ওলমি ৰ'ল।
সেই সময়তে কাষতে আছিল
শুই এটি ঢোঁৰা সাপ
ভেকুলাক দেখি খাবলৈ
মাৰিলে দীঘল জাঁপ।
সাপে আহি পলকতে
ধৰিব খুজিলে তাক
জেঠীয়ে দেখা পায় ৰঙতে
মাৰিলে সাত পাক।
লোকলৈ বুলি ফান্দ পাতি ভেকুলা
নিজে সোমাল ফান্দত
মৰো-জিউ কৈ বেগাই আহি
লুকাল থাকিল চুকত।
ভেকুলাই বোলে এনেকুৱা ভুল
নকৰোঁ কেতিয়াও জীৱনত
বিপদ আহিলে সহায় কৰি
দিম সুখ সকলোকে মনত।

■ **ঝৰ্ণালী শৰ্মা বৰকটকী**
ফোন ঃ ৯১০১৮৬০৩৫৯

## উৰণীয়া মৌ



উৰণীয়া মৌ!
তোমাৰ বুকুৰ মৌ দিয়ানা,
পাতল দেহাটিত পাতল পাখি বান্ধি
বতাহৰ স'তে কিনো গীত গোৱা
বাৰে বাৰে
উৰি উৰি
ক'তনো যোৱা,

ফুলৰ বুকুত সোমাই
ৰেণুৰ স'তে কিনো কথা পাতা
নে
মিঠা মিঠা সপোন ৰচা,

উৰণীয়া মৌ
তোমাৰ বুকুৰ মৌ দিয়ানা।

■ **বন্দনা মহন্ত**



## ওমলা পদ্য

চিক্ মিক্ চিক্ মিক্
বিজুলী আকাশৰ।
আমাৰ বগলী বাইটিয়ে
নাখায় বোলে মিঠৈ সবাহৰ।।

হুৰ্ হুৰ্ হুৰ্
পৰে বৰষুণ।
বগলী বাইটিয়ে দেখে
মাছ খোৱাৰ সপোন।।

গুৰুম - গাৰাম কৈ
গাজে আকাশে।
অধিক মাছত আমাৰ বাইটি
কণা হয় বোলে।।

কণা বাইটিৰ কাষেৰেই
পাৰ হৈ গ'ল মাছ।
সবাহলৈ নোযোৱা
বগলীয়ে পালে বোলে লাজ।।

■ **গায়ত্ৰী দেৱী বৰঠাকুৰ**
ফোন ঃ ৮৮২২৯৪৩০৬৪



আয়ুস্মান শৰণীয়া, প্ৰথম শ্ৰেণী, মহৰ্ষী বিদ্যা মন্দিৰ হায়াৰ ছেকেণ্ডাৰী স্কুল, বৰসজাই

## গছ

গছেই দিয়ে আমাক অক্সিজেন
গছেই আমাৰ প্ৰাণ
গছ অবিহনে এইজগতত—
নাথাকে জীৱ আন।
গছে দিয়ে ফলমূল
আমাক
গছে দিয়ে চা,
ঘামি জামি গৰমত বহো
দিয়ে মলয়াৰ- বা।
গছ ৰুই কৰিম
আমি সংৰক্ষণ
কৰিম প্ৰদুষণ ৰোধ
বিশ্বত শান্তিৰ পৰিবেশ গঢ়িম
গছক কৰিম মোহ।

■ **জুৰি শৰ্মা ডেকা**

গল্প

## নেপথ্যত

চুবুৰিটোত ৰাজু নামৰ দহ বছৰীয়া পিতৃহাৰা শিশুটিক মাকে অকলশৰে সদায়ে এৰি থৈ বেলেগৰ ঘৰলৈ কাম কৰিবলৈ যোৱা অৱস্থাত ৰাজুৱে ওচৰৰ মানুহৰ ঘৰে ঘৰে দা-কটাৰি, চকী-বাছন য'তে যি পায় চুৰি কৰি আনি ভগা-ছিগাক বিক্ৰী কৰি পেটৰ ভোক নিবাৰণ কৰে। এনে কাৰ্যৰ বাবে তাক গাঁৱৰ কেইজনমান মানুহে ধৰি আনি কঁঠাল গছত বান্ধি উধাই-মুধাই কোবাই থকা দেখি ৰুমীৰ নাৰী মনে হাহাকাৰ কৰি উঠে। লগে লগে ৰাজুক মুক্ত কৰি আনি ৰুমীয়ে সেই দিনাৰ পৰা নিজৰ সন্তান দুটাৰ দৰে তাৰ খোৱা-বোৱাৰ কিছু চকু দিয়াৰ উপৰিও গান ভালপোৱা অকলশৰীয়া ৰাজুক পুৰণা হাৰমনিয়ামটো দি ব্যস্ততাত ৰাখি হ'লেও মৰমেৰে উদ্‌গনি যোগাই আহিল। ৰাজুৰ পৰিৱৰ্তনত সমাজখনৰ অশান্তি দূৰ হ'ল।

আজি হঠাৎ—
বৰমা, বৰমা
ৰাজুৰ চিঞৰত ৰুমী ওলাই আহিল।
ঃ কি হ'ল?
ঃ মই জিলাৰ ভিতৰত বৃত্তি পৰীক্ষাত প্ৰথম স্থান পাইছোঁ।
ঃ হা ???
ৰুমীয়ে তাক বুকুৰ মাজলৈ টানি আনি হুক হুকাই কান্দি দিলে। এয়া যে আনন্দৰ চকুপানী।

■ **জুৰি শৰ্মা ডেকা**



চুইটি মহন্ত, ষষ্ঠ শ্ৰেণী, ডন বস্ক' হায়াৰ ছেকেণ্ডাৰী স্কুল, চিৰাজুলি (শোণিতপুৰ)

## নোকোৱাখিনি

■ হিমাংশু পাঠক

কেতিয়াবা ক'ব খুজিছানে নোকোৱাখিনি
যিখিনি ক'লে হয়তো বাঢ়ে হেঁপাহৰ পৰিধি
হেঁপাহবোৰ জী উঠে পূবৰ সুৰুজৰ দৰে।

নোকোৱাখিনিয়ে কেতিয়াবা বিচাৰি যায়
নৈপৰীয়া সুৰুযৰ হৃদয়ৰ মৌন ভাষা
মৌনতাৰ কোঠাত বহি কৰে
নোকোৱাখিনিৰ হিচাপ নিকাচ
হেঁপাহবোৰ জী উঠি ক'ব খোজে
নোকোৱাখিনি
ফুলবোৰে খেলিব খোজে ভোমোৰাৰ লগত
চকুৰে কথা ক'ব খোজে হৃদয়ৰ লগত

নোকোৱাখিনিয়ে কৰিব বিচাৰে হৃদয়ত
এভুমুকি মাৰি জনাই দিয়াৰ
লাজুকী প্ৰয়াস।

নোকোৱাখিনিতো যে থাকে ভালপোৱাৰ
অদম্য স্পৃহা।
নোকোৱাখিনি সহজতে ক'ব পৰাহেঁতেন
ভালপোৱাখিনিক সজাই পৰাই থলোহেঁতেন
ক'বলৈ
কিমান ভালপোৱা থাকিলে

আলফুলে ৰাখি থ'ব পাৰি
আৰু কৈ দিব পাৰি
হৃদয়খন তোমাৰেই বুলি
নোকোৱাখিনিৰ মাজেৰেই।

ফোন ঃ ৮৬৩৮৬৭৩৪৮০

## মই তোৰ কণ্ঠস্বৰৰ প্ৰেমত পৰিছোঁ

■ ঐজ্যোতি চুতীয়া

তোৰ কণ্ঠস্বৰ শুনিলে
শুনি থাকিব মন যায় মোৰ
ইমান সুললিত
মাথোঁ ময়েই নহয়
মোৰ দৰে হয়তো আৰু বহু শ্ৰোতাই
তোৰ কণ্ঠস্বৰৰ প্ৰেমত পৰিছে
হীৰুদাৰ কবিতাৰ পৰা
সৌ সিদিনা প্ৰয়াতৰ কবি সংগীতালৈকে
কাৰ কবিতা আবৃত্তি কৰা নাই তই
কবি দেৱকান্ত বৰুৱাৰ
সাগৰ দেখিছা কবিতাটো
তোৰ কণ্ঠত শুনিছোঁ
শিয়ৰি উঠিছিলোঁ মই
ঐনিতম, গজল, বিয়ানাম
কি শুনা নাই মই তোৰ কণ্ঠত
জ্যোতি, ৰাভা, ভূপেন্দ্ৰ সংগীত আওৱায়ো
জোৰাৰ তুলি থৈছ তই মোৰ বুকুত
তই গোৱা বিহু গীত ফাঁকি শুনিলে
আজিও এপাক নাচিব মন যায় মোৰ
এদিন নাটকৰ সংলাপ এটি শুনিও
অভিভূত হৈ পৰিছিলোঁ মই
ঘোষা ফাঁকি শুনিব দিনা
হিয়াখন যে কেনেকৈ শাত পৰি গৈছিল
ভাবিলে এতিয়াও হেৰুৱা সপোনবোৰ
ঘূৰাই পোৱা দৰে লাগে
প্ৰাৰ্থনাটো শুনিতো
পৃথিৱীখনকে স্বৰ্গ দৰে লাগিছিল
সঁচাকৈ কৈছোঁ, তোৰ স্বৰচিতৰ
কবিতাকেইটা শুনিও
তোৰ কণ্ঠত একাকাৰ হৈ পৰিছিলোঁ মই
যি কণ্ঠস্বৰ শুনি শুনি
মোৰ হৃদয়তো এতিয়া
ন সপোন এটিয়ে ভুমুকি মাৰিছে
সেয়ে অনুনয়-বিনয় কৰি
ক'বলৈ মন গৈছে তোক
তোৰ সেই যাদুকৰী কণ্ঠৰে
এই অকবিৰ কবিতা এটাতো
হিয়া উজাৰি সুৰ ঢালিবলৈ
সময় অকণ উলিয়াব নোৱাৰিবিনে তই
মোৰ যে বৰ হেঁপাহ ঔ
হৃদয়ত খোদিত হৈ থকা
তোৰ সেই চিনাকি কণ্ঠটি
আকৌ এবাৰ শুনিবলৈ
মই যে তোৰ কণ্ঠস্বৰৰ প্ৰেমত পৰিছোঁ।

## আঁউসি ৰাতিৰ মালিতা

■ ৰাজু কলিতা

দুটি জীৱন
এসাগৰ ভালপোৱা
এডাল সেন্দুৰৰ সৰল ৰেখা
বিশ্বাসৰ জীৱনজোৰা পৰিকল্পনা।

বাৰে বাৰে উচুপি কন্দা
দুটি অপূৰ্ঠ কলিজা
হাঁহি কান্দোনৰ বাটেৰে
মিলনৰ সুদীৰ্ঘ যাত্ৰা।

এটি তৰা
হঠাতে জীৱনৰ সমাপ্তিৰ ঘোষণা,
মৃত্যুৰ দুৱাৰডলিত
আনটো জী থাকোতেই মৰা।

শেতেলীত অনিদ্ৰাৰ নিচা
খহি পৰে বুকুৰ আশা,
মাটিৰ চাকিৰ হালধীয়া পোহৰত
কঁপা কঁপা হাতেৰে কবিতা লিখা।

নিয়তীয়ে পিন্ধালে
দুখৰ চোলা
ভালপোৱাৰ সমাধিত এজাৰ হৈ ফুলা
আঁউসি নিশা, আঁউসি নিশা।

ফোন ঃ ৭০৮৬২ ৭৬৮৬০

## চাহ বাগানৰ এটা দুপৰীয়া

■ বিভাষ দেৱনাথ

চাহ বাগানৰ দুপৰীয়া এটাত
মই চাই ৰ'লোঁ
মৌন পাহাৰটোৰ ফালে,
বুকুত জিৰণি তাৰ শুভ্ৰ প্ৰেয়সীৰ
তাই আহিছে
ক্ষন্তেক জীৰাইছে
আৰু তাক সঙ্গীহীন কৰি আঁতৰিছে।

ন ন ৰূপে
তাই আহিছে আৰু গৈছে
নিগাজীকৈ তাই ৰৈ যাব খোজা নাই
চূড়াত লাগি তাৰ
তাইৰ ছাঁটো সাবটি
মাজে মাজে
কিমান যে বেদনা বিধুৰ সি।

আৰু
কেঁচাপতীয়া গোন্ধ এটাত
বিচাৰি পালোঁ মই
সেউজ কোমল মোক,
ৰ'দৰ চুমাত সেইদিনা
মই অনুভৱ কৰিলোঁ
নিঃসংগ মোক।

ফোন ঃ ৮০১১৪৩০৬৭৬

## দীপৰ বিল

■ হিমাংশু পাঠক

দীপৰ বিলৰ আবেলিত
বতাহৰ সুহুৰি বাজে
শান্তিৰ বতাহে মন প্ৰাণ ভৰাই তোলে
পানীবোৰে ঢৌ খেলি বাগৰি যায়
ৰ'দৰ তৰাবোৰ নামি আহে তাত সাতুৰে
চিক মিকি কাপোৰ এযোৰ গাত মেৰিয়াই
মাছবোৰে আনন্দত বাগুৰুম্বা নাচে
আলহি বিহঙ্গবোৰ জাকে জাকে আহি পাৰত জিৰণি
লয়
ইমান ধুনীয়া দীপৰ বিল
বহু দূৰ ডেউকা কোবাই আহি
ভাগৰুৱা হৈ মোক বিচাৰে
মনৰ দুখবোৰ যেন ক'বলৈহে আহে।
মানুহবোৰে বিলবোৰ পুতি কিয়নো ঘৰ সাজে—
ইমান ধুনীয়া দীপৰ বিল ধুনীয়া হৈ থাকক
দূৰ-দূৰণিৰ পৰা আমি আহো উৰি
মানুহে নিদিয়ে জিৰাবলৈ ঠাই এৰি
চৌপাশে ইমান মাটি
তথাপিও
পুতি হ'লেও খাল - বিল লাগে সিহঁতক মাটি
নিশা হ'লে চোৰাং চিকাৰীয়ে শুবলৈ নিদিয়ে
পিত পিতাই ঘূৰি ফুৰে আমাক বিচাৰি
নোৱাৰানে তোমালোকে সিহঁতক আঁতৰাই দিব?
মনৰ দুখবোৰ কৈ সিহঁতে যায়গৈ পুনৰ উভতি।

ফোন ঃ ৭০৮৬৪৩৭৮৭৬

## শাওণ

■ বিপুল শৰ্মা

শাওণৰ বৰষুণত তিতা পিতাই দেহত
জিলিকি উঠে আশাৰ মুকুতা
আইৰ হাতৰ পৰশত
পোৱালমণি, সোৱাগমণিৰ সজীৱতাৰ হাঁহি

শাওণৰ বৰষুণত তিতা তোমাৰ দেহাটোত
বোকামাটিৰ কেঁচা কেঁচা গোন্ধত
পুঠি, ডৰিকণাই খেলি ফুৰে পথাৰখনত

ঔটেঙা, ঢেকীয়া পুঠিমাছৰ জোলত
আই পিতাইৰ মুখত হাঁহি

তোমাৰ মোৰ মুখত
পকা কঁঠালৰ গোন্ধ

আজিৰ পৰা ত্ৰিছ বছৰৰ আগতে
তোমাৰ মোৰ দৰে
আইৰ পিতাইৰ মুখত
পকা কঁঠালৰ গোন্ধ

ফোন ঃ ৮০১১৫৯০৩৭৯

## কবিতা

■ নেত্ৰকমল সন্দিকৈ

ফাগুনৰ মলয়াত এৰি দিলোঁ
সোঁৱৰণীৰ এখিলা পাত।

আজি হৃদয়ত বলিছে
যুদ্ধভূমিৰ ধুমুহা

নিথৰ যৌৱনে
মনক সান্ত্বনা দিছে...

পাৰা যদি,
থিয় হৈ থাকা দুদিন
তোমাৰ আহিব সুদিন।

ফোন ঃ ৮০১১০৭০২৯০

## শাওণ

■ মনশ্ৰী হাজৰিকা

পলসুৱা ৰাতি এটিৰ বুকুত
পিতাইৰ সাঁচতীয়া সপোনৰ
টুকুৰা এটি নাচি ফুৰিছিল
জীৰ্ণ কোঠাটোৰে ইপাৰ সিপাৰ হৈ।

পুৱাৰ বোকোচাত
কপালৰ বঁকিয়াইদি ঘাম হৈ সৰিলহি
নাঙলৰ সীৱলুত।

ফোন ঃ ৬০০২০৫৩৪৭৭

## ভাবনা বিলাস

■ ধ্ৰুৱজ্যোতি শইকীয়া

'তোমাৰ দাঁতটি ডালিমৰ গুটি যেন কিনো
খামুচীয়া কঁকাল'

তোমাৰ বেৰীয়া দাঁতটো ধুনীয়া
ধুনীয়া বাবেই ৰ'দে জুই সিঁচে
আৰু
বুকুত ফুলে জুইফুল

নীলা চিলা হৈ আকাশ ভ্ৰমাৰ আগতে মই
ভবাই নাছিলোঁ কথাটো

ভাবনাত ভাহি ফুৰা মানুহবোৰ বেপৰোৱা
বতাহৰ দৰে অবাধ্য

ভাবনাৰ পুৰিয়াত এশোহা মাৰি
আধালিখা কবিতাটোৰ কথা ভাবি থাকোঁতে
বাঁহ পাতে গুণগুণালে
ফাগুনৰ স্বৰলিপি

ফাগুননো কি
উতনুৱা শিমলুৱে আকাশলৈ লিখা প্ৰেমৰ চিঠি

স্থিৰতা ক'ত
সকলো অস্থিৰ। উন্মাদ

অসহায়ৰ কান্ধত গুলি ফুটাই
দেশত চলিছে গণতন্ত্ৰ

পুৱা চাহ খালো আপোনাৰ স'তে
সন্ধিয়াৰ বাতৰিত আপোনাক দেখি খাব
নোৱাৰিলো ভাত

ঈশ্বৰ ক'ত ঈশ্বৰ

ভাবনাৰ ৰাগিত ভ্ৰমি ভ্ৰমি
গ'ল খেকাৰি এটা মাৰি
পুনৰ ওলালোহি তোমাৰ দাঁতটোত
আৰু তোমাৰ দাঁতটোতে মাৰিলোঁ কবিতাৰ
শেষৰডাল আঁচ।

ফোন ঃ ৯৯৫৪৫৫৭৮৮৬

## জন্মদিন

■ ৰাজ্জাক আলী

মাঘৰ সৰলতা,
ফাগুনৰ প্ৰেমভৰা মহানুভৱতাৰ পৰশ
ধৰণীলৈ পৰ্দাপণ কৰাৰ ক্ষণত...

জন্মদিন,
এটি বিশেষ দিন এটি জীৱনৰ,
পৃথিৱীখনত
অতিবাহিত কৰা এটা এটা বছৰ
বহু মূল্যৱান হৈ পৰে
যেতিয়া সেই জীৱন আত্মীয়তা পূৰ্ণ হয়
সামাজিক আৰু মহানুভৱতাপূৰ্ণ হয়।

প্ৰতিটো জন্মদিনৰ পৰা দায়িত্ব বাঢ়ে
নিজৰ বাবে, আত্মীয়ৰ বাবে, সমাজৰ বাবে,
কৰ্ম কৰি যোৱাৰ দায়িত্ব,
ভাৰসাম্য সমানত্বত ৰখাটো তীক্ষ্ণ নজৰ...

জীৱনৰ দাপোনত স্থায়ীকৈ প্ৰতিবিম্ব দেখাবলৈ চেষ্টা
কৰি থকা দুখ, অশান্তি, বিফলতা, অশুভতা ইত্যাদি
ছবিক
কণমাণো সুযোগ নিদিয়াৰ দায়িত্বও জীৱনৰে...

এটি জন্মদিন,
একমাত্ৰ এটি জীৱনৰ বাবে বিশেষ দিন হ'ব নোৱাৰে
সেয়া বহু জীৱনৰ বাবেও মূল্যৱান, আদৰ্শস্বৰূপ

সৰল-সাধাৰণ জীৱনো
মূল্যৱান হয়,
আদৰ্শৰ আৰু
সুন্দৰৰ হয়,
অযুত সম্পত্তি থকা জীৱন মূল্যৱান বা সুন্দৰৰ নহ'বও
পাৰে

সুন্দৰ তথা আদৰ্শৰ জীৱনলৈ
জন্মদিনৰ অযুত শুভকামনা ........

ফোন ঃ ৯৬৭৮১৫১৩২৭

## নিৰ্জনতা

■ মৃণাল কুমাৰ বৰা

নিৰ্জনতা এজোপা সেউজী গছ
তাৰ ছায়াত
এটা এটাকৈ দিনবোৰ পাৰ হৈ
গভীৰ হয় হৃদয়, দুচকুত ভাঁহে
চিৰন্তন হাবিয়াস

ৰ'দ পৰা টঙীঘৰত
ফিৰফিৰিয়া হৈ নাচে
গা-গছৰ মেথনি উজাই
বোকা মাটিত খোপনি পুতি বাট চাই
জীয়াই থকাৰ হেঁপাহত আদৰি ল'বলৈ

নিৰ্জনতাৰ প্ৰিয় শব্দই ৰিঙিয়াই মাতিলে
ঘন ঘন হয় উশাহ
আনন্দৰ আঙুলি তিৰবিৰাই
মুঠি মুঠি সপোন হৈ বতৰা আনে উজ্জ্বল দুপৰীয়াৰ

কেতিয়াবা লাজত জঁই পৰে স্পৰ্শ নকৰাকৈয়েও
নেচাও বুলিলেও কৰেহি আমনি
শিপাৰ সুগন্ধি বিচাৰি

উপহাস মুঠেও কাম্য নহয়,
কেঁচা পাতৰ ৰং সেউজীয়া
সময়ে বুজি পাবনে শেষ সত্য?

প্ৰিয় ৰং দেহত লগাবলৈকে
এতিয়া নিতৌ বগায় প্ৰতিটো ডালে ডালে
মাটিৰে গঢ়া অনুৰাগ।

ফোন ঃ ৯৮৬৪১৩৬৭০০

## বিৱৰ্তন

■ হিমাজ্যোতি তালুকদাৰ

(১)
ঢৌবোৰ আগৰ দৰে
ননচা হ'ল
কিন্তু নদীখন একে ঠাইতে আছে

(২)
শীতৰ শুভ্ৰতা
গ্ৰীষ্মৰ নীলা ক্ৰমান্বয়ে ম্লান হৈ পৰিছে
অথচ আকাশখন নিজৰ ঠাইতে আছে

(৩)
মূৰ হাত ভৰি একেই আছে
মানৱীয়তা ক্ৰমান্বয়ে হ্ৰাস হৈছে
অবয়বটো কিন্তু মানুহৰ দৰেই।

ফোন ঃ ৯৭০৬৬৮২০৩৪

## নতুন বছৰ

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

আৰবী বছৰ আহিল ঘূৰি
আকৌ ধৰাৰ মাজে,
আল্লাহ নামৰ তাকবীৰ ধ্বনি
সকলোৰে কাণত বাজে।

মহৰম মাহৰ চাঁদ উঠিছে
পশ্চিম আকাশত,
হাছান হুছাইন সুৰ
দিগ্বিজয়ী বতাহত।

আৰবী বৰ্ষৰ পয়গাম লৈ
নৱ প্ৰতিজ্ঞা কৰা,
ঈমানৰ সুৰত ইছলামী বাণী
আকৌ তুলি ধৰা।

নব্য এজিদসকলৰ ষড়যন্ত্ৰ
নস্যাৎ কৰি দিয়া,
আৰবী বৰ্ষত মহৰমৰ গজল
আকৌ সকলোৱে গোৱা।

ফোন ঃ ৯৯৫৭৩১০৪৩৬

## ৰাষ্ট্ৰই কেতিয়াও মানুহক মানুহ হ'বলৈ নকয়

■ নৱজিৎ দেউৰী

ৰাষ্ট্ৰই ক'লে- 'শুই থাক'
মই শুই পৰিলো নিশ্চিন্তে;
ৰাষ্ট্ৰই ক'লে- 'আকউ জাগা'
মই গালো জাগৰণ মন্ত্ৰ।

উৎসাহৰ আতিশয্যত
আকউ ৰাষ্ট্ৰই ক'লে- 'জুই হ'
তৎক্ষণাত বিকিৰণ কৰিলোঁ সূৰ্যৰ উত্তাপ;
এইবাৰ নমনীয় ৰাষ্ট্ৰ হৈ পৰিল ভীষণ কমনীয়,
শ্ৰান্ত মনে ক'লে- 'বৰফ হ'
মুহূৰ্ততে মই হৈ উঠিলো দুৰ্গম গ্লেচিয়াৰ।

এনেকৈয়ে এটা এটাকৈ
শীত, গ্ৰীষ্ম, বৰ্ষা, শৰৎ, বসন্তও হ'লোঁ;
কিন্তু মানুহ নহ'লোঁ।

ৰাষ্ট্ৰই কেতিয়াও মোক মানুহ হ'বলৈ নক'লে;
ৰাষ্ট্ৰই নিজেও জানো কেতিয়াবা আদৰ্শ মানুহ আছিল?
আচলতে ৰাষ্ট্ৰই কেতিয়াও মানুহক মানুহ হ'বলৈ নকয়।

## শাওণ

■ মোহাইমিনুৰ ৰহমান

শাওণমহীয়া প্ৰখৰ ৰ'দৰ উত্তাপে
দেহ পুৰি নিয়া কৃষকৰ
প্ৰতিটোপাল কেঁচা ঘামে
পথাৰত তুলিছেহি নতুনত্বৰ
জোৱাৰ

ৰোৱনীয়ে আলসুৱা হাতৰ
পৰশেৰে
গুজি দিয়া প্ৰতিটো গোছাত
খেতিয়কে বিচাৰি পাইছে
সপোন মুকলি কৰাৰ বাট।
যি সপোন জীয়াই থকাৰ
ভৱিষ্যৎ ভঁৰাল চহকী কৰি
দুখোজ আগুৱাই যোৱাৰ

শাওণ এক আবেগ
শাওণ এক উৎসৱ
সেউজীয়াৰ সুবাসেৰে
সকলোকে একত্ৰিত কৰি
মৰমৰ বীজ সিঁচি দিয়া
আশা ভৰসাৰ থল।

ফোন ঃ ৮৩৯৯০৮২৭৮৫

## শৈশৱ

■ সংকল্পজিৎ শইকীয়া

কৃষ্ণচূড়াৰ পাপৰি সৰা এই আলিবাটেদি
মোৰ শৈশৱে খোজ কাঢ়িছিল,
পখিলাৰঙী সপোন এটা বুকুত বান্ধি
আশাবোৰে বাট বুলিছিল।
ৰজনীগন্ধা ৰজনীৰ উমাল হেঁপাহবোৰ
জোনাকৰ বানত আইতাৰ সাধুকথাত
দুচকুত তৰা হৈ তিৰবিৰাইছিল।
জীৱন মানেই প্ৰাপ্তি
সপোনৰঙী আইৰ হাতৰ চাকি
ৰ'দৰঙী পিতাই কান্ধৰ ডাঙৰি।
মই এতিয়া জীৱন জটিলতা সুউচ্চ
শিখৰত
আৰোহিত আৰোহী,
কৃষ্ণচূড়াৰ বাটত ৰজনীগন্ধা ৰাতি
মই নেপাওঁ বকুলৰ সেউজী সুবাস।
মোৰ ভাব হয় মোৰ শৈশৱৰ মৃত্যু হৈছে,
প্ৰশ্নৰ চাকনৈয়াই সুধে
যান্ত্ৰিকতাৰ নিষ্ঠুৰ হাতত মৃত্যু হ'ল নেকি
মোৰ শিশুমন অথবা মোৰ?
দহি আছে, যন্ত্ৰণাময়, এতিয়াও

ফোন ঃ ৯৯৫৪৭৬৮৪৮৭

## কাহিলিপুৱাতে

(জিমিৰ হাতত)

■ কেশৱ চাউ

কাহিলিপুৱাতে যেতিয়া তুমি মোৰ বাবে লৈ আহা
মহাঅৰণ্যৰ বাতৰি, মৰণমুখী পৃথিৱীখন উচুপি থকাৰ
বিননি...

আহা আমি দুখৰ সিটো পাৰে
বিচাৰি যাওঁ জীৱনৰ নদী

পাহাৰ কাটি সিহঁতক ভগাই ল'ব দিয়া...
গছ কাটি সিহঁতক উশাহ ল'বলে কোৱা...
উমনিত বহি থকা পাহাৰী চৰাইকো মাৰি পেলাব
কোৱা...
অতদিনে যি কথা তুমি পেটত লুকুৱাই ৰাখিছা
আজি খোলাকৈ কৈ দিয়া...

চোৱা তোমাৰ সমুখত আদালত
সময়েই থাকিব মুখ্য বিতাৰপতিৰ দায়িত্বত
য'ত তুমি, মই শ্ৰোতা আৰু দৰ্শক।

(টোকা ঃ অলপ গভীৰকৈ সত্য অনুধাৱন কৰোঁ আহা,
অলপ ঘনকৈ মানুহৰ বিষয়ে ভাবো আহা, অলপ মৌন
হৈ নিজৰ দোষখিনি চাওঁ আহা, অলপ বুজি উঠি
ভুলবোৰ দুনাই নকৰাৰ পণ লওঁ
আহা, শেষত জীৱনৰ প্ৰাৰ্থনা কৰোঁ আহা...)

ফোন ঃ ৭০৯৯১৫৫৭৫৬

## মানুহ

■ পপী ডেকা

জটিল সময়ক সলনি কৰিব নোৱাৰা,
জীৱনে নিদিয়াখিনি বিচাৰি
হাবাথুৰি খোৱা আমিয়েই মানুহ

সম্পৰ্কত বিশ্বাসৰ খহি পৰা ভেটি
পুনৰ মজবুত কৰিব গৈ
উচুপনিক সাবটি লোৱা আমিয়েই মানুহ

ভিৰৰ মাজত এৰি দিয়া হাতখনৰ নাম প্ৰতাৰণা
বুলি কৈ
বেলেগ হাত বিচাৰি হুমুনিয়াহত উশাহক আঙুলি মূৰত
গণা আমিয়েই মানুহ

তথাপি ফাটি যোৱা ওঁঠ চেলেকি
বিষাদ গিলি
হাঁহিৰ আঁৰত ভিতৰি মৰি যোৱা জীৱনক
জী ৰাখি
জীৱনক জিন্দাবাদ দি
সময়ৰ খোজত খোজ দিয়া আমিয়েই মানুহ

ফোন ঃ ৭০৮৬২১০১২৭

## নাম কি

■ ডাঃ উজ্জ্বল কুমাৰ শৰ্মা

দূৰৈৰ পৰা
পানীৰ ঢৌবোৰ দেখি ভাল লাগি গ'ল
কি সুন্দৰ।
চাবলৈ তাইৰ ওচৰলৈ
ভৰ দুপৰীয়া
দৌৰিলোঁ
মোক দেখি তাই
আঁতৰি পলাব
ধৰিলে।
মই যিমানে তাইৰ
কাষলৈ বালিৰ ওপৰেৰে আগবাঢ়িব
ধৰিলো,
তাই সিমানেই
আঁতৰি যাব
ধৰিলে।
মোৰ ভাগৰ লাগি
বালিতে বাগৰি
টোপনি গ'লোঁ।
সন্ধিয়াৰ
পিছত সাৰ
পাই তাইক দেখি
ভয় লাগি গ'ল।
মই পলাব
ধৰিলোঁ
তাই যেন মোক
লগ কৰিবলৈ
পিছে পিছে
আহিল
মই আহি আহি
পাৰ পালোঁ
তাই পাৰত
আহি চিঞৰিব
ধৰিলে
মই ভয়তে বহি পৰিলোঁ
আৰু
টোপনি গ'লোঁ
পুৱতি নিশা
সাৰ পাই
দেখিলোঁ
তাই শান্ত ছোৱালী
এজনী দৰে দূৰলৈ
আঁতৰি যাব ধৰিছে
মই চিঞৰি
তাইৰ নামটো
সুধিলোঁ
তাই চিঞৰি উত্তৰত
ক'লে
তাইৰ নামটো হেনো
জোৱাৰ ভাটা।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## আমিনগাঁৱত ৩০ কোটি টকা

ৰায়, নলবাৰীৰ আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথ, মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুপ্ৰতিম লাল বৰুৱা, কামৰূপ জিলা আবকাৰী অধীক্ষক মানৱী দাস, নিয়ৰ দত্ত বৰুৱাৰ লগতে শীৰ্ষ আৰক্ষী বিষয়াসকল। আজিৰ এই জীৱনধ্বংসকাৰী ড্ৰাগছ দাহন কাৰ্যসূচীৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ড্ৰাগছমুক্ত অসম অভিযান সফল কৰিবলৈ সকলোকে আহ্বান জনায় অনুষ্ঠানটোত উপস্থিত থকা অসম আৰক্ষীৰ বিষয়ববীয়াসকলে।

**সোণাৰিত বহু লাখ টকা মূল্যৰ নিচাজাতীয় সামগ্ৰী দহন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৩০ জুলাই ঃ** সোণাৰিত আজি নিচাজাতীয় সামগ্ৰীৰ দাহ কৰিলে চৰাইদেউ আৰক্ষীয়ে। সোণাৰিৰ থুকুবিলত আৰক্ষীয়ে দাহ কৰিলে বহু লাখ টকাৰ ড্ৰাগছ, গাঁজা তথা নিচাজাতীয় টেবলেট। চলিত বৰ্ষত চৰাইদেউ আৰক্ষীয়ে জব্দ কৰা নিচাজাতীয় সামগ্ৰী দাহন কৰিলে আজিৰ দাহন কাৰ্যসূচীত। চৰাইদেউ জিলাৰ আৰক্ষী অধীক্ষক যুৱৰাজৰ লগতে অতিৰিক্ত উপায়ুক্ত অভিজিত গগৈ, উপ-আৰক্ষী অধীক্ষক অনিতা কোঁৱৰৰ উপৰিও প্ৰশাসনিক বিষয়াসকল উপস্থিত আছিল দাহন কাৰ্যসূচীত। উল্লেখ্য যে চৰকাৰৰ ড্ৰাগছবিৰোধী অভিযানৰ অংশস্বৰূপে চৰাইদেউ জিলা আৰক্ষীয়ে জিলাখনত নিষিদ্ধ ড্ৰাগছ তথা অবৈধ ভাং আৰু নিচাজাতীয় সামগ্ৰীৰ বেহাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা সময়ছোৱাত অভিযান চলাই এনেধৰণৰ কাৰ্যত জড়িত বহু লোকক আটক কৰা লগতে যথেষ্ট পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ, ভাং তথা অবৈধ নিচাজাতীয় সামগ্ৰী জব্দ কৰিছিল চৰাইদেউ আৰক্ষীয়ে।

**বাক্সাত ১ কোটি ৮৩ লাখ টকাৰ নিষিদ্ধ ড্ৰাগছ দাহন আৰক্ষীৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩০ জুলাই ঃ** বিগত সময়ছোৱাত বাক্সা জিলাৰ বিভিন্ন ঠাইত আৰক্ষীৰ অভিযানত জব্দ কৰা ড্ৰাগছ, গাঁজাকে আদি কৰি প্ৰায় ১ কোটি ৮৩ লাখ টকাৰ নিচাজাতীয় সামগ্ৰী আজি আনুষ্ঠানিকভাৱে দাহ কৰে আৰক্ষীয়ে। এই উপলক্ষে আজি জিলাখনৰ বৰবৰী আৰক্ষী থানাৰ সমীপৰ দিৰিং নৈৰ দাঁতিত এক দাহন কাৰ্যসূচীৰ আয়োজন কৰা হয়। উক্ত দাহন কাৰ্যসূচীত জিলাখনৰ নিৰ্বাচনী বিষয়া মানৱেন্দ্ৰ ভৰালী, উপ-আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি কলিতাৰ উপস্থিতিত বাক্সা জিলাৰ আৰক্ষীয়ে জব্দ কৰা নিচাজাতীয় সামগ্ৰীসমূহ দাহ কৰি ধ্বংস কৰে। উল্লেখ্য, জিলাখনৰ বৰমা থানাৰ ৪টা, মুছলপুৰ থানাৰ ১টা, শালবাৰী থানাৰ ৩টা, শিমলা থানাৰ ২টা আৰু গোৱৰ্ধনা থানাৰ ৭ টা তথা সৰ্বমুঠ ১৭ পঞ্জীয়নভুক্ত গোচৰৰ ভিত্তিত জব্দ হোৱা নিচাজাতীয় সামগ্ৰীসমূহ দাহ কৰা হয়। আজিৰ এই দাহন কাৰ্যসূচীত গাঁজা ২৪৭ কিলোগ্ৰাম, ব্ৰাউন ছুগাৰ ৬.৬০ গ্ৰাম, হেৰ'ইন ১০১.১৮ গ্ৰাম, নিচাযুক্ত কেপছুল ৭৪৮৮টা আৰু টেবলেট ১৪৩টা দাহন কৰে। দাহন কৰা সামগ্ৰীখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় ১ কোটি ৮৩ লাখ টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰে।

**চামগুৰিৰ গেৰুৱাআটিত ড্ৰাগছসহ এজনক আটক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ৩০ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম গেৰুৱাআটি অঞ্চলৰ পৰা যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ এজন লোকক আটক কৰাৰ লগতে এখন বাইকসহ এটা ম'বাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে খাটোৱাল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ নেতৃত্বত এটা আৰক্ষীৰ দলে যোৱা নিশা প্ৰায় ৮.৩০ মান বজাত এক গোপন সূত্ৰৰ ভিত্তিত পশ্চিম গেৰুৱাআটি অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ দলটোৱে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই পৰৱৰ্তী সময়ত গেৰুৱাআটি অঞ্চলৰ হিবজুৰ ৰহমান (৩১) নামৰ কুখ্যাত ড্ৰাগছ পেডলাৰজনক আটক কৰাৰ লগতে ১৪টা ড্ৰাগছভৰ্তি কন্টেনাৰ জব্দ কৰে। লগতে আৰক্ষী দলটোৱে এ এছ ০২ এ এইচ ৫৬৯০ নম্বৰৰ এখন পালছাৰ বাইকসহ এটা ম'বাইল ফোন জব্দ কৰে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীয়ে জব্দ কৰা ৩.০০ গ্ৰাম ড্ৰাগছখিনি কুখ্যাত ড্ৰাগছ পেডলাৰ হিবজুৰ ৰহমানে বিক্ৰী কৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে আৰক্ষীৰ দলটোৱে আটক কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে যোৱানিশা আটক কৰা কুখ্যাত ড্ৰাগছ পেডলাৰজনক আজি নগাঁও আদালতত হাজিৰ কৰাই জে'ললৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে।

## মুছলমান যুৱকে পৰিচয় সলাই

ভুল যাতে আন কোনোৱে নকৰে।— এই আহ্বান এগৰাকী লাভ জেহাদৰ বলি হোৱা ভুক্তভোগী মহিলাৰ। উল্লেখ্য যে, এই মহিলাগৰাকীক হিন্দুৰ পৰিচয় দি মুছলমান যুৱক এজনে প্ৰলোভনৰে কামাখ্যাত সেন্দুৰ পিন্ধাই হিন্দুৰ ৰীতি নীতিৰে বিয়া পাতিছিল। আজি ভুক্তভোগী হিন্দু যুৱতীগৰাকীয়ে তেজ পুৰ সদৰ আৰক্ষী থানাত তেওঁক কৰা প্ৰতাৰণাৰ সন্দৰ্ভত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে হিন্দু বুলি পৰিচয় দিয়া মুছলমান যুৱকজনক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য, তেজপুৰৰ আব্দুল চাহজাহান শ্বেইখ নামৰ মুছলমান লোকজনে মিন্টু ৰয় বুলি নিজকে হিন্দুধৰ্মৰ লোক বুলি পৰিচয় দি এগৰাকী বিশ্বনাথ চাৰিআলিৰ হিন্দু ধৰ্মালম্বী যুৱতীক প্ৰেম পাশত আবদ্ধ কৰায়। পিছত প্ৰেমৰ পৰিণতিত দুয়োৱে গৈ গুৱাহাটীৰ কামাখ্যাত হিন্দু পৰম্পৰা অনুসৰি বিয়া হয় আৰু প্ৰেমিক ৰূপী স্বামীয়ে হিন্দু মহিলাগৰাকীক আনকি সেন্দুৰো পিন্ধায়। তাৰ পাছত দুয়ো আহি আজি ৬ মাহ কাল ধৰি তেজপুৰৰ পল'ফিল্ডত ভাৰাঘৰ লৈ সংসাৰ পাতি থাকে। এই ছমাহ কালছোৱাত হিন্দুৰ পৰিচয়ে বিবাহ পতা মুছলমান যুৱক জনে হিন্দু মহিলাগৰাকীৰ পৰা ৭ লাখ টকা আত্মসাত কৰে। কিন্তু শেহতীয়াকৈ বিবাহ পাশত আবদ্ধ হোৱা হিন্দু মহিলাগৰাকীয়ে জানিব পাৰিলে যে তেওঁৰ লগত হিন্দু পৰিচয়ে বিবাহ পাশত আবদ্ধ হোৱা মিন্টু ৰয় এগৰাকী প্ৰকৃতাৰ্থতে মুছলমান লোক আৰু তেওঁৰ এগৰাকী পত্নীও আছে। মিন্টু ৰয় বুলি পৰিচয় দিয়া লোকজনৰ প্ৰকৃত নাম আব্দুল চাহজাহান শ্বেইখ। ঘৰ তেজপুৰ নেপালিপট্টিত। ইফালে ভুক্তভোগী মহিলাগৰাকীৰ সঞ্চিত ধন ৭ লাখ টকা চাহজাহানে খৰছ কৰাৰ পিছত আৰু এগৰাকী মহিলাক বিয়া কৰায়। আৰু তেতিয়াৰে পৰা পূৰ্বৰ পত্নীক অকথ্য নিৰ্যাতন আৰম্ভ কৰে। নিৰ্যাতন সহিব নোৱাৰি তথা প্ৰবঞ্চনা কৰি বিয়া কৰোৱাৰ কথা জানিব পাৰি ভুক্তভোগী মহিলাগৰাকীয়ে আজি তেজপুৰ সদৰ থানাত উপস্থিত হৈ স্বামীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ইতিমধ্যে আৰক্ষীয়ে প্ৰবঞ্চক স্বামী আব্দুল চাহজাহানক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

## আদালতৰ কাষ চাপিব নোৱাৰা অধিকাংশ ভাৰতীয়ই নীৰৱে কষ্ট সহ্য কাৰে

অনুষ্ঠিত হোৱা প্ৰথমখন সৰ্বভাৰতীয় জিলা আইনী সেৱা কৰ্তৃপক্ষৰ বৈঠকত ভাষণৰ সময়ত ন্যায়াধীশ ৰমনাই কয়, য'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জে'লত লাগি থকা আণ্ডাৰট্ৰাইলৰ মুক্তি ক্ষিপ্ৰ কৰিবলৈ ন্যায়পালিকাক আহ্বান জনায় আইনী সাহায্যৰ বাবে অপেক্ষা কৰি আছে। 'সমাজত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্যক কেন্দ্ৰ কৰি আধুনিক ভাৰত গঢ়ি উঠিছিল। প্ৰকল্প গণতন্ত্ৰ হৈছে সকলোৰে অংশগ্ৰহণৰ বাবে এক স্থান প্ৰদান কৰা। সামাজিক মুক্তিৰ অবিহনে অংশগ্ৰহণ সম্ভৱ নহ'ব। ন্যায়ৰ সুবিধা লাভ কৰাটো সামাজিক মুক্তিৰ বাবে এক আহিলা।' কৈছিল, প্ৰযুক্তিয়ে এক মহান সক্ষমকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি চিজিআইয়ে কয় আৰু ন্যায়পালিকাক আহ্বান জনায় যে 'ন্যায় প্ৰদানৰ গতি বৃদ্ধিৰ বাবে আধুনিক প্ৰযুক্তিগত সঁজুলি ব্যৱহাৰ কৰিবলৈ'। দেশৰ আইনী সেৱা কৰ্তৃপক্ষৰ সক্ৰিয় বিবেচনা আৰু হস্তক্ষেপৰ আহ্বান জনোৱা এটা গুৰুত্বপূৰ্ণ দিশ হৈছে আণ্ডাৰট্ৰাইলৰ অৱস্থা, আইনী সাহায্য প্ৰদান আৰু আণ্ডাৰট্ৰাইল বন্দীসকলৰ মুক্তি নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ মতামতৰ প্ৰতিধ্বনি দি ৰমনাই কয়। 'প্ৰধানমন্ত্ৰী আৰু এটৰ্নী জেনেৰেলেও শেহতীয়াকৈ অনুষ্ঠিত মুখ্যমন্ত্ৰী আৰু মুখ্য ন্যায়াধীশসকলৰ সন্মিলনত এই বিষয়টোক সঠিকভাৱে ফ্লেগ কৰিছে। মই লক্ষ্য কৰি সুখী যে নালছা (ৰাষ্ট্ৰীয় আইনী সেৱা কৰ্তৃপক্ষ)-এ সকলো অংশীদাৰৰ সৈতে সক্ৰিয়ভাৱে সহযোগিতা কৰি বহু- আণ্ডাৰট্ৰাইলৰ বাবে সকাহৰ প্ৰাপ্য আছিল।' ন্যায়াধীশ ৰমনাই কয় যে গড় বয়স ২৯ বছৰে বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনবহুল দেশ ভাৰতত বৃহৎ কৰ্মশক্তি আছে যদিও দক্ষ শ্ৰমিকৰ সংখ্যা মুঠ কৰ্মশক্তিৰ মাত্ৰ তিনি শতাংশ বুলি অনুমান কৰা হৈছে। চিজিআইয়ে জিলা ন্যায়পালিকাক বিশ্বৰ বৃহত্তম গণতন্ত্ৰৰ ন্যায় প্ৰদান ব্যৱস্থাৰ মেৰুদণ্ড বুলি অভিহিত কৰে। তেওঁ কয় যে জনসংখ্যাৰ অধিকাংশৰ বাবে তেওঁলোক প্ৰথম সংস্পৰ্শৰ বিন্দু আৰু ইয়াৰ শক্তিশালীকৰণ হৈছে 'ঘণ্টাৰ প্ৰয়োজনীয়তা'। ন্যায়াধীশ ৰমনাই ২৭ বছৰ পূৰ্বে আৰম্ভ হোৱাৰ পিছত নালছাই আগবঢ়োৱা সেৱাৰ প্ৰশংসা কৰি কয় যে 'আমাৰ ৭০ শতাংশ জনসংখ্যাক বিনামূলীয়া আইনী সাহায্য প্ৰদানৰ লক্ষ্যৰে নালছাক বিশ্বৰ সৰ্ববৃহৎ আইনী সাহায্য প্ৰদানকাৰী হিচাপে গঢ়ি তোলা হৈছে।' নালছাৰ বহু উদ্দেশ্য সামাজিক বাস্তৱতালৈ অনুবাদ কৰা হৈছে আৰু নিষ্ঠাবান ন্যায়াধীশ আৰু অধিবক্তাসকলৰ আন্তৰিক প্ৰচেষ্টাৰ বাবেই এইটো সম্ভৱ হৈ উঠিছে বুলিও তেওঁ কয়। লোকআদালত, মধ্যস্থতা আৰু সালিসী কেন্দ্ৰৰ দৰে বিকল্প বিবাদ নিষ্পত্তি (এডিআৰ) ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো চিজেআইয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বৈবাহিক আৰু আন্তঃচৰকাৰী বিবাদ, চৰকাৰী চুক্তি আৰু ভূমি অধিগ্ৰহণৰ পৰা আৰম্ভ কৰি বাধ্যতামূলক এডিআৰৰ জৰিয়তে সমস্যা সমাধানৰ চেষ্টা কৰিব পাৰি।

## নৱ-প্ৰজন্মই ভাৰতীয়

যোগোৱাৰ লগতে দেশমাতৃৰ সেৱাৰ বাবে ভাৰতীয় প্ৰশাসনিক সেৱাত মনোযোগ দিবলৈ সদায় প্ৰেৰণা যোগাই আহিছে শিক্ষিত নৱ-প্ৰজন্মক। নিজেই এগৰাকী আই.পি.এছ. বিষয়া হৈ ২০০৪ বৰ্ষত ধেমাজিৰ আৰক্ষী অধীক্ষক, তাৰ পাছত নৰ্থ কাছাৰ হিলচ্, ২০১১ চনত চি.আই.ডি. আৰু এচ.বি.ত, ২০১৩-১৪ বৰ্ষত ধুবুৰীৰ এচ.পি., ২০১৬-২০১৮ চনলৈকে ডি.চি.পি. (পশ্চিম), ২০১৯ চনত ডি.আই.জি. আৰু ২০২১ চনত পদোন্নতিৰে উজনি অসমৰ মাণ্ডলিক মহাপৰিদৰ্শক (আই.জি.পি.) পদমৰ্যদাৰে অলংকৃত কৰা মৃদুলানন্দ শৰ্মাক জিলাখনত এজন সৎ, নিষ্ঠাবান আৰু দক্ষ আৰক্ষী বিষয়া হিচাপে তলতীয় আৰক্ষী-কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি সাধাৰণ জনতাৰ মাজতো পৰিচিত। উল্লেখ্য যে এইজন আৰক্ষী বিষয়াৰ ওচৰলৈ সাধাৰণ লোকে লগ কৰিব পৰাকৈ দুৱাৰ মুকলি কৰি ৰাখিছে তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত। একেদৰে জিলাখনত বহুতো মেধা ছাত্ৰ-ছাত্ৰীয়েও যিসকলে ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰি পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচাৰিছে তেওঁলোকেও এইগৰাকী আৰক্ষী বিষয়াৰ ওচৰত দিহা-পৰামৰ্শ গ্ৰহণ কৰিছে অধ্যয়নৰ ক্ষেত্ৰতো। এইসকল মেধা ছাত্ৰ-ছাত্ৰীক এইজন আৰক্ষী বিষয়াই কিদৰে অধ্যয়ন কৰিব লাগে তাৰ বিষয়ে পৰামৰ্শও আগবঢ়াইছে। নিতৌ ৭-৮ ঘণ্টাকৈ অধ্যয়ন, এন.চি.আৰ.টিৰ কিতাপ, কাৰেণ্ট টপিক, দুই-এক ৰাষ্ট্ৰীয় মাধ্যমৰ ইংৰাজী পেপাৰ যেনে - দি হিন্দু, টাইম্ অৱ ইণ্ডিয়া, ইকনমিক্ টাইম্ ইত্যাদিৰ লগতে নিতৌ স্নাতক পৰ্যায়ৰ বুৰঞ্জী, ভূগোল, অৰ্থনীতি, ৰাজনীতি এনেবোৰ বিষয় ভালদৰে অধ্যয়ন কৰি গ'লেই ভাৰতীয় প্ৰশাসনিক সেৱাত নিশ্চিত সফলতা লাভ কৰিব পাৰিব বুলি তেওঁ লগতে কয়। অৱশ্যে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ধৈৰ্য্য, একাগ্ৰতা আৰু অধ্যৱসায় নিতান্তই জৰুৰী বুলি কয়। উল্লেখ্য যে মৃদুলানন্দ শৰ্মা এজন ভাল লিখকো।

## নতুন সদস্য সচিব হিচাপে

কল্যাণ পৰিষদৰ নতুন সদস্য সচিব হিচাপে দায়িত্ব গ্ৰহণ কৰে। ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক নিবেদন দাস পাটোৱাৰীৰ উপস্থিতিত এই দায়িত্ব গ্ৰহণ কৰে গীতাৰ্থ গোস্বামীয়ে। দায়িত্ব গ্ৰহণ অনুষ্ঠানত জিএমচিৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বিজেপি দলৰ বহু নেতা-কৰ্মী আৰু শুভাকাংক্ষী উপস্থিত আছিল। উল্লেখ্য যে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনতে এই সমিতিখন গঠন কৰা হৈছিল। আনহাতে, বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এই পদৰ দায়িত্বত থাকি নিজৰ ৰাজনৈতিক জীৱনৰ উত্তৰণ ঘটাইছিল। মুখ্যমন্ত্ৰী হিচাপে বৰ্তমানো এই সমিতিখনৰ অধ্যক্ষৰ দায়িত্বত আছে হিমন্ত বিশ্ব শৰ্মা।

## টাইৱানৰ বিৰুদ্ধে চীনৰ

অনুশীলনত সাধাৰণতে আৰ্টিলাৰী জড়িত হৈ থাকে। শনিবাৰৰ অনুশীলনত ক্ষেপণাস্ত্ৰ, যুঁজাৰু বিমান বা অন্যান্য অস্ত্ৰও অন্তৰ্ভুক্ত হ'ব পাৰে নেকি সেই বিষয়ে এক বাক্যৰ ঘোষণাটোত কোনো ইংগিত দিয়া হোৱা নাই। ১৯৯৭ চনৰ পিছত টাইৱান ভ্ৰমণলৈ অহা আমেৰিকাৰ সৰ্বোচ্চ পদবীৰ নিৰ্বাচিত বিষয়া হ'বলগীয়া পেলোছিয়ে যাব নে নাই সেয়া এতিয়াও নিশ্চিত কৰা নাই। ৰাষ্ট্ৰপতি চি জিনপিঙে বৃহস্পতিবাৰে ফোন কলত তেওঁৰ আমেৰিকাৰ সমকক্ষ জো বাইডেনক দ্বীপটোৰ সৈতে বেইজিঙৰ লেনদেনত 'বাহ্যিক হস্তক্ষেপ'ৰ বিৰুদ্ধে সতৰ্ক কৰি দিয়ে। চীনে কয় যে টাইৱানৰ বৈদেশিক সম্পৰ্ক চলোৱাৰ কোনো অধিকাৰ নাই। ই আমেৰিকাৰ বিষয়াসকলৰ ভ্ৰমণক দ্বীপটোৰ বাবে দশক দশক ধৰি চলি অহা বাস্তৱিক স্বাধীনতাক চৰকাৰী কৰি তোলাৰ বাবে উৎসাহ হিচাপে লয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই সপ্তাহত ৱাশ্বিংটনক সকীয়াই দিছে যে চৰকাৰৰ তিনিটা শাখাৰ ভিতৰত এটাৰ নেতা হিচাপে বাইডেনৰ সমান পদবীত থকা পেলোছিক টাইৱান ভ্ৰমণ কৰিবলৈ নিদিব। এগৰাকী মুখপাত্ৰই কয় যে স্বাধীনতা সমৰ্থক কাৰ্যকলাপ বন্ধ কৰিবলৈ পি এল এয়ে নিৰ্দিষ্ট 'শক্তিশালী ব্যৱস্থা' গ্ৰহণ কৰিব। পি এল এয়ে টাইৱানৰ ওচৰত ক্ৰমাৎ বৃদ্ধি পোৱা সংখ্যক যুঁজাৰু বিমান আৰু বোমাৰু বিমান উৰুৱাইছে আৰু বিগত সময়ছোৱাত দ্বীপটোলৈ যোৱা জাহাজৰ লেনত ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। মূল ভূখণ্ডত কমিউনিষ্টৰ বিজয়ৰ সৈতে সমাপ্ত হোৱা গৃহযুদ্ধৰ পিছত ১৯৪৯ চনত টাইৱান আৰু চীন বিভাজিত হয়। দুয়োখন চৰকাৰে এখন দেশ বুলি কয় যদিও কোনখন দেশৰ জাতীয় নেতৃত্বৰ অধিকাৰ আছে সেই সন্দৰ্ভত মতানৈক্য আছে। তেওঁলোকৰ কোনো চৰকাৰী সম্পৰ্ক নাই যদিও কোটি কোটি ডলাৰৰ বাণিজ্য আৰু বিনিয়োগৰ দ্বাৰা জড়িত হৈ আছে।

## মানাহৰ ক্ষেত্ৰ সঞ্চালকক

পদক্ষেপ গ্ৰহণ কৰি ভাৰতীয় বন সেৱাৰ বিষয়া, মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালকক বদলিৰ নিৰ্দেশ দিয়াৰ পিছতে গা লৰিল বিটিআৰ কৰ্তৃপক্ষৰ। আজি বিটিআৰৰ বন বিভাগৰ দায়িত্বত থকা কাৰ্যবাহী সদস্য ৰঞ্জিৎ বসুমতাৰীয়ে মানাহৰ বাঁহবাৰী ৰেঞ্জৰ বাংলোত উপস্থিত হৈ বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ বিষয়ববীয়াৰ সৈতে এক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত কাৰ্যবাহী সদস্যগৰাকীয়ে কয় যে মানাহত সম্প্ৰতি পূৰ্বৰ মাচুলেই বাহাল থাকিব। মাচুল বৃদ্ধিৰ প্ৰসংগটো আন্দোলনকাৰী সংগঠনৰ সৈতে আলোচনাত মিলিত হৈহে পৰৱৰ্তী সময়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দি ৰঞ্জিৎ বসুমতাৰীয়ে মানাহত দীৰ্ঘসময় ধৰি ত্যাগ স্বীকাৰ কৰি, বিনা বেতনে সংস্থাপিত হৈ আছে তেওঁলোকৰ জীৱিকাৰ বাবে আমি কাম কৰিব লাগিব বুলি কয়। সমানে সমানে আমি ৰাজহৰ ক্ষেত্ৰটো গুৰুত্ব দিব লাগিব। বেঁকী নৈত অবৈধ খননৰ ক্ষেত্ৰত নিজকে লজ্জাবোধ কৰি বন বিভাগৰ একাংশ বিষয়া-কৰ্মী জড়িত হোৱাৰ বাবে খনন কাৰ্য চলি অহা বুলি অভিযোগ তোলে বিটিআৰৰ কাৰ্যবাহী সদস্যগৰাকীয়ে। গ্ৰীস্মকালীন পৰ্যটন ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰাৰ কথা উল্লেখ কৰে কাৰ্যবাহী সদস্য ৰঞ্জিৎ বসুমতাৰীয়ে। আনহাতে,. মানাহৰ ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰৰ বদলিৰ প্ৰসংগটো ৰাজ্য চৰকাৰৰ বিবেচনাধীন বুলিও মন্তব্য প্ৰদান কৰে। ইফালে, আন্দোলনকাৰী সংগঠনটোৱে মানাহৰ ক্ষেত্ৰ সঞ্চালক বদলি নকৰালৈকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী বন্ধ ৰাখিব বুলি জানিবলৈ দিয়ে। উল্লেখ্য ৫ জুলাইত মানাহত পৰ্যটকৰ বিভিন্ন মাচুল বৃদ্ধিৰ জাননী প্ৰচাৰ হোৱাৰ পিছতে বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমিতিৰ উদ্যোগত প্ৰকৃতিপ্ৰেমী ৰাইজৰ সহযোগত ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী, ভূঞাপাৰা, পাণবাৰী ৰেঞ্জৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে বাঁহবাৰীত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, ইএম ৰঞ্জিত বসুমতাৰী, ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰ, চিএইচডি অনুৰাগ সিঙৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰি কে'বাখনো সংবাদ মেল সম্বোধন কৰি বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাৰ পিছতো গা লৰা নাছিল বিটিআৰ কৰ্তৃপক্ষৰ। পৰৱৰ্তী সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ক্ষেত্ৰ সঞ্চালকক বদলিৰ নিৰ্দেশ জাৰি কৰাৰ লগতে সমগ্ৰ ঘটনাৰ তদন্ত ঘোষণা কৰে। যাৰ ফলস্বৰূপে আজি আন্দোলনকাৰী সংগঠনৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হয় বিটিআৰৰ কাৰ্যবাহী সদস্য ৰঞ্জিৎ বসুমতাৰী।

## ১৭ বছৰ ৩ মাহতেই শিক্ষকৰ

ইতিমধ্যে নাবালক শিক্ষক নিযুক্তিৰ কেলেংকাৰিয়ে জোকাৰিছে ৰাজ্যৰ শিক্ষা বিভাগক। বাবুল হুছেইন নামৰ এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক প্ৰাথমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে বিগত ২৩ জুন ২০২২ তাৰিখে নাবালক শিক্ষক হোৱাৰ হেতুকে চাকৰিৰ পৰা নিলম্বন কৰিছিল। স্মৰ্তব্য যে ১৯৯৬ চনলৈকে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ যোগেদি শিক্ষক পদত নিযুক্তি লাভ কৰা এনে বহু নাবালক শিক্ষক বৰ্তমানো শিৱসাগৰ জিলাৰ আমগুৰি, নাজিৰা আৰু খেলুৱা শিক্ষা খণ্ডত শিক্ষকতা কৰি আছে, যিয়ে নেকি বিভিন্ন মাধ্যমৰ যোগেদি নাবালক অৱস্থাত তথা কলেজত অধ্যয়ন কৰি থকা সময়তে শিক্ষক হিচাপে চাকৰি লাভ কৰিবলৈ সক্ষম হৈছিল। অতি শেহতীয়াকৈ আমাৰ অনুসন্ধানত আৰু এগৰাকী নাবালক শিক্ষক চিনাক্ত হৈছে। শিৱসাগৰ নগৰৰ ৰংপুৰ ৰাষ্ট্ৰভাষা প্ৰাথমিক বিদ্যালয়ৰ বৰ্তমানৰ শিক্ষক সৰুজ কুমাৰ নাবালক শিক্ষক হিচাপে আমাৰ অনুসন্ধানত প্ৰকাশ পাইছে। আমাৰ হাতত মজুত থকা তথ্য অনুসৰি ১ ফেব্ৰুৱাৰী ১৯৯৬ চনত সৰুজ কুমাৰে চাকৰি লাভ কৰিছিল। তথ্য অনুসৰি সৰুজ কুমাৰৰ জন্ম তাৰিখ হ'ল ১ নৱেম্বৰ ১৯৭৮ চন। সেই অনুপাতে নাবালক শিক্ষকগৰাকীয়ে শিক্ষকৰ চাকৰি লাভ কৰিছিল ১৭ বছৰ ৩ মাহত। আমাৰ তদন্তত ইতিমধ্যে সৰুজ কুমাৰ যে এগৰাকী নাবালক শিক্ষক হয় সেয়া ইতিমধ্যে প্ৰমাণ হৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে নাবালক শিক্ষক সৰুজ কুমাৰৰ ওপৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব সেয়া এক লক্ষণীয় বিষয় হৈ পৰিব। উল্লেখ্য যে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ নাজিৰা মহকুমা শিক্ষা বিষয়াৰ কাৰ্যালয়, আমগুৰি শিক্ষা খণ্ড আৰু খেলুৱা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত একাধিক এনে শিক্ষকে শিক্ষকতা কৰি আহিছে যিয়েই নেকি নাবালক অৱস্থাতে কোনো মন্ত্ৰী, বিধায়ক, ৰাজনৈতিক নেতা-পালিনেতাৰ তালিকাৰ যোগেদি শিক্ষকৰ চাকৰি লাভ কৰিছিল। আনহাতে, এচাম নাবালক শিক্ষকে কেৱল সংশ্লিষ্ট বিষয়াৰ সৈতে হোৱা গোপন বুজাবুজিৰ বলতে নাবালক অৱস্থাতে শিক্ষকৰ চাকৰি লাভ কৰিছিল। ইতিমধ্যে নাবালক শিক্ষকক লৈ আমাৰ অনুসন্ধান অব্যাহত আছে। প্ৰণিধানযোগ্য বিষয় যে নাবালক প্ৰাৰ্থীক শিক্ষকৰ পদত নিযুক্তি দিয়াৰ ক্ষেত্ৰত যিমান প্ৰাথমিক শিক্ষা বিষয়াগৰাকী দায়ী হয় ইয়াৰ সমানে দায়ী হয় কাৰ্যালয়ৰ ড্ৰিলিং এছিষ্টেণ্টগৰাকীও। যিহেতু প্ৰতিটো ফাইলেই ড্ৰিলিং এছিষ্টেণ্টগৰাকীৰ মেজৰ পৰাই পাৰ হৈ আহিছিল। তেনে ক্ষেত্ৰত কিয় ফাইলবিলাক ড্ৰিলিং এছিষ্টেণ্টগৰাকীয়ে সূক্ষ্মভাৱে চোৱা নাছিল ইয়ো এক তদন্তৰ বিষয়।

### বিটিআৰ প্ৰধান প্ৰমোদ বড়োক সাক্ষাৎ কোচ-ৰাজবংশী সাহিত্য সভাৰ সঁজাতী দলৰ

## কোচ-ৰাজবংশী সাহিত্য সভাৰ মুখ্য কাৰ্যালয় নিৰ্মাণৰ বাবে ২৫ লাখ টকা মঞ্জুৰী দিয়াৰ আশ্বাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩০ জুলাই ঃ** বিটিআৰৰ অন্তৰ্গত এলেকাৰ কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ কে'বাটাও জ্বলন্ত তথা গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত আজি কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত আৰু সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনৰ নেতৃত্বত কোচ-ৰাজবংশী সাহিত্য সভা আৰু বিটিআৰ আক্ৰাছুৰ এটা যৌথ সঁজাতী দলে বিটিআৰ প্ৰধান প্ৰমোদ বড়োক নিজা বাসভৱনত সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সঁজাতী দলটোৱে বিটিআৰ প্ৰধানগৰাকীক সাক্ষাৎ কৰি কোচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় তামোল বাটা, জাতীয় গামচা-জ্যাকেট, ৰাজবংশী ভাষাৰ ভালেকেইখন গুৰুত্বপূৰ্ণ কিতাপ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত আৰু সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে চহী কৰা স্মাৰক-পত্ৰখনত উল্লেখ কৰা মতে কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি-২০২০ অনুসৰি আগন্তুক শিক্ষা বৰ্ষত বিটিআৰৰ কোচ- ৰাজবংশী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহত অধ্যয়নৰত 'ক' শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত শিক্ষা প্ৰদানৰ বাবে দাবী জনায়। বিটিআৰ এলেকাৰ ৰাভা আৰু শান্তালি ভাষাৰ শিক্ষকৰ প্ৰশিক্ষণ আৰু মাননিৰ বাবে বিটিআৰ প্ৰশাসনে আছুতীয়াকৈ পুঁজি নিৰ্ধাৰণ কৰাৰ দৰে বিটিআৰৰ কোচ- ৰাজবংশী অধ্যুষিত অঞ্চলৰ ৩৬৩খন প্ৰাথমিক বিদ্যালয়ত ৰজবংশী ভাষা শিকোৱাৰ বাবে পুঁজি নিৰ্ধাৰণৰ বাবে দাবী জনায়। কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰমস্থিত কোচ-ৰাজবংশী সাহিত্য সভাৰ মুখ্য কাৰ্যালয় বৰ্ধিতকৰণ তথা নিৰ্মাণৰ বাবে পুঁজি আৱন্টন দিয়াৰ দাবী জনায়। প্ৰাথমিক পৰ্যায়ত ৰাজবংশী ভাষাত পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন, কোচ-ৰাজবংশী জনগোষ্ঠীৰ পূৰ্ণাংগ ইতিহাস, অভিধান, ব্যাকৰণ, সাংস্কৃতিক কোষকে ধৰি মৌলিক গ্ৰন্থ আদি প্ৰণয়ন আৰু প্ৰকাশন কৰাৰ বাবে প্ৰয়োজনীয় ধন মঞ্জুৰীৰ বাবে দাবী জনোৱা হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সাংস্কৃতিক কেন্দ্ৰসমূহত কোচ-ৰাজবংশী জনগোষ্ঠীৰ নৃত্য-গীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে কোচ-ৰাজবংশী সাহিত্যিক আৰু শিল্পীসকলক পেন্সন প্ৰদানৰ ব্যৱস্থা কৰাৰ দাবী জনায়। পশ্চিমবংগৰ পঞ্চানন বৰ্মা বিশ্ববিদ্যালয় আৰু অসমৰ হাতীধূৰা মহাবিদ্যালয়, চিলাৰায় বহাবিদ্যালয় আৰু হালাকুৰা মহাবিদ্যালয়ৰ দৰে বিটিআৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু আন আন মহাবিদ্যালয়সমূহত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট কোৰ্ছ খোলাৰো দাবী জনায় একেখন স্মাৰক পত্ৰযোগে। উল্লেখ্য যে কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত আৰু সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে নেতৃত্ব দিয়া সঁজাতী দলটোত কেন্দ্ৰীয় কমিটীৰ পত্ৰিকা সম্পাদক ৰঘুনাথ চৌধুৰী, উপ-সভাপতি নিৰ্মল চন্দ্ৰ ভকত, গোসাঁইগাঁও, পৰ্বৰঝোৰা আৰু বিলাসীপাৰা জিলা কমিটীৰ সভাপতি আৰু সম্পাদকসকলৰ লগতে বিটিআৰ আক্ৰাছুৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে— সমীৰণ সিংহ আৰু মণিৰাম ৰায় উপস্থিত আছিল। মন কৰিবলগীয়া যে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে উক্ত স্মাৰক-পত্ৰখনত উল্লেখ কৰা মতে কোচ-ৰাজবংশী সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ৰ গৃহ বৰ্ধিত কৰণৰ বাবে অতিশীঘ্ৰে ২৫ লাখ টকা মঞ্জুৰী তথা মোকলাই দিব বুলি সঁজাতী দলটোক আশ্বাস দিয়ে।

## ধূলাত প্ৰাণ গ'ল জ্যেষ্ঠ ভাতৃৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ৩০ জুলাই ঃ** দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত যোগীপাৰা গাঁৱত জ্যেষ্ঠ ভাতৃক হত্যা কৰিলে কনিষ্ঠ ভাতৃয়ে। গাঁওখনৰ তালেব আলীৰ পুত্ৰ ফৰজ আলী (৪৫) নামৰ লোক এজনক গাড়ীৰ ৰ'ডেৰে আক্ৰমণ কৰে তিনি পাষণ্ড ভাতৃয়ে। তালেব আলীৰ তিনি পুত্ৰ আবুল কালাম, আবু শ্বামা আৰু আব্দুল ছালামে বুধবাৰে পুৱা অনধিকাৰ ফৰজ আলীৰ ঘৰত প্ৰৱেশ কৰি গাড়ীৰ ৰ'ডেৰে উপৰ্যুপৰি আক্ৰমণ কৰে। ফলত গুৰুতৰভাৱে আহত হৈ মাটিত ঢলি পৰে ফৰজ আলী। লগে লগে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। গুৱাহাটীৰ নিউ গেট হাস্পতালত চিকিৎসাধীন অৱস্থাত শুকুৰবাৰে মৃত্যু হয় ফৰজ আলীৰ। জিএমচিএইচত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি শনিবাৰে ঘৰলৈ অনা হয় ফৰজ আলীৰ মৃতদেহ। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰাই চাৰি ভাই-ককাইৰ মাজত চলি আহিছিল ভূমিকেন্দ্ৰিক সংঘাত। ভূমিকেন্দ্ৰিক সংঘাতৰ ভয়ংকৰ পৰিণতি মৃত্যু। ঘটনা সন্দৰ্ভত ফজিৰন নেছাই ধূলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰি স্বামীৰ হত্যাকাৰীক কঠোৰ শাস্তিৰ দাবী জনাইছে। উক্ত ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে অঞ্চলটোত।

## ভাৰোত্তোলনত দেশক

কৰাৰ পাছতে ভাৰোত্তোলনত দেশক দ্বিতীয়টো পদক দিয়ে গুৰুৰাজা পুজাৰীয়ে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা পুৰুষৰ ৬১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ভাৰতীয় ভাৰোত্তোলকজনে স্নেচত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫১ কিলোগ্ৰাম মুঠ ২৬৯ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। এই শাখাৰ সোণ লাভ কৰে ২৮৫ কিলোগ্ৰাম ওজন উত্তোলন কৰা মালয়েছিয়াৰ আজনিল বিনে। আনহাতে, ৰূপ পায় পাপুৱা নিউগিনিৰ ম'ৰে বাৰুই (২৭৩ কিলোগ্ৰাম)। স্মৰ্তব্য যে কমনৱেলথ গেমছত এয়া গুৰুৰাজা পুজাৰীৰ ক্ৰমাগত দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে বিগত ২০১৮ ৰ গ'ল্ডক'ষ্ট কমনৱেলথ গেমছতো পুজাৰীয়ে ৰূপৰ পদক লাভ কৰিছিল।

## ভাৰতক প্ৰথমটো পদক দিলে

সোণ লাভ কৰে ২৪৯ কিলোগ্ৰাম ওজন উত্তোলন কৰা মালয়েছিয়াৰ মহম্মদ অনিকে। আনহাতে, ব্ৰঞ্জ পায় শ্ৰীলংকাৰ দিলাংকা ইছুৰুৱে (২২৫ কিলোগ্ৰাম)। স্মৰ্তব্য যে কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ খেলা সংকেটে অপ্ৰতিৰুদ্ধ হৈ সোণ দখল কৰাৰ দিশে অগ্ৰসৰ হৈছিল যদিও ক্লিন এণ্ড জাৰ্কৰ দ্বিতীয়টো উত্তোলনত আঘাত পোৱাত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। স্নেচত সংকেটে উত্তোলন কৰিছিল ১১৩ কিলোগ্ৰাম। আনহাতে, মালয়েছিয়াৰ অনিকে উত্তোলন কৰিছিল ১০৭ কিলোগ্ৰাম। ছয় কিলোগ্ৰাম অধিক উত্তোলন কৰি শীৰ্ষত আছিল ভাৰতৰ সংকেট। কিন্তু যেতিয়া ক্লিন এণ্ড জাৰ্ক আৰম্ভ হ'ল সংকেটে প্ৰথম প্ৰয়াসত ১৩৫ কিলোগ্ৰাম সহজে উত্তোলন কৰিলে। দ্বিতীয় প্ৰয়াসত সংকেটে ১৩৯ কিলোগ্ৰাম লক্ষ্য লয় যদিও অন্তিমক্ষণত আঘাত পোৱাত বিফল হয়। ইয়াতে সমাপ্ত হৈ যায় সোণ জয়ৰ সপোন। সুযোগ লাভ কৰি অনিকে তৃতীয় চেষ্টাত ১৪২ কিলোগ্ৰাম উত্তোলন কৰি সংকেটতকৈ মাত্ৰ এক কিলোগ্ৰাম অধিক উত্তোলন কৰি সোণ দখল কৰে। স্বাভাৱিকতে বিধতাই মালয়েছিয়াৰ ভাৰোত্তোলকক সহায় কৰাৰ বিপৰীতে দুভাগ্যৰ বলি হয় সংকেট।

## গোগামুখৰ জয়ৰামপুৰত

নিশা ৯ বজাত পূৰ্বৰ দৰে ৰাধেশ্যাম ঠাকুৰৰ ঘৰৰ ওচৰৰ বন্ধু কুলধৰ গগৈৰ সৈতে একত্ৰিত হৈছিল। ৰাধেশ্যাম ঠাকুৰে বন্ধু কুলধৰ গগৈক ফুৰিবলৈ বুলি লৈ গৈছিল আৰু পুনৰ ঘৰমুৱা হৈছিল। ঘনশ্যাম ঠাকুৰে পুনৰ কুলধৰ গগৈক (৫২) ঘৰৰ পৰা কিবা কাম আছে বুলি মাতি নিছিল। কিন্তু কোনো কথাৰ অৱতাৰণা নকৰাকৈ ৰাধেশ্যাম ঠাকুৰে নিজ ঘৰৰ চোতালত চোকা অস্ত্ৰৰে ডিঙি আৰু মূৰত কুলধৰক উপৰ্যুপৰি ঘপিয়াই হত্যা কৰে। ইয়াৰ পিছতে পৰিয়ালৰ লগতে চুবুৰিটোত হুৱাদুৱা লাগে। পৰিয়ালৰ লোকে গোগামুখ তথা বৰদলনি আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত বৰদলনি আৰক্ষী উপস্থিত হৈ অভিযুক্ত ৰাধেশ্যাম ঠাকুৰক গ্ৰেপ্তাৰ কৰে। ঘাটক ৰাধেশ্যাম ঠাকুৰক অধিক জেৰাৰ বাবে গোগামুখ আৰক্ষীয়ে বৰ্তমানলৈকে নিজৰ জিম্মাত ৰাখিছে। ঘটনাটোত নিহত কুলধৰ গগৈৰ পৰিয়ালে পূৰ্ব পৰিকল্পিত বুলি দাবী কৰাৰ লগতে কঠোৰতম শাস্তি দিবলৈ দাবী তুলিছে।

## অন্ধ কুঠৰীৰ পাৰ ভাঙি নিজ

আজি অৱতীৰ্ণ হ'ল। নিজ মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত বৰ্ষাশ্ৰী উপস্থিত হোৱা পিছত তেওঁ কয় যে মই বহুত উৎসাহিত হৈ আছিলোঁ আজিৰ এই দিনটোলৈ। মনত অযুত আশা আৰু উৎসাহেৰে পৰীক্ষাত অৱতীৰ্ণ হৈছে, কাৰাগাৰত দিয়া দুয়োটা পৰীক্ষাই মোৰ ভাল হৈছে আৰু যাৱতীয় সা-সুবিধাৰ মাজেৰে মই পৰীক্ষাত বহিছিলোঁ। বৰ্ষাশ্ৰীৰ আজিৰ পৰীক্ষাৰ এই দিনটোলৈ সকলোৱে আশাৰে বাট চাই আছিল আৰু মুখত এমোকোৰা হাঁহি লৈ জ্যেষ্ঠ ভাতৃৰ সৈতে বৰ্ষাশ্ৰীয়ে নিজ মহাবিদ্যালয় দেৱীচৰণ ছাত্ৰী মহাবিদ্যালয়ত উপস্থিত হয় নিৰ্দিষ্ট সময়ত আৰু বৰ্ষাশ্ৰীৰ পৰৱৰ্তী তথা অন্তিমটো পৰীক্ষা ১ আগষ্টত অৱতীৰ্ণ হ'ব।

### তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিজ্ঞান আৰু গণিত বিষয়ত ইংৰাজী ভাষাত শিক্ষা

## চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ অসম সাহিত্য সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ জুলাই ঃ** চৰকাৰে শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে আৰু বিশেষকৈ অসমৰ শিক্ষাৰ্থীয়ে ইংৰাজী শিক্ষাত অধিক গুৰুত্ব আৰোপ কৰি শেহতীয়াকৈ তৃতীয়শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয় দুটি ইংৰাজী ভাষাৰ দ্বাৰা পঢ়ুৱাব খোজা সিদ্ধান্তৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈ পৰিছে অসম সাহিত্য সভা। এই সন্দৰ্ভত তেজপুৰত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত উল্লেখ কৰিছে যে, শিশুৰ মনোজগতত তাৎক্ষণিক ভাবে প্ৰভাৱ বিস্তাৰ কৰিব পৰা আৰু যিকোনো শিক্ষা আৰু জ্ঞান লাভৰ ক্ষেত্ৰত শীঘ্ৰেই আয়ত্ব কৰিব পৰাই নহয় সকলো দিশৰে অতি ফলপ্ৰসু মাতৃভাষাক একপ্ৰকাৰ উপেক্ষা কৰি অসম চৰকাৰে শেহতীয়াকৈ ৰাজ্যখনত শিক্ষাৰ আমূল সংস্কাৰৰ নামত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ গণিত আৰু সাধাৰণ বিজ্ঞানৰ শিক্ষা ইংৰাজী ভাষাৰ দ্বাৰা প্ৰদান কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই। চৰকাৰখনৰ কেবিনেটে এই সিদ্ধান্ত গ্ৰহণ কৰি সংবাদ মাধ্যমৰ সন্মুখত সদৰী কৰাৰ পিছতেই এই স্পৰ্শকাতৰ বিষয়টোৰ সন্দৰ্ভত বিভিন্ন জনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পিছত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিপন্থী এই সিদ্ধান্তৰ সন্দৰ্ভত চৰকাৰক পুনৰ বিবেচনা কৰিবলৈ আজি এক সংবাদ বিজ্ঞপ্তিৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। এই সন্দৰ্ভত সংবাদ বিজ্ঞপ্তিত উল্লেখ কৰিছে যে, চৰকাৰৰ এই সিদ্ধান্ত শিক্ষাৰ বৈজ্ঞানিক দৃষ্টিভংগীৰো এক পৰিপন্থী সিদ্ধান্ত। শিক্ষা তথা বিদ্যায়তনিক ক্ষেত্ৰখনৰ ইতিহাসেই যুক্তিপূৰ্ণ ভাবে প্ৰমাণিত কৰি ৰাখিছে যে, একোগৰাকী শিশু বা কিশোৰে বিজ্ঞান আৰু গণিত শিক্ষা কেৱল মাতৃভাষাৰ দ্বাৰাহে শুদ্ধকৈ শিকিব পাৰে। এই কথা তাহানিতেই বহু বিজ্ঞানী বা শৈক্ষিক ক্ষেত্ৰখনৰ মণিষীয়ে স্পষ্টকৈ উল্লেখ কৰি গৈছে। আমাৰ শিক্ষাৰ্থীসকলক ইংৰাজী ভাষাত পাৰ্গত হ'বলৈ চৰকাৰে অসমৰ ঐতিহ্যমণ্ডিত একাংশ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ক নিৰ্বাচন কৰি সেই বিদ্যালয়সমূহক "আদৰ্শ বিদ্যালয়" হিচাপে গঢ়ি তুলি তাত ইংৰাজী ভাষাক অতি শুদ্ধ শৈলীৰে বিজ্ঞানসন্মত ভাবে আৰু প্ৰণালীৱদ্ধ ভাবে শিকোৱাৰ ব্যৱস্থা কৰক। ইয়াৰ সমান্তৰালকৈ মাতৃভাষা মাধ্যমৰ বিদ্যালয় সমূহৰ আন্তঃ গাঁঠনি অধিক উন্নত কৰি তুলি সেই বিদ্যালয় সমূহতো ইংৰাজী ভাষাটো ভালকৈ শিকাব পৰাকৈ উপযুক্ত প্ৰশিক্ষণৰে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভাই চৰকাৰক দাবী উত্থাপন কৰে। অসম সাহিত্য সভাই স্পষ্টকৈ উল্লেখ কৰে যে মাধ্যম সন্দৰ্ভত কোনো ধৰণৰ সালসলনি হোৱাতো অসম সাহিত্য সভাই কেতিয়াও মানি ল'ব নোৱাৰে আৰু প্ৰতি মুহূৰ্ততে ইয়াৰ বিৰোধিতা কৰি যাব। বিজ্ঞপ্তিটোত সাহিত্য সভাই অসমৰ প্ৰত্যেক জাতি - জনগোষ্ঠীয় ভাষাৰ উত্তৰণ আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰত্যেক জনগোষ্ঠীয় ভাষাৰে বিদ্যালয় সমূহৰ আন্তঃ গাঁঠনি অধিক উন্নত কৰাৰ পোষকতা কৰে। আনহাতে চৰকাৰে গ্ৰহণ কৰা শেহতীয়া এই সিদ্ধান্তই অসমত অসমীয়াকে ধৰি আন জনগোষ্ঠীয় ভাষাৰ বিকাশলৈ ভয়াবহ ভৱিষ্যত কঢ়িয়াই আনিব বুলি দৃঢ়তাৰে আশংকা ব্যক্ত কৰি চৰকাৰে যদি এই সিদ্ধান্তৰ ক্ষেত্ৰত পুনৰ বিবেচনা নকৰে তেতিয়া অসমত মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ অস্তিত্বই এদিন বিলুপ্ত হৈ পৰিব বুলি উল্লেখ কৰিছে। বিজ্ঞপ্তিটোত উল্লেখ কৰা অনুসৰি মাতৃভাষা মাধ্যমৰ এই স্পৰ্শকাতৰ বিষয়ত চৰকাৰৰ সিদ্ধান্তৰ কথা সদৰি হোৱাৰ পিছতেই কালি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ তৎপৰতাত একাংশ কৰ্ণধাৰ সদস্য আৰু মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ উপসমিতিৰ সৈতে ৰাজ্যখনৰ নিৰ্বাচিত বিদ্যায়তনিক ক্ষেত্ৰৰ লোকৰ সৈতে এক বিশেষ বৈঠকো সম্পন্ন হয়।

## অত্যধিক বৰষুণ-প্ৰখৰ ৰ'দৰ বাবে অসমত হ্ৰাস চাহ উৎপাদন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ জুলাই ঃ** পূৰ্বতকৈ অসমত হ্ৰাস পাইছে চাহ উৎপাদন। চলিত বৰ্ষত অত্যধিক বৰষুণ আৰু প্ৰখৰ ৰ'দে ক্ষতি কৰিছে অসমৰ চাহ খেতিক । ফলত হ্ৰাস পাইছে চাহ উৎপাদন। অসমৰ চাহ উদ্যোগ বিগত দুটা মাহত অত্যধিক বৰষুণৰ বাবে প্ৰচুৰ পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। ফলস্বৰূপে অসমত চাহ উৎপাদনৰ পৰিমাণ হ্ৰাস পাইছে । বিশেষকৈ উজনি অসমৰ চাহ বাগিচাসমূহত কেঁচা পাতৰ উৎপাদন হ্ৰাস পাইছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত শোণিতপুৰ, ওদালগুৰিত ৫০ শতাংশ হ্ৰাস হোৱাৰ বিপৰীতে নামনি অসমত বতৰে কোনো প্ৰভাৱ পেলোৱা নাই। এই উৎপাদন হ্ৰাসৰ ফলত গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰত জুন আৰু জুলাই মাহত ৮ মিলিয়ন কেজি চাহপাতৰ পৰিমাণ হ্ৰাস পোৱা বুলি জানিবলৈ দিয়ে গুৱাহাটীৰ চাহ নিলাম ক্ৰেতা সন্থাৰ সম্পাদক দীনেশ বিহানীয়ে। তেওঁ কয় যে কেঁচা পাতৰ উৎপাদন বিগত জুন আৰু জুলাই মাহত ২০ শতাংশ হ্ৰাস পাইছে। কাৰণ চাহ খেতিৰ বাবে অত্যন্ত বৰষুণ যথেষ্ট ক্ষতিকাৰক। এইবাৰ বৰষুণৰ পৰিমাণ বৃদ্ধি আৰু অস্বাভাৱিক বানৰ বাবে কেঁচা পাত বনুৱাই তুলিব পৰা নাই। ফলত চাহ গছসমূহ অনিষ্ট হৈ পৰিছে। গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰত এই সময়ছোৱাত প্ৰায় ৩৯ নিযুত কিলোগ্ৰাম হ্ৰাস পাইছে । কিন্তু ২০২১ চনৰ মুঠ উৎপাদন যথেষ্ট ভাল আছিল । ২০২২ চনৰ মে' মাহলৈকে প্ৰায় ৩৮.৯০ নিযুত কিলোগ্ৰাম চাহ অতিৰিক্ত উৎপাদন হৈছিল বুলি বিহানীয়ে উল্লেখ কৰে। তেওঁ লগতে দৃঢ়তাৰে কয় যে ভাৰতীয় চাহৰ বজাৰত বৰ্তমান ভাল চাহিদা আছে। লগতে ভাল মানৰ চাহে ১৫-২০ টকা অতিৰিক্ত লাভ কৰিবলৈও সক্ষম হৈছিল (Tea Production In Assam)। তেওঁ কয়, বৰ্তমান পৰিস্থিতি যথেষ্ট সলনি হৈছে আৰু অৰ্থ'ডক্স গ্ৰেড চাহৰ ওপৰত এক নিৰ্ভৰযোগ্য চাহিদা আছে। য'ত নিলামৰ মূল্য যোৱা বছৰৰ মূল্যৰ তুলনাত ৫০ টকাতকৈও অধিক বৃদ্ধি পাইছে । ইয়াৰ কাৰণ হৈছে ৰপ্তানিকৰ্তাসকলৰ পৰা চাহৰ ভাল চাহিদা লাভ কৰা হৈছে। শোণিতপুৰ জিলাৰ পদুমণি চাহ উৎপাদন কেন্দ্ৰৰ পৰিচালন সঞ্চালক তথা বিশিষ্ট চাহ খেতিয়ক প্ৰশান্ত কুমাৰ নাথে উল্লেখ কৰে যে শোণিতপুৰ জিলাৰ লগতে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত কেঁচা চাহপাতৰ উৎপাদন ৩৫-৪০ শতাংশ হ্ৰাস পাইছে আৰু উচিত মূল্য হেৰুৱাইছে । ইয়াৰ প্ৰধান কাৰণ অত্যধিক বৰষুণৰ পৰিমাণ আৰু তাৰ পিছত হোৱা খৰাংসদৃশ পৰিৱেশ। কাৰণ প্ৰখৰ ৰ'দতো চাহ গছে পাতৰ বাহন ক্ষমতা হেৰুৱাই পেলাইছে আৰু বহু পৰিমাণে অনিষ্ট হৈছে। শোণিতপুৰ আৰু ওদালগুৰি জিলাৰ চাহ বাগিচাসমূহত বানৰ বাবে এই পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে বুলি তেওঁ কয়। মন কৰিবলগীয়া যে ভাৰত বৰ্ষত ৯২.৬ মিলিয়ন কেজি চাহ উৎপাদন হয়। তাৰে ৩৩ মিলিয়ন কেজি চাহ অসমত উৎপাদন হয়। বৰ্তমান শ্ৰীলংকাৰ বিত্তীয় নাটনিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ ক্ৰেতাই ভাৰতৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। শ্ৰীলংকাই ৩০০ মিলিয়ন কেজি চাহ উৎপাদন কৰাৰ বিপৰীতে ২৮৬ মিলিয়ন কেজি চাহ ৰপ্তানি কৰে। ইয়াৰ ভিতৰত ৯৫ শতাংশই অৰ্থ'ডক্স উৎপাদন কৰে।

## তেজপুৰস্থ শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰত গজপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ জুলাই ঃ** কৃষি বিজ্ঞান কেন্দ্ৰ, শোণিতপুৰৰ উদ্যোগত যোৱা ২৮ জুলাইত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানগত বৃক্ষৰোপণ কাৰ্যসূচী উদ্বোধন কৰা হয়। এই উপলক্ষে কৃষি বিজ্ঞান কেন্দ্ৰটোৰ চৌহদত এক আনুষ্ঠানিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। শোণিতপুৰ জিলাৰ কৃষি সঞ্চালক দিলীপ গায়নে কাৰ্যালয় চৌহদত জনপ্ৰিয় তেজপুৰ লিচুৰ বোম্বাইয়া প্ৰকাৰৰ এটি পুলি ৰোপণ কৰি কাৰ্যসূচীটোৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই ১৭ জুলাইত গুৱাহাটীৰ জনতা ভৱনত ৰাজ্যব্যাপী চিএমআইপিপি, অসম চৰকাৰৰ অধীনত ৮০, ০০০ তকৈও অধিক প্ৰতিষ্ঠানিক চৌহদ সামৰি বিজ্ঞান আৰু প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত এই কাৰ্যসূচী ১৫ আগষ্টলৈকে চলাই নিবলৈ আৰু পৰৱৰ্তী ৩ বছৰৰ বাবে প্ৰকল্পসমূহৰ যত্ন ল'বলৈ আৰু নিৰীক্ষণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায় লগতে সকলো প্ৰতিষ্ঠানক আজাদী কা অমৃত মহোৎসৱৰ সৈতে ৭৫টা গছপুলি 'অমৃত বৃক্ষ' ৰোপণ কৰিবলৈ আৰু চি এম আই পিপিক অমৃত বৃক্ষ মহোৎসৱলৈ ৰূপান্তৰ কৰিবলৈ আহ্বান জনায়। এই সন্দৰ্ভত, অসম কৃষি বিশ্ববিদ্যালয়ে কৃষি বিজ্ঞান কেন্দ্ৰ সমূহৰ চৌহদত মূল্যৱান ফল গছৰ গছপুলি ৰোপণ কৰি মুখ্যমন্ত্ৰীৰ সপোন সাৰ্থক কৰিবলৈ অসমৰ ২৩খন জিলাত অৱস্থিত প্ৰতিখন কৃষি বিজ্ঞান কেন্দ্ৰত কাৰ্যসূচীটো পৰিচালনা কৰাৰ বাবে বিশেষ পদক্ষেপ আৰম্ভ কৰে। শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী বিষয়া অংগনা শৰ্মাৰ সহযোগত বিশিষ্ট অতিথি কৃষি বিষয়া ঋতুৰাজ দেৱ, পঞ্চমিকা দত্ত, ড° মৃদুপৱন ডেকাৰ লগতে কৃষি অভিযন্তা ড° ৰোহিত নামদেও আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ সমূহ কৰ্মচাৰীয়ে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উপস্থিত বিশিষ্ট ব্যক্তি সকলে জনপ্ৰিয় লিচুকে ধৰি মধুৰিআম আৰু বিভিন্ন থলুৱা ফলৰ ৯৯টা গছপুলি ৰোপণ কৰে। চিএমআইপিপি ৰ কেন্দ্ৰটোৰ সমন্বয়ক তথা মীন বিজ্ঞানৰ বিশেষজ্ঞ ড° ৰঞ্জিত বৰদলৈয়ে বৃক্ষৰোপণ কাৰ্যসূচীটো সুচাৰু ৰূপে চলাই নিয়াত সহায় কৰে।



বিমান সুৰক্ষা নিশ্চিত কৰাত গুৰুত্ব

# ভাৰতীয় বায়ু সেনাৰ পৰা বাদ পৰিব মিগ-২১ স্কোৱাড্ৰন

**নতুন দিল্লী, ৩০ জুলাই ঃ** মিগ বিমান সুৰক্ষা নিশ্চিত কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ভাৰতীয় বায়ু সেনাই চলিত বৰ্ষৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত মিগ-২১ বাইচন বিমানৰে গঠিত শ্ৰীনগৰ বিমান ঘাটিৰ বাহিৰত অৱস্থিত ৫১ স্কোৱাড্ৰনক সেৱাৰ পৰা বাদ দিব। মিগ-২১ বিমানৰ সৈতে জড়িত শেহতীয়া দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে ২০২১ চনৰ জানুৱাৰী মাহৰ পৰা ছয়টা দুৰ্ঘটনাত কেইবাগৰাকীও পাইলটৰ মৃত্যু হৈছে।যোৱা বৃহস্পতিবাৰে সন্ধিয়া ৰাজস্থানৰ বাৰমেৰ জিলাত এখন মিগ-২১ যুঁজাৰু বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত দুজন পাইলট নিহত হৈছিল।এক চৰকাৰী সূত্ৰই জানিবলৈ দিয়া মতে, ২০১৯ চনৰ ফেব্ৰুৱাৰীত বালাকোট বিমান আক্ৰমণ অভিযানৰ পিছত পাকিস্তান বায়ু সেনাৰ এফ-১৬ বিমান গুলীবৰ্ষণ কৰি পৰাস্ত কৰাৰ বাবে বিখ্যাত ৫১ স্কোৱাড্ৰনটো ৩০ ছেপ্টেম্বৰত বাদ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে।ইয়াৰ ফলত মিগ-২১ বাইচন স্কোৱাড্ৰনৰ মাত্ৰ তিনিটা গোট বায়ু সেনাত কাৰ্যকৰী হৈ থাকিব। ইয়াৰ পিছৰ পৰ্যায়ত প্ৰতি বছৰে এটাকৈ গোটক পৰ্যায়ক্ৰমে বাদ দিয়া হ'ব আৰু ২০২৫ চনৰ ভিতৰত এই স্কোৱাড্ৰনটো সম্পূৰ্ণৰূপে নাইকিয়া কৰা হ'ব বুলিও সূত্ৰটোৱে লগতে কয়।

মাৰাঠী জাতিক অপমান!

# মহাৰাষ্ট্ৰৰ ৰাজ্যপালৰ বিৰুদ্ধে একেলগে গৰজি উঠিল মুখ্যমন্ত্ৰী একনাথ-প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে

## ৰাজ্যপালৰ মন্তব্য অশোভনীয় ঃ মুখ্যমন্ত্ৰী একনাথ



**মুম্বাই, ৩০ জুলাই ঃ** মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ভগৎ সিং কৌশিয়াৰীৰ এক বিতৰ্কিত মন্তব্যক লৈ ৰাজ্যখনৰ মাৰাঠী সম্প্ৰদায়ৰ জনগণ জাগ্ৰত হৈ পৰিছে। আনকি ৰাজনৈতিক বৈৰীতা পৰিহাৰ কৰি ৰাজ্যপালৰ মন্তব্যৰ বিৰুদ্ধে ঠিয় দিছে মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰে। উল্লেখ্য যে ৰাজ্যপালে মাৰাঠী সম্প্ৰদায়ৰ আত্মসন্মানত আঘাত হানিব পৰাকৈ এক বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছে। তেওঁৰ মতে যদিহে মৰাহাষ্ট্ৰৰ পৰা গুজৰাট আৰু ৰাজস্থানৰ ব্যৱসায়ীসকল গুছি যায়, তেনেহ'লে এপইছাও নিজৰ হাতত নাথাকিব ৰাজ্যখনৰ কাৰণে। কিয়নো মহাৰাষ্ট্ৰৰ সামগ্ৰিক অৰ্থনীতি গুজৰাটী আৰু ৰাজস্থানীসকলে নিয়ন্ত্ৰণ কৰি অহাৰ লগতে ৰাজ্যখনৰ সমৃদ্ধিৰ কাৰণে এই দুই ব্যৱসায়িক সম্প্ৰদায়ে প্ৰভূত অৰিহণা যোগাই আহিছে বুলি ৰাজ্যপালে মন্তব্য কৰিছে। কি প্ৰসংগত ৰাজ্যপালে এনে এক মন্তব্য প্ৰকাশ কৰিব লগা হ'ল সেয়া এতিয়াও দৃষ্টিগোচৰ হোৱা নাই। কিন্তু মুম্বাইত এতিয়া ৰাজ্যপালৰ এই মন্তব্যই যোৱা কিছুদিন ধৰি ৰাজনৈতিক অস্থিৰতাত থকা ৰাজ্যখনত সাৰপানী যোগাই নতুন বিতৰ্কৰ দিশে ধাৱমান কৰা বুলিব পাৰি। ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰী একনাথ সিন্দে ৰাজ্যবাসীৰ মনৰ ভাব বুজি উঠাৰ লগে লগে ৰাজ্যপালৰ মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰিছে। তেওঁ কয় যে মাৰাঠীসকলৰ যি ঐতিহাসিক অৰিহণা আছে সেয়া ৰাজ্যপালে পাহৰি গৈছে। মুম্বাই চহৰ নিৰ্মাণ, সুৰক্ষা আৰু ইয়াৰ জনগণৰ বিকাশৰ বাবে মাৰাঠী জাতীয়ে কি কি অৰিহণা যোগাইছে সেই বিষয়টো অস্বীকাৰ কৰিব খোজা কাৰ্য অতিশয় দুৰ্ভাগ্যজনক। গতিকে তেওঁৰ মন্তব্য কোনো কাৰণতে সমৰ্থন কৰিব নোৱাৰি। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে হয়তো ৰাজ্যপালে ব্যক্তিগতভাৱে নিজৰ অভিমত প্ৰকাশ কৰিছে। ৰাজ্যপালৰ চকীত অধিষ্ঠিত হৈ থাকিলেও এই মন্তব্য কেতিয়াও চৰকাৰী ভাষ্য হ'ব নোৱাৰে। আমি মুম্বাইবাসী আৰু মাৰাঠী জাতিয়ে আগবঢ়োৱা অৰিহণা কেতিয়াও অগ্ৰাহ্য কৰিব নোৱাৰো। উল্লেখ্য যে এদিনৰ পূৰ্বে ৰাজ্যপালে এই বিশেষ মন্তব্য প্ৰকাশ কৰিছিল। যদিহে মহাৰাষ্ট্ৰৰ পৰা, বিশেষকৈ মুম্বাই আৰু থানে অঞ্চলৰ পৰা গুজৰাট আৰু ৰাজস্থানৰ ব্যৱসায়ীসকলে প্ৰস্থান কৰে তেনেহ'লে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি শোচনীয় হৈ পৰিব। দেশৰ বিত্তীয় ৰাজধানী হিচাপে মুম্বাই চহৰক অভিহিত কৰা হয় যদিও এই বিত্তীয় সুস্থিৰতা বৰ্তাই ৰখাত গুজৰাটী আৰু ৰাজস্থানৰ ব্যৱসায়ীসকলৰ অৰিহণা আছে বুলি ৰাজ্যপালে অভিহিত কৰিছিল। এটা বিশেষ অনুষ্ঠানত অংশ লৈ ৰাজ্যপালে কয় যে মুম্বাই কেতিয়াও দেশৰ বিত্তীয় ৰাজধানী হৈ থাকিব নোৱাৰিব যদিহে গুজৰাটী আৰু ৰাজস্থানৰ ব্যৱসায়ীসকলে সেই ৰাজ্যখন ত্যাগ কৰে। অৱশ্যে মাৰাঠী জনগণৰ লগতে চৰকাৰী আৰু বেচৰকাৰী সকলো পক্ষৰ মাজত দেখা দিয়া বিৰূপ প্ৰতিক্ৰিয়াৰ পিছত ৰাজ্যপালে তাৎক্ষণিকভাৱে নিজৰ মন্তব্য সংশোধন কৰিছে। তেওঁ কয় যে কেতিয়াও মাৰাঠী লোকসকলৰ মনত আঘাত দিয়াৰ উদ্দেশ্যৰে এনে বক্তব্য প্ৰদান কৰা নাছিল। এই মন্তব্যৰ ভুল ব্যাখ্যা হোৱা বুলি ৰাজ্যপালে আঙুলিয়াই দিব খোজা পৰিলক্ষিত হৈছে।



## সীমা পাৰ কৰিছে ৰাজ্যপালে ঃ উদ্ধৱ থাকৰে

**মুম্বাই, ৩০ জুলাই ঃ** শিৱসেনাৰ মুৰব্বী তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই শনিবাৰে কয় যে মহাৰাষ্ট্ৰৰ ৰাজ্যপালে সকলোধৰণৰ সীমা অতিক্ৰম কৰিছে। লগতে মহাৰাষ্ট্ৰবাসীক চূড়ান্তভাৱে অপমান আৰু ইতিকিং কৰিছে। এক বাৰ্তাৰ জৰিয়তে থাকৰেই কয় যে ৰাজ্যপালৰ আসনত অধিষ্ঠিত এজন ব্যক্তিক আমি অপমান কৰিব খোজা নাই। ভগৎ সিং কোছিয়াৰীয়ে বহি থকা চকীখনলৈ আমাৰ সন্মান আছে। কিন্তু যেতিয়া তেওঁ মাৰাঠী জাতিৰ আত্মসন্মানত আঘাত হনা মন্তব্য কৰিব, ধৰ্মৰ ভিত্তিত মাৰাঠী ৰাইজক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰিব তেতিয়া ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ মাৰাঠী জাতি আজিও সজাগ হৈ আছে। গতিকে ৰাজ্যপালে সকলো সীমাৰেখা অতিক্ৰম কৰি ক্ষমতাৰ আৰু পদবীৰ অপব্যৱহাৰ কৰা বুলি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে অভিহিত কৰিছে। তেওঁ লগতে কয় যে ৰাজ্যপাল হ'ল পোনপটীয়াকৈ দেশৰ ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি। একোখন ৰাজ্যত ৰাষ্ট্ৰপতিৰ বাৰ্তাবাহক হিচাপে পৰিচয় আছে ৰাজ্যপালগৰাকীৰ। যদিহে ৰাজ্যপালে দেশৰ



সাংবিধানিক মুৰব্বী পদত থকা ৰাষ্ট্ৰপতিক ভুল আৰু বিভ্ৰান্তিকৰ তথ্যৰে খেলিমেলি সৃষ্টি কৰি দিয়ে তেনেহ'লে ইয়াৰ বাবে কোন দায়ী হ'ব বুলি প্ৰশ্ন কৰে। উল্লেখ্য যে যোৱা আঢ়ৈ বছৰ ধৰি মহাৰাষ্ট্ৰত ৰাজ্যপাল হৈ থকা কোছিয়াৰীয়ে ৰাজ্যখনৰ সকলো উৎসৱ-পাৰ্বন, পৰম্পৰা আদি প্ৰত্যক্ষ কৰিছে। তেনেস্থলত দেশৰ বিত্তীয় ৰাজধানী হিচাপে পৰিচিত মুম্বাই চহৰক লৈ কৰা অপমানজনক মন্তব্যৰ আঁৰত কি অভিসন্ধি লুকাই আছে সেই বিষয়টো স্পষ্ট হ'ব লাগে বুলি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে অভিহিত কৰিছে।

আজমগড় বিষাক্ত সুৰা ট্ৰেজেডীৰ খলনায়ক হ'ল সমাজবাদী পাৰ্টীৰ বিধায়ক ৰমাকান্ত যাদৱ

# সাতজন লোকে প্ৰাণ হেৰুৱাইছিল সুৰা সেৱনৰ ফলত

**আজমগড়, ৩০ জুলাই ঃ** চলিত বৰ্ষৰ আৰম্ভণীতে উত্তৰ প্ৰদেশৰ আজমগড় অঞ্চলত বিষাক্ত সুৰা সেৱন কৰাৰ ফলত সাতজন লোক মৃত্যুমুখত পৰিছিল। অন্য বহুকেইজন লোক অসুস্থ হৈ পৰিছিল আৰু তেওঁলোকক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি বিষাক্ত সুৰা কাণ্ডৰ তদন্ত কৰিছিল। এই তদন্তত ওলাই পৰা তথ্য অনুসৰি বিষাক্ত সুৰা প্ৰস্তুত কৰা প্ৰতিষ্ঠানৰ স্বত্বধিকাৰী আছিল স্থানীয় বিধায়ক ৰমাকান্ত যাদৱ। তেওঁ সমাজবাদী পাৰ্টীৰ সদস্য আছিল। ইতিমধ্যে আৰক্ষীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন আৰু গেংষ্টাৰ প্ৰতিৰোধ আইনৰ আধাৰত বিধায়ক ৰমাকান্তৰ বিৰুদ্ধে নতুনকৈ গোচৰ ৰুজু কৰিছে। ইয়াৰ উপৰিও তদন্ত অধিক খৰতকীয়া কৰিবৰ বাবে আৰক্ষীয়ে ন্যায়ালয়ৰ জৰিয়তে বিশেষ অনুমতি বিচৰা বুলি প্ৰকাশ পাইছে। প্ৰণিধানযোগ্য এয়ে যে যোৱা ফেব্ৰুৱাৰী মাহত আজমগড়ত এই বিষাক্ত সুৰা সেৱনৰ ঘটনা



সংঘটিত হৈছিল। এই ঘটনাই সমগ্ৰ ৰাজ্যখনতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। আৰক্ষীয়ে চাৰিজন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল আৰু তাৰে এজন হ'ল ৰংগেছ যাদৱ। এই ব্যক্তিজন আজমগড়ৰ সমাজবাদী নেতা তথা প্ৰাক্তন বিধায়ক ৰমাকান্ত যাদৱৰ ভাতৃ বুলি অভিহিত কৰা হৈছে। বিধায়ক ৰমাকান্তৰ অধীনত এটা স্থানীয়ভাৱে সুৰা নিৰ্মাণ কৰা কাৰখানা আছে। ইয়াৰ ব্যৱসায় তদাৰক কৰে তেওঁৰ ভাতৃ ৰংগেছ যাদৱে। দেশীয়ভাৱে নিৰ্মিত এই সুৰা বিক্ৰী কৰা হয় আজমগড় জিলাৰ অহিৰাওলা নামৰ স্থানত। সেই স্থানতে সৰুৱা ক্ৰয় কৰি সেৱনৰ ফলত সাতজন লোকৰ অকাল মৃত্যু হৈছিল। অনুসন্ধানকাৰী আৰক্ষীয়ে এই ঘটনাত জড়িত থকাৰ অভিযোগত সুৰা বিক্ৰেতা আৰু উৎপাদন কাৰ্যত জড়িত তেৰ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কিন্তু সুৰা প্ৰস্তুত কৰা কাৰখানাৰ গৰাকী স্বয়ং সমাজবাদী পাৰ্টীৰ হেভিৱেইট নেটা হোৱাৰ বাবে থমকি ৰোৱা বুলি প্ৰকাশ পাইছে। তথাপি আৰক্ষীয়ে অভিযোগ নামাত প্ৰাক্তন বিধায়কজনৰ নাম সন্নিবিষ্ট কৰাৰ লগে লগে এতিয়া আদালতৰ মজিয়ালৈ গৈছে সমগ্ৰ বিষয়টো।



# লেতেৰা মজিয়াত বহিবলৈ বাধ্য কৰা হ'ল উপাচাৰ্য ৰাজ বাহাদুৰক

## পঞ্জাবৰ স্বাস্থ্যমন্ত্ৰীৰ বিৰুদ্ধে চিকিৎসক সমাজৰ গৰিহণা, অপমানিত ৰাজবাহাদুৰৰ পদত্যাগ

**চণ্ডীগড়, ৩০ জুলাই ঃ** বাবা ফৰিদ ইউনিভাৰচিটি অব হেল্থ ছায়েন্সৰ উপাচাৰ্য ডাঃ ৰাজ বাহাদুৰে শনিবাৰে পদত্যাগ কৰিছে। তেওঁৰ এই পদত্যাগৰ লগে লগে পঞ্জাৱৰ চিকিৎসক সমাজৰ মাজত সৃষ্টি হৈছে বিৰূপ প্ৰতিক্ৰিয়াৰ। আনকি ৰাজ্যখনৰ স্বাস্থ্যমন্ত্ৰী চেতন সিঙৰ বিৰুদ্ধে জাণ্ডুৰ খাই উঠিছে আই এম এ অৰ্থাৎ ভাৰতীয় মেডিকেল এছ'চিয়েচনৰ কৰ্মকৰ্তাসকল। চিকিৎসকসকলৰ কাৰণে পঞ্জাৱৰ স্বাস্থ্যমন্ত্ৰীয়ে নিঃচৰ্ত ক্ষমা খুজিব লাগে বুলি ঘোষণা কৰিছে। অন্যথা অনিৰ্দিষ্ট কালৰ বাবে ৰাজ্যখনৰ চিকিৎসক সমাজে কৰ্মবিৰতি পালনৰ হুংকাৰ দিছে। প্ৰাপ্ত অভিযোগ মতে যোৱা শুকুৰবাৰে স্বাস্থ্যমন্ত্ৰীয়ে সংশ্লিষ্ট চিকিৎসা শিক্ষা প্ৰতিষ্ঠানখন পৰিদৰ্শন কৰিছিল। তেতিয়াই স্বাস্থ্যমন্ত্ৰীৰ কাষত থকা মজিয়াত পাৰি থোৱা লেতেৰা কাৰ্পেটত বহিবলৈ বাধ্য কৰোৱাইছিল উপাচাৰ্যক। দাবী-ধমকিৰে স্বাস্থ্যমন্ত্ৰীয়ে লেতেৰা কাৰ্পেটত উপচাৰ্যক বহিবলৈ বাধ্য কৰা ঘটনাৰ ভিডিঅ' ইতিমধ্যে দেশজুৰি ভাইৰেল হৈ পৰিছে। খঙে-ক্ষোভে অপমানিত হৈ পৰা উপাচাৰ্যই অৱশেষত শনিবাৰে পদত্যাগ কৰিছে। উপাচৰ্যগৰাকীয়ে মুখ্যমন্ত্ৰী ভগৱন্ত মানলৈ এখন পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে আৰু তাত উল্লেখ কৰিছে যে তেওঁক যাতে পদবীৰ পৰা ৰেহাই দিয়া হয়। আনকি কি কাৰণত এনে সিদ্ধান্ত লৈছে সেই বিষয়েও স্পষ্ট ভাষাৰে উল্লেখ কৰিছে। শুকুৰবাৰে ফৰিডকোটত অৱস্থিত গুৰু গোবিন্দ সিং মেডিকেল কলেজ পৰিদৰ্শনৰ সময়ত এই অঅপমানজনক ঘটনা সংঘটিত হৈছিল। চিকিৎসালয়খনৰ পৰিৱেশ অতিশয় লেতেৰা হৈ থকাৰ বাবেই ক্ষোভিত হৈছিল বিভাগীয় মন্ত্ৰী। গতিকে তেওঁক মজিয়াত পাৰি থোৱা লেতেৰা কাৰ্পেটৰ ওপৰত বহিবলৈ বাধ্য কৰাইছিল। ইফালে চিকিৎসালয়খনৰ সা-সুবিধা পৰ্যাপ্ত নোহোৱা, পৰিৱেশ লেতেৰা হৈ থকাৰ বাবে উপাচাৰ্যক বাহাদুৰ দায়ী নহয় বুলি তেওঁ চাফাই গাবলৈ চেষ্টা কৰিছিল স্বাস্থ্যমন্ত্ৰীৰ সন্মুখত। তেওঁৰ এই চাফাই গ্ৰাহ্য কৰা নাছিল স্বাস্থ্যমন্ত্ৰীয়ে। আনহাতে ভাৰতীয় চিকিৎসক সংস্থাই পঞ্জাৱৰ স্বাস্থ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে। এগৰাকী শীৰ্ষস্থানীয় চিকিৎসকৰ বিৰুদ্ধে গ্ৰহণ কৰা অপমানজনক পদক্ষেপৰ বাবে আনকি স্বাস্থ্যমন্ত্ৰীক বৰ্খাস্ত কৰিব লাগে বুলিও মুখ্যমন্ত্ৰীলৈ আবেদন জনোৱা দেখা গৈছে। চিকিৎসক সমাজৰ বাবে এই কাৰ্য অপমানজনক আৰু এক মানসিক নিৰ্যাতন বুলি অভিহিত কৰিছে। ইফালে পঞ্জাৱৰ শিক্ষামন্ত্ৰীৰ এই ভূমিকাৰ বাবে বিৰোধী দলবোৰে সমালোচনা কৰিছে। ৰাজ্যখনৰ কংগ্ৰেছ সভাপতি অমৰিন্দৰ সিং ৰাজাই স্বাস্থ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে। লগতে চিকিৎসক সমাজৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা বিচাৰিবলৈ দাবী জনাইছে। বিৰোধী দলপতি প্ৰতাপ সিং বাজুৱাই এক টুইটাৰৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰীক সমালোচনা কৰিছে। শিৰোমণি আকালী দলৰ মুৰব্বী সুখবীৰ সিং বাদলেও স্বাস্থ্যমন্ত্ৰীৰ এই আচৰণ নিন্দনীয় বুলি অভিহিত কৰিছে। আম আদমী পাৰ্টীৰ মন্ত্ৰী তথা জন প্ৰতিনিধিৰ এনে ভূমিকা নিন্দনীয় বুলি অভিহিত কৰিছে। বিজেপি নেতা সুনীল জাখাৰে স্বাস্থ্যমন্ত্ৰীৰ এই ভূমিকা অতিশয় লজ্জাজনক আৰু চিকিৎসক সমাজৰ বাবে অপমানজনক বুলি অভিহিত কৰিছে। লগতে ডাঃ ৰাজবাহাদুৰৰ পদত্যাগৰ জৰিয়তে চিকিৎসক সমাজৰ যি ক্ষোভ সেয়া মুখ্যমন্ত্ৰীয়ে সন্মান জনাব লাগে বুলিও ব্যক্ত কৰিছে। এনেকৈয়ে বিজেপিৰ মুখপাত্ৰ শ্বেহজাদ পুনৱালা, অমৃতসৰ মেডিকেল কলেজৰ অধ্যক্ষ ৰাজীৱ দেৱগন, গুৰুনানক দেৱ হাস্পতালৰ উপাধ্যক্ষ কুলাৰ দুৱাৰা আদিয়েও স্বাস্থ্যমন্ত্ৰীৰ এনে পদক্ষেপৰ গৰিহণা দিছে। ভাৰতীয় মেডিকেল এছ'চিয়েচনৰ সভাপতি আৰ এছ চেট্টীয়ে স্বাস্থ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে।

# ২০ লাখ টকাত যুটীয়াভাৱে ফাৰ্মহাউছ ক্ৰয় কৰিছিল পাৰ্থ-অৰ্পিতাই

## পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ নিতৌ নতুন তথ্য ওলাই আছে

**কলকাতা, ৩০ জুলাই ঃ** এনফোৰ্চমেণ্টৰ জিম্মাত থকা পশ্চিমবংগৰ অপসাৰিত মন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ বান্ধৱী অৰ্পিতা মুখাৰ্জীয়ে শিক্ষক নিযুক্তিৰ নামত ৰাজ্যখনত দৰিদ্ৰ নিবনুৱা যুৱক-যুৱতীৰ পৰা আহৰণ কৰা কোটি কোটি টকাৰ তথ্য নিতৌ ওলাই আছে। শেহতীয়াকৈ দুয়োজনে এটা ফাৰ্মহাউচ নগদ ধনেৰে ক্ৰয় কৰাৰ পঞ্জীয়ন আৰু অন্যান্য নথিপত্ৰ উদ্ধাৰ হৈছে। এই ফাৰ্ম হাউচটো ২০১২ চনতে ক্ৰয় কৰা বুলি নথিপত্ৰত উল্লেখ আছে। তেতিয়া ২০ লাখ টকা নগদ ধন প্ৰদান কৰি ফাৰ্ম হাউচটোৰ স্বত্ব ক্ৰয় কৰিছিল পাৰ্থ আৰু অৰ্পিতাই। সম্প্ৰতি এই ফাৰ্ম হাউচটোৰ মূল্য দুই কোটি টকাতকৈ অধিক হ'ব বুলি কোৱা হৈছে। অৱশ্যে চুক্তি-পত্ৰত মূল্য কমকৈ দেখুৱাই ফাৰ্ম হাউচটো হস্তগত কৰা বুলিও একাংই অভিযোগ কৰিছে। যোৱা ২৩ জুলাইত এনফোৰ্চমেণ্টৰ হাতত গ্ৰেপ্তাৰ বৰণ কৰা পাৰ্থ চেটাৰ্জীয়ে গোপনে মজুত ৰখা ৫০ কোটিতকৈ অধিক নগদ ধন আৰু



কেইবা কোটি টকাৰ আ-অলংকাৰ জব্দ কৰা হৈছে। গতিকে এই দুই ব্যক্তিৰ লুণ্ঠনৰ নতুন কাহিনীয়ে সকলোকে চমকিত কৰি ৰাখিছে।

## ১৩০ কোটি টকাৰ সম্পত্তি চনু সুদৰ! উপাৰ্জনৰ উৎস সম্পৰ্কত বিভিন্ন জনৰ উৎকণ্ঠা

**মুম্বাই, ৩০ জুলাই ঃ** বলীউডৰ এগৰাকী জনপ্ৰিয় অভিনেতা তথা সাধাৰণ মানুহৰ 'দেৱদূত' চনু সুদৰ জন্মদিন। এপিনে একাধিক চলচ্চিত্ৰত ৰূপায়ন কৰা তেওঁৰ বিভিন্ন চৰিত্ৰ, তেওঁৰ অনবদ্য শাৰীৰিক গঠনে মনোযোগ আকৰ্ষণ কৰিছে, আনহাতে কৰোনা কালত তেওঁ যিদৰে সাধাৰণ মানুহৰ কাষত থিয় দিছে সেয়া বলীউডত আগতে কেতিয়াও দেখা যোৱা নাছিল। নিশাটোৰ ভিতৰতে তেওঁ ৰূপালী পৰ্দাৰ পৰা বাস্তৱৰ এগৰাকী প্ৰকৃত নায়ক হৈ পৰিছিল। অৱশ্যে ই কেৱল কৰোনা কালতে আবদ্ধ হৈ থকা নাই, তাৰপিছত চনুৱে নিজৰ এটা কোম্পানী আৰম্ভ কৰিছিল আৰু তেওঁৰ সেই কোম্পানী এতিয়াও বিপদৰ সময়ত বহুতো সাধাৰণ মানুহৰ আশ্ৰয়হৈ পৰে। চলচ্চিত্ৰৰ জগতখনে তেওঁক যি জনপ্ৰিয়তা প্ৰদান কৰিছিল সেয়া মহামাৰীৰ সময়ত বহুগুণে বৃদ্ধি পাইছিল। শনিবাৰে তেওঁৰ জন্মদিনত অভিনয়ৰ উপৰিও তেওঁৰ ব্যক্তিগত জীৱন আৰু শিক্ষাগত অৰ্হতা, উপাৰ্জনৰ উৎসকলৈ সৰ্বসাধাৰণৰ কৌতুহল দূৰ কৰা যাওক। চনুৱে তেওঁৰ জন্মস্থান মোগাত স্কুলীয়া শিক্ষা অতিবাহিত কৰিছিল। তেওঁৰ মাক এগৰাকী অধ্যাপক আছিল আৰু তেওঁৰ দেউতাক আছিল এগৰাকী ব্যৱসায়ী। স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত চনুৱে নাগপুৰৰ পৰা ইলে''নি' ইঞ্জিনিয়াৰিং ডিগ্ৰী লয়। অৱশ্যে তেওঁ অভিযান্ত্ৰিক কেৰিয়াৰৰ পৰিৱৰ্তে অভিনয়ৰ পৃথিৱীত সংগ্ৰাম আৰম্ভ কৰে। ১৯৯৬ চনত সোনালীৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা চনু এতিয়া দুই সন্তান আয়ান আৰু ইশান্তৰ পিতৃ। চনু সুদে প্ৰতিখন চলচ্চিত্ৰৰ বাবে পাৰিশ্ৰামিক ২ কোটি টকা লয়। তেওঁৰ শক্তি সাগৰ নামৰ এটা প্ৰযোজনা সংস্থাও আছে। তেওঁ কেইবাটাও ব্ৰেণ্ড এণ্ডোৰ্চমেণ্টো কৰে। কোৱা হয় যে চনুৰ বাবে উপাৰ্জনৰ মূল উৎস চলচ্চিত্ৰ নহয়, বিজ্ঞাপনহে। তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১৭ নিযুত ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১৩০ কোটি টকা। চনুৱে মুম্বাইৰ লোখাণ্ডৱালাত এটা ২৬০০ বৰ্গফুটৰ বিলাসী এপাৰ্টমেণ্টত পৰিয়ালৰ সৈতে বাস কৰে। তেওঁৰ মুম্বাইত আন দুটা ফ্লেট, জুহুত এখন বিলাসী হোটেল আৰু তেওঁৰ গৃহ চহৰ মোগাত এটা বাংলো আছে। অভিনেতাগৰাকীৰ গাড়ীৰ প্ৰতি বিশেষ চখ আছে। তেওঁৰ গাড়ী সংগ্ৰহৰ ভিতৰত আছে মাৰ্চিৰ্ডিজ বেঞ্জ এমএল ক্লাছ ৩৫০ চিডিআই, যাৰ মূল্য হৈছে ৬৬ লাখ টকা। এখন অডি কিউ ৭ আছে, যাৰ মূল্য প্ৰায় ৮০ লাখ। তদুপৰি আছে এখন ২ কোটি টকা মূল্যৰ পোৰ্চে পানামা। ইমান ধন-সম্পত্তিৰ গৰাকী হৈও চনু সুদে সাধাৰাণভাৱে মানুহৰ সৈতে মিলি ভাল পায়। কামৰ বাহিৰে তেওঁ বেছিভাগ সময় পঞ্জাৱৰ তেওঁৰ গৃহ চহৰ মোগাত কটায়।



# মুম্বাইত ৰণবীৰ-শ্ৰদ্ধাৰ ছবিৰ শ্বুটিং ছেটত ভয়ংকৰ অগ্নিকাণ্ড ঃ এজন যুৱকৰ মৃত্যু

**মুম্বাই, ৩০ জুলাই ঃ** কক মুম্বাইত লাভ ৰঞ্জনৰ পৰিচালনাত ৰণবীৰ কাপুৰ অভিনীত নতুন ছবিৰ শ্বুটিং ছেটত শুকুৰবাৰে এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই দুৰ্ঘটনাটোত এজন ৩২ বছৰীয়া যুৱকৰ মৃত্যু হয়।কুপাৰ হস্পিটেলে জানিবলৈ দিয়া মতে যুৱকজনক মৃত অৱস্থাত চিকিৎসালয়লৈ অনা হৈছিল। তেওঁৰ শৰীৰৰ বেছিভাগ অংশ জুইত জ্বলি গৈছিল। মৃতক যুৱকৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। এতিয়াও নাম স্থিৰ নোহোৱা লাভ ৰঞ্জনৰ চলচ্চিত্ৰখনৰ শ্বুটিং ছেটটো মুম্বাইৰ লিংক ৰোডৰ ওচৰৰ আন্ধেৰী ক্ৰীড়া কমপে'ৰ কাষৰ চিত্ৰকূটত স্থাপন কৰা হৈছিল। শুকুৰবাৰে আবেলি প্ৰায় ৪.৩০ বজাত তাতেই এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নি নিৰ্বাপক বাহিনীৰ তিনিখন গাড়ী ঘটনাস্থলীত ততাতৈয়াকৈ আহি উপস্থিত হয়। অৱশেষত অগ্নি নিৰ্বাপক বাহিনীৰ প্ৰচেষ্টাত নিশা প্ৰায় ১০.৩০ বজাত জুই নিয়ন্ত্ৰণলৈ অনা হয়। অগ্নি নিৰ্বাপক বাহিনীয়ে নিশ্চিত কৰা মতে ছবিখনৰ ছেটতেই প্ৰথমে জুই লাগিছিল। এটা পেণ্ডেল ছেট নিৰ্মাণ কৰা হৈছিল য'ত বাঁহ আৰু অন্যান্য সামগ্ৰী থুপাই ৰখা হৈছিল। তাৰ পৰাই জুই সহজে বিয়পি পৰে। এই ঘটনাৰ বাবে ছবিখনৰ দৃশ্যগ্ৰহণ পিছুৱাই দিয়া হৈছে। উল্লেখ্য যে ধৰ্মেন্দ্ৰৰ নাতি আৰু ছানী দেউলৰ পুত্ৰ ৰাজবীৰে লাভ ৰঞ্জনৰ চলচ্চিত্ৰৰ ছেটৰ ওচৰতে দৃশ্যগ্ৰহণ কৰি আছিল। ৰাজবীৰে ৰাজশ্ৰী প্ৰডাকচনৰ এখন চলচ্চিত্ৰৰ জৰিয়তে বলীউডত আত্মপ্ৰকাশ কৰিছে। যেতিয়া জুই লাগিছিল তেতিয়া তেওঁ এটা শ্বট দিয়াত ব্যস্ত আছিল। কিন্তু তেওঁৰ কোনো ক্ষতি হোৱা নাই। অৱশ্যে ৰাজশ্ৰীৰ দৃশ্যগ্ৰহণো স্থগিত ৰখা হৈছে। জানিব পৰা মতে, ছবিখনৰ কলাকুশলীসকলে কিছুদিন পূৰ্বে স্পেইনত শ্বুটিং সম্পূৰ্ণ কৰি মুম্বাইলৈ উভতি আহিছিল। দুৰ্ভাগ্যবশতঃ স্পেইনতো ৰণবীৰ-শ্ৰদ্ধাৰ সময় ভালে যোৱা নাছিল। স্পেইনত দৃশ্যগ্ৰহণৰ সময়ত শ্ৰদ্ধা কাপুৰৰ ব্যক্তিগত মেকআপ শিল্পী শ্ৰদ্ধা নায়েক দুৰ্ঘটনাত পতিত হৈছিল। তেওঁ লিগামেণ্টত গুৰুতৰ আঘাত পাইছিল। এই ছবিখনত প্ৰথমবাৰৰ বাবে ৰূপালী পৰ্দাত ৰণবীৰ কাপুৰ আৰু শ্ৰদ্ধা কাপুৰৰ ৰোমাঞ্চ দৰ্শকে উপভোগ কৰিব পাৰিব। ৰণবীৰ আৰু শ্ৰদ্ধাৰ উপৰিও ছবিখনত ডিম্পল কাপাডিয়া আৰু বনি কাপুৰেও অভিনয় কৰিব। জানিব পৰা মতে ছবিখন অহা বছৰৰ ৮ মাৰ্চত হোলীত মুক্তি পাব। কিন্তু এই দুৰ্ঘটনাই ছবিখনৰ মুক্তিৰ ওপৰত কোনো প্ৰভাৱ পেলাব নেকি সেয়া এতিয়াও ক'ব পৰা হোৱা নাই।





দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

# ডিমৌত পতাকা বিক্ৰী কেন্দ্ৰ মুকলি শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ লগত সংগতি ৰাখি ১৩, ১৪ আৰু ১৫ আগষ্টত ঘৰে ঘৰে জাতীয় পতাকা উৰুৱাবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে আহ্বানৰ জনোৱাৰ পিছতে এই আহ্বান সফল কৰিবলৈ তৎপৰ হৈ পৰিছে বহুকেইটা চৰকাৰী বিভাগ। আজি মুখ্যমন্ত্ৰী আহ্বানক সফল ৰূপায়ন কৰাৰ বাবে ডিমৌ উন্নয়ন খণ্ডৰ শুকানপুখুৰী গাঁও পঞ্চায়তৰ কোঁৱৰ দিহিঙীয়া গাঁৱৰ গাম্য ক্ৰীড়াংগনৰ সন্মুখত এখন জাতীয় পতাকা বিক্ৰী বিপনী শুভ উদ্বোধন কৰে শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া অশ্বিনী কুমাৰ দলেই।পুৱাৰ ভাগত আয়োজিত বিপনী শুভ উদ্বোধনৰ পূৰ্বে ৰাইজৰ মাজত সজাগ কৰিবলৈ অসম গ্ৰামীণ জীৱিকা অভিযানৰ আত্মসহায়ক গোট সমূহে বিষয়া সকলৰ উপস্থিতি এক ৰেলি বাহিৰ কৰে। এই বিপনী শুভ উদ্বোধনী অনুষ্ঠানত ডিমৌ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জয়ালক্ষী চেতিয়া,খণ্ড উন্নয়ন বিষয়া বিহংগী দাস, জিলা প্ৰকল্প প্ৰৱন্ধক ড০ সুৰজজ্যোতি গগৈ, প্ৰজে” মেনেজাৰ মনোজ বৰুৱা, যুৱ নেতা ইন্দ্ৰ দিহিঙীয়াৰ লগতে ভালেসংখ্যক আত্মসহায়ক গোটৰ মহিলাই অংশগ্ৰহণ কৰে।

# ডুমডুমা মহাবিদ্যালয়ত সত্ৰীয়া নৃত্য আৰু বক্তৃতা অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ৩০ জুলাই ঃ** ডুমডুমা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ উদ্যোগত আৰু আই চি এছ এছ আৰ, এন ই আৰ চি, শ্বিলঙৰ সহযোগত, দেশৰ আজাদী কা অমৃত মহোৎসৱ-ৰ লগত ৰজিতা খুৱাই মহাবিদ্যালয়খনৰ কল্লোল প্ৰেক্ষাগৃহত আজি সত্ৰীয়া নৃত্য আৰু বক্তৃতা অনুষ্ঠান এটি অনুষ্ঠিত হয় । তেজপুৰ বিশ্ববিদ্যালয়ৰ কলা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সত্ৰীয়া নৃত্যৰ সাধক ড° প্ৰদীপজ্যোতি মহন্তই বন্তি প্ৰজ্বলন কৰাৰ পিছতে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰকাশজ্যোতি বৰঠাকুৰে উদ্বোধনী ভাষণ প্ৰদান কৰে। তাৰ পিছত ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপিকা মণিমালা বৰাই আদৰণি ভাষণেৰে উপস্থিত সকলোকে আদৰণি জনায় ।অনুষ্ঠানটোত ড° মহন্তৰ সহধৰ্মিণী তথা আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী মিনতি চৌধুৰীয়েও যোগদান কৰে । সত্ৰীয়া নৃত্যৰ বিশিষ্ট সাধক ড° প্ৰদীপজ্যোতি মহন্তই সত্ৰীয়া নৃত্য বিষয়ত ভাষণ আৰম্ভ কৰি কয় যে শংকৰদেৱে ‘সত্ৰীয়া নৃত্য’ বুলি কোনো নৃত্য সৃষ্টি কৰা নাছিল, তেওঁ অঙ্কীয়া ভাওনাহে সৃষ্টি কৰিছিল আৰু ইয়াতেই গীত, বাদ্য, নৃত্য আৰু নাট্য সন্নিবিষ্ট হৈ আছে । তেওঁ ইয়াকো কয় যে শঙ্কৰী সংস্কৃতি কোনো বচা বচা বিষয়ৰ বাবে নহয়, সমাজৰ সকলো দিশতে বিস্তৃত হৈ আছে ।ড° মহন্তই কয় যে অকল ভগৱত প্ৰেমৰ বাবে শঙ্কৰদেৱে এইবোৰ সৃষ্টি কৰা নাছিল, এইবোৰৰ দ্বাৰা তেৰাই অসমীয়া সমাজ, সংস্কৃতি আৰু সমাজ গঢ়ি থৈ গৈছে । ইয়াৰ পিছতে ড° প্ৰদীপজ্যোতি মহন্ত আৰু মিনতি চৌধুৰীৰ সুযোগ্য কন্যা, দেশ-বিদেশত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি ভূঁয়সী প্ৰশংসা পোৱা শিল্পী ড° অন্বেষা মহন্তই এককভাৱে আৰু তেওঁৰ লগতে নিকি বৰা, প্ৰয়াসী গগৈ, অদিতি মহন্ত আৰু আকাংশা মহন্তই সামূহিকভাৱে সত্ৰীয়া নৃত্য কেইবাটাও ভাগে প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক বেচ আমোদ দিয়ে । নৃত্যৰ লগত খোল বাদন কৰে হৰি শইকীয়া বৰবায়নে, কন্ঠ প্ৰদান কৰে গৌতম বায়নে, বাঁহী বাদন কৰে নৰজিত শইকীয়াই আৰু তাল সংগত কৰে ড০ প্ৰদীপজ্যোতি মহন্তই ।অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ বৰ্তমান আৰু প্ৰাক্তন শিক্ষক সমাজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰি সাফল্যমণ্ডিত কৰি তোলে ।তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই অনুষ্ঠানটোত যোগদান কৰে।

# নাজিৰা-বালিঘাট দিখৌ নদীৰ দলঙত দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩০ জুলাই ঃ** নাজিৰাৰ বালিঘাট দলঙৰ ওপৰত নিশা নিজ গৃহলৈ বুলি বাইকেৰে উলটি অহা অৱস্থাত নাজিৰা লিগিৰীপুখুৰীৰ ১ম অসম আৰক্ষী বাহিনী ছাউনীৰ এজন যুৱক দুৰ্ঘটনাত পতিত হৈ গুৰুতৰ ৰূপে আহত হয়। জানিব পৰা মতে বাহিনীটোৰ এজন জোৱানৰ পুত্ৰ ভাস্কৰ গগৈ (২২) য়ে মটৰ বাইকেৰে নিশা প্ৰায় ৯-৩০ বজাত আহি দলঙৰ ওপৰত উঠাৰ সময়তে লোকনিৰ্মাণ বিভাগৰ ঠিকাদাৰ কৰ্মচাৰীয়ে দলঙৰ ওপৰত দায়িত্বহীন ভাৱে এৰি থৈ যোৱা এটা আলকতৰাৰ ড্ৰামত খুন্দা মাৰি বাগৰি পৰে । তাতেই গুৰুতৰভাৱে আহত হোৱা ভাস্কৰ গগৈয়ে মূৰত তীব্ৰ আঘাত পায় । ততাতৈয়াকৈ তেওঁক দুৰ্ঘটনা স্থলীত উপস্থিত হোৱা লোকে নাজিৰা নগৰ চিকিৎসালয়লৈ লৈ আহে যদিও মগজুত প্ৰচণ্ড আঘাত পোৱা বাবে চিকিৎসকে তেওঁক ডিব্ৰুগড়লৈ লৈ যোৱাৰ পৰামৰ্শ দিয়ে ।নিশাই সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিং হোমত ভৰ্ত্তি হোৱা ভাস্কৰ গগৈক কালিলৈ এক জৰুৰী অস্ত্ৰোপচাৰ কৰাৰ প্ৰয়োজন বুলি পৰিয়ালৰ লোকে সংবাদ মাধ্যমক জানিবলৈ দিছে ।পৰিয়ালৰ সূত্ৰত জানিব পৰা মতে এই পৰ্য্যন্ত যুৱক জনৰ সম্বিত ঘূৰি অহা নাই ।নাজিৰা আৰক্ষীয়ে এএছ ০৬ জেদ ৬৬৫২ নম্বৰৰ যুৱকজনৰ ৰয়েল এনফিল্ড মটৰ চাইকেলখন নাজিৰা আৰক্ষীৰ চৌহদলৈ লৈ আহিছে ।মন কৰিবলগীয়া কথা হ’ল যে দিখৌৰ বালিঘাট দলঙৰ ওপৰৰ অংশৰ জইচ মেৰামতিৰ বাবে প্ৰায় তিনিদিন ধৰি ঠিকাদাৰৰ কৰ্মীয়ে পথটোৰ একাংশ ভেটি লোৱাৰ লগতে পথত কোনো কাম কৰা আৰু বনুৱাৰ ব্যস্ততাৰ সংকেত চিহ্ন ব্যৱহাৰ কৰা নাই । বহুলোকে দিনে পোহৰে গ’লেও তেনে পৰিস্থিতিত দুৰ্ঘটনাৰ আশংকা কৰি আছিল বুলি সংবাদ মাধ্যমক জানিবলৈ দিছে । আনহাতে ৰাতিৰ আন্ধাৰত কলা এছফাল্টৰ ওপৰতে কলা ৰঙৰ ড্ৰাম সমূহ ৰাখি থৈ মেৰামতিৰ অংশ সমূহলৈ যান বাহন যোৱা বন্ধ কৰিবলৈ লোৱা দৃশ্য বহুলোকে প্ৰত্যক্ষ কৰি আছিল । কোনো অভিজ্ঞ ঠিকাদাৰৰ জৰিয়তে বিভাগে এনে এটা ব্যস্ত পথৰ কাম কৰাৰ পৰিবৰ্ত্তে অনভিজ্ঞ ঠিকাদাৰক কাম দিয়া বুলি অভিযোগ উঠিছে ।কলা ড্ৰামত কোনো জিলিকি ৰোৱা ৰেডিয়েণ্ট সামগ্ৰী ব্যৱহাৰ নকৰাতেই বাইকৰ লাইটত চকুত নপৰাৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱা বুলি ৰাইজে অভিযোগৰ আঙুলি টোঁৱাইছে ।ঘটনাৰ পাচত আজিৰ দিনৰ ভাগতো কোনো প্ৰতিৰোধী ব্যৱস্থা নোলোৱাকৈয়ে চলাই গৈছে ঠিকাদাৰৰ কাম।

# খোৱা পানীৰ বাবে হাহাকাৰ তনং ডিমাকুছিত



দৈনন্দিন বাৰ্তাঃ- খৈৰাবাৰী-৩০ জুলাই ““পানীৰ অবিহনে জীৱকুল জীয়াই থাকিব নোৱাৰে, খেতি-বাটিৰ পৰা আৰম্ভ কৰি খোৱা,ধুৱালৈ,প্ৰকৃতিৰ সকলো জীৱই পানী ব্যৱহাৰ কৰি আহিছো, পূৰ্বতে মানৱ জাতিয়ে নৈ,নিজৰা,বৰষুণৰ পানী ব্যৱহাৰ কৰিছিল কিন্তু দিন বাগৰাৰ লগে লগে মানুহৰ দৈনন্দিন জীৱনত এতিয়া পৰিষ্কাৰতকৈ পৰিষ্কাৰ অত্যাধুনিক ফ্ৰেছ মিণাৰেল পানী সেৱন কৰিছে।কিন্তু এইখন অসমতে এনে এখন গাঁঞ্জও আছে য’ত এটুপি খোৱা পানীৰ বাবে হাহাকাৰ সন্মুখিন হ’ব লগিয়া হৈছে। উল্লেখ্য যে ভাৰত ভূটান সীমান্তৰ ওদালগুৰি জিলা ৬৪ নং পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩ নং ডিমাকুছিৰ গঞা ৰাইজে দীৰ্ঘ দিনে খোৱা পানীৰ সমস্যাৰ সন্মুখিন হৈ আহিছে। গাঁওখনত বাস কৰা ১৬০টা পৰিয়ালৰ খোৱা পানীৰ বাবে এটা কুৱা আছিল যদিও বৰ্তমান বিকল, তদুপৰি ৰাইজৰ সুবিধাৰ্থে পূৰ্বৰ চৰকাৰখনে মিনি বৰিং স্থাপন কৰিছিল যদিও যোৱা ১০ বছৰে সেই প্ৰকল্প ধুৱা চাঙত পৰিণত। উপায়ন্তৰ হৈ গাঁঞ্জওবাসীয়ে খাল, দুংৰ লেতেৰা পানী সেৱন কৰি জীৱন অতিবাহিত কৰিব লগিয়া হৈছে। পানী যোগানৰ ব্যৱস্থা কৰিবলৈ গাঁঞ্জওবাসীয়ে জনপ্ৰতিনিধি কিম্বা বিভাগীয় বিষয়াক কেইবাৰু আৱেদন নিবেদন কৰিছিল যদিও কনোধৰণৰ সু-ফল পোৱা নাই মাথোঁ নিৰ্বাচনীৰ সময়ত গাঁওবাসীক ভোট বেংক হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ গাঁওবাসীৰ। কিন্তু আশাৰ ৰেঙনি লৈ পানীৰ সমষ্তিত নতুনকৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈ অহাঁঞ্জ অসম বিধানসভাৰ সন্মানীয় অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ৰাইজৰ দুখ দুৰ্দশা গাত পাতি খোৱা পানীৰ সমস্যা দূৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেই প্ৰতিশ্ৰুতিও বছৰ বাগৰিল কিন্তু গাঁঞ্জওবাসীয়ে নাপালে সু ব্যৱস্থা। জল জীৱন মিছনকে ধৰি উপযুক্ত খোৱা পানীৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ন ন আঁঞ্জচনি আছে যদিও যোৱা ১০ বছৰে কনো আঁঞ্জচনিয়ে ঢুকি পোৱা নাই গাঁঞ্জওখনত। সেয়েহে ইণ্ডো-ভূটানৰ সীমামূৰীয়া ৩ নং ডিমাকুছি গাঁঞ্জৰত অতি শীঘ্ৰেই খোৱা পানীৰ ব্যৱস্থা কৰিবলৈ চৰকাৰলৈ আহ্বান গাঁঞ্জওবাসীৰ।

# খুমটাইত চুৰি কাৰ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ৩০ জুলাই ঃ** খুমটাই আৰক্ষী চকীৰ সমীপৰ খুমটাই পানী যোগান আঁচনি আৰু খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ত যোৱা চোৰে চলালে চফাই অভিযান। উল্লেখ, কালি নিশা জলসিঞ্চন কাৰীকৰি বিভাগ বোকাখাত মণ্ডলৰ অধিনস্থ খুমটাই পানী যোগান আঁচনিৰ দুটা বৃহৎ বৈদ্যুতিক মটৰ আৰু খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ৰ পৰা এটা ইনভাটাৰ বেটাৰী চোৰে চুৰি কৰি নিয়ে । উল্লেখ যে পুৱা পানী যোগান আঁচনিটোৰ কৰ্মচাৰী গৰাকীয়ে পানী যোগান দিবলৈ আহি পানী মটৰ কেইটা নেদেখি বিমোৰত পৰে ।লগে লগে কাষতে থকা খুমটাই আৰক্ষী চকীত অৱগত কৰাত ঘটনাস্থলিত খুমটাই আৰক্ষীৰ এটি দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। ইফালে খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ৰ কৰ্মচাৰী গৰাকী কাৰ্যালয় খুলিবলৈ আহি হতবাক হৈ পৰে । কাৰণ কাৰ্যালয়টোৰ দৰ্জাৰ তলা ভঙা প্ৰত্যক্ষ কৰি পঞ্চায়তটোৰ সভানেত্ৰী আৰু সচিব গৰাকীক অৱগত কৰে ।চোৰে কাৰ্যালয়টোৰ পৰা এটা ইনভাটাৰৰ বেটাৰী চোৰ কৰি নিয়াৰ লগতে কিছু আচবাব খেলিমেলি কৰে ।আনহাতে নিশা চোৰে চুৰি কৰা বৈদ্যুতিক দুটা মটৰ আৰু সাৰ সৰঞ্জামখিনি লক্ষাধিক টকা হ’ব বুলি অনুমান কৰিছে কৰ্মচাৰী গৰাকীয়ে । ইফালে চুৰিকাণ্ডৰ সন্দৰ্ভত খুমটাই আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও এজনো চোৰৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে। আনহাতে, খুমটাইৰ দৰে অঞ্চলত চোৰে নিদ্ৰাহৰণ কৰাত আৰক্ষীৰ ভূমিকাক সমালোচনা সচেতন ৰাইজৰ।

# বঙাইগাঁৱত মীন পালকৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ জুলাই ঃ** বঙাইগাঁও জিলা মীন বিভাগৰ উদ্যোগত তথা ফিচফেডৰ সহযোগত বঙাইগাঁও চহৰৰ যতীন্দ্ৰ ভৱনত শুকুৰবাৰে নামনি অসমৰ পাঁচখন জিলাৰ মীন পালক কলক লৈ এখন মাণ্ডলিক ভিত্তিত কৰ্মশালা অনুষ্ঠিত কৰে । ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু আৰএএফএএছআৰ আচঁনিৰ অধীনত অনুষ্ঠিত কৰ্মশালাত বঙাইগাঁও, কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ধুবুৰীৰ মীন পালক সকল উপস্থিত থাকে ।উল্লেখ্য যে যি সকল উদ্যমী মীন পালকে মীন পালন কৰি আহিছে, তেওঁলোকক যাতে চৰকাৰৰ বিভিন্ন আঁচনি সমূহৰ বিষয়ে বিভাগৰ তৰফৰ পৰা অৱগত কৰিব পাৰে তাৰ উদ্দেশ্যে এই মাণ্ডলিক ভিত্তিত কৰ্মশালা অনুষ্ঠিত কৰাৰ কথা প্ৰকাশ কৰে বঙাইগাঁও জিলা মীন উন্নয়ন বিষয়া দেৱব্ৰত দাসে।ইপিনে মীন পালক সকলে চৰকাৰৰ ফালৰ পৰা লাভ কৰি অহা বিভিন্ন আঁচনিসমূহৰ লগতে তেওঁলোকে ভুগি থকা সমস্যাসমূহ কৰ্মশালাত দাঙি ধৰে। এই কৰ্মশালাৰ লগত সংগতি ৰাখি বঙাইগাঁও চহৰৰ বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষত থকা নলাত গাপ্পী মাছ এৰি দিয়ে স্থানীয় বিধায়ক ফণীভূষণ চৌধুৰীয়ে। লক্ষণীয় যে মীন বিভাগৰ বিষয়াই জানিব দিয়া মতে এই গাপ্পী মাছে নলাত জন্মহোৱা মহৰ কণী সমূহ ভক্ষণ কৰি মহৰ বংশ বৃদ্ধি ৰোধ তথা মেলেৰীয়া ৰোগ প্ৰতিৰোধত সহায় কৰে ।

# তামুলপুৰত ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩০ জুলাই ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ ভাৰত চৰকাৰে দিয়া নিৰ্দেশনা সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে ভাৰত ভূটান সীমান্তৱৰ্তী নৱগঠিত তামুলপুৰ জিলাতো পালন কৰিবলৈ লোৱা হৈছে। ইয়াৰে এক অংশ হিচাপে তামুলপুৰ জিলাৰ নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ উদ্যোগত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে নাগ্ৰীজুলিত এখন ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। আজি নাগ্ৰীজুলিত বিক্ৰী কেন্দ্ৰটো আনুষ্ঠানিক ভাৱে মুকলি কৰে তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসে। গ্ৰামীণ জীৱিকা অভিযানৰ নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ সমন্বয়ক জীৱ ডেকাই জনোৱা মতে ইতিমধ্যে সমগ্ৰ নাগ্ৰীজুলিত ১৫ হেজাৰ খন জাতীয় পতাকা প্ৰস্তুত কৰি বিক্ৰীৰ বাবে সাজু কৰি ৰখা হৈছে। এই পতাকা সমূহ বিক্ৰীৰ বাবে ইতিমধ্যে নাগ্ৰীজুলিত ১২ টা জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ স্থাপন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। আজি ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি অনুষ্ঠানত নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া চৰণ নাৰ্জাৰী, সহকাৰী খণ্ড উন্নয়ন বিষয়া যুধিষ্ঠিৰ ব্ৰহ্ম,স্থানীয় আত্মসহায়ক গোটৰ সদস্যা আৰু কামেং চিএল এফৰ মহিলা সকল উপস্থিত থাকে।

# সাধন হাজৰিকাৰ বিয়োগত জ্যোতিৰূপাৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৩০ জুলাই ঃ** সাধন হাজৰিকাই জীৱন নাটক সমাৰিলে। চিৰদিনৰ প্ৰস্থান কৰিলে। অসমৰ চলচ্চিত্ৰ তথা মঞ্চ জগতৰ লগতে আকাশবাণী গুৱাহাটী নাট বিভাগৰ সৈতে জড়িত আছিল। তেখেতৰ সাৱলীল অভিনয়েৰে সাংস্কৃতিক জগতখনক সমৃদ্ধ কৰি থৈ গৈছে। তেখেতৰ মৃত্যুত সাংস্কৃতিক জাতিৰ বহুত ক্ষতি হ’ল। সাধনদাৰ আমাৰ সমাজ সাংস্কৃতিক মূলক জ্যোতিৰূপাৰ লগত নীবিড় সম্বন্ধৰে বান্ধ খাই আছিল। এইগৰাকী বহুমুখী সাধন শিল্পী সাধন দাৰ বিয়োগে আমি এগৰাকী প্ৰকৃত শিল্পীক হেৰুৱালো। জ্যোতিৰূপাৰ সমূহ সদস্য-সদস্যাই গভীৰ শোক প্ৰকাশ কৰিছো। সমূহ সদস্য সদস্যাৰ হৈ সভাপতি প্ৰফুল্ল গোবিন্দ বৰুৱা আৰু সাধাৰণ সম্পাদক নৰেন হাজৰিকাই এগৰাকী বহুমুখী শিল্পীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো।

# যোৰহাটৰ মঘাই ওজা শিশু নিকেতনৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ৩০ জুলাই ঃ** যোৰহাটৰ ঐতিহাসিক মঘাই ওজা শিশু নিকেতনত যোগ্ৰীষ্মকালীন প্ৰশিক্ষণৰ আজি সামৰণি পৰে । প্ৰশিক্ষণত ছাত্ৰ ছাত্ৰী সকলে তৈয়াৰ কৰিছে কাগজ আৰু কাপোৰৰ সামগ্ৰী কহিয়াব পৰা বেগ, জাতীয় পতাকা, টুপী, বেজ, বিভিন্ন ধৰণৰ সৌন্দৰ্য বৰ্ধক সামগ্ৰী। লগতে পেলনীয়া পাষ্টিক পূণব্যৱহাৰ কৰি আতকধুনীয়া সাবগ্ৰী তৈয়াৰ কৰি পাষ্টিক জাতীয় সামগ্ৰীৰ অপকাৰীতা সম্পৰ্কত এক জনসজাগতা সৃষ্টি কৰিছে। উল্লেখ্য, পাষ্টিক জাতীয় সামগ্ৰী ৰ বিপৰীতে কাগজ আৰু কাপোৰৰ সামগ্ৰী তৈয়াৰী কৰ্মশালাৰ লগতে বিদ্যালয় খনত ছাত্ৰ ছাত্ৰী সকলৰ মাজত হাতৰ আখৰ, অসমীয়া আৰু ইংৰাজী ভাষা শুদ্ধকৈ ক’ব আৰু লিখিব পৰা এক কৰ্মশালাও অনুষ্ঠিত হৈ যায়। আজি বিদ্যালয়খনৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ছাত্ৰ ছাত্ৰী সকলে নিজ হাতেৰে তৈয়াৰী সামগ্ৰী সমূহৰ এক প্ৰদৰ্শনী ও মুকলি কৰে। মঘাই ওজা শিশু নিকেতন আৰু সমাজকৰ্মী জগন্নাথ অগ্নিবৰাৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত আজি মধ্য যোৰহাট শিক্ষা খণ্ড ৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া উৎপল কুমাৰ বৰুৱা সমাজকৰ্মী জগন্নাথ অগ্নিবৰা, ২৮ নং মেলেং বালিচাপৰি গাঁও পঞ্চায়তৰ সভাপতি দূৰ্লভ চেতীয়াই ভাষণ প্ৰদান কৰি এনে কায্যক প্ৰশংসা কৰে। খণ্ড সমল শিক্ষক বসন্ত বৰা , হাতীগড় মণ্ডলৰ মধুস্মিতা শৰ্মা, প্ৰশিক্ষক দুলাৰী কটকী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কেশৱ বৰা, শিক্ষক বাবুল দত্ত , দেৱাশীষ ঘোষ চৰকাৰ , মাতৃ গোটৰ সদস্যা সকল আৰু অভিভাৱক সকল উপস্থিত থকা সামৰণি অনুষ্ঠান ছাত্ৰ ছাত্ৰী সকলৰ দ্বাৰা এটি বিদ্যালয় গীতেৰে আৰম্ভ কৰা সভাখনি পৰিচালনা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক অমূল্য বৰুৱাই।

## দমদমা মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰীৰ সাফল্য

# ৰাষ্ট্ৰীয় বৃত্তি লাভ দৃষ্টিদৰ্শনা মেধিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৩০ জুলাই ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত দমদমা মধ্য ইংৰাজী বিদ্যালয়ৰ এগৰাকী অষ্টম শ্ৰেণীৰ ছাত্ৰীয়ে ৰাষ্ট্ৰীয় বৃত্তি লাভ কৰাত স্বাভাবিকতে উৎফুল্ল হৈ পৰিছে বিদ্যালয়ৰ শিক্ষক সকল ।বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কছুৱা গাঁৱৰ অশ্চিনী মেধিৰ কন্যা তথা দমদমা মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী দৃষ্টিদৰ্শনা মেধিয়ে ৰাষ্ট্ৰীয় মেধা পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰিছে । গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, অসমীয়া আৰু সাধাৰণ জ্ঞানৰ ওপৰত অনুষ্ঠিত মেধা পৰীক্ষাত ছাত্ৰীগৰাকীয়ে ৭৫ক্ষ নম্বৰ লাভ কৰি ৰাষ্ট্ৰীয় বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে । ছাত্ৰীগৰাকীৰ এনে সাফল্যৰ পিছত আজি বিদ্যালয় পৰিচালনা সমিতিয়ে ছাত্ৰীগৰাকীক বিদ্যালয়ত অভিনন্দন জনায় ।বিদ্যালয়প্ৰধান নগেন তালুকদাৰ, সহকাৰী শিক্ষক মন্টু বৰ্মনসহ বিদ্যালয়ৰ আন শিক্ষকসকলৰ উপস্থিতিত ছাত্ৰীগৰাকীক ফুলাম গামোছা পিন্ধাই অভিনন্দন জ্ঞাপন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৃপেন্দ্ৰনাথ বৰ্মনে। উল্লেখ্য, বিগত ১০ এপ্ৰিলত ছাত্ৰীগৰাকীয়ে নলবাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় মেধা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। জানিব পৰা মতে দৃষ্টিদৰ্শনা মেধিয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰতি মাহে এক হেজাৰ টকাকৈ চাৰি বছৰৰ বাবে লাভ কৰিব।

# শিৱসাগৰত মুক্তিযোদ্ধা দেৱীপ্ৰসাদ বৰগোহাঁইৰ নামত পথৰ নাম-ফলক উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ৩০ জুলাই ঃ** ‘আজাদী কা অমৃত মহোৎসৱ’ৰ লগত সংগতি ৰাখি কালি শিৱসাগৰ নগৰৰ ১১ নং ৱাৰ্ডৰ বিশিষ্ট সমাজকৰ্মী কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা স্বীকৃত স্বতন্ত্ৰ সৈনিক সন্মান পেন্সনপ্ৰাপ্ত মুক্তিযোদ্ধা প্ৰয়াত দেৱী প্ৰসাদ বৰগোহাঁইৰ ঘৰৰ সন্মুখত আৰু তেখেতৰ ঘৰলৈ সংযোগী পথৰ কাষত দেৱীপ্ৰসাদ বৰগোহাঁইৰ নামত নাম-ফলক আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।বাসগৃহৰ সন্মুখত অসমীয়া নাম ফলক উদ্বোধন কৰে শিৱসাগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সম্পাদক ধীৰেন চেতিয়াই আৰু অসমীয়া নামফলক উদ্বোধন কৰে অতুল চন্দ্ৰ নাথে। বি জি ৰোড সংযোগী পথৰ কাষত নাম-ফলক উদ্বোধন কৰে শিৱসাগৰ পৌৰসভাৰ পৌৰ সভানেত্ৰী মৃণালিনী কোঁৱৰে। ইয়াৰ পাছত শিৱসাগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সহকাৰী সম্পাদক যোগেন বুঢ়াগোহাঁয়ে আঁত ধৰা সভাখনত উদেশ্য ব্যাখ্যা কৰে প্ৰয়াত মুক্তিযোদ্ধা দেৱী প্ৰসাদ বৰগোহাঁইৰ জ্যেষ্ঠ পুত্ৰ গৌতম বৰগোহাঁয়ে।সভাত ধীৰেন চেতিয়া , মৃণালিনী কোঁৱৰ, ভুবন চন্দ্ৰ গগৈয়ে ভাষণ প্ৰদান কৰাৰ লগতে মুক্তিযোদ্ধা দেৱী প্ৰসাদ বৰগোঁহাইৰ জীৱনৰ ওপৰত তথ্য সম্বলিত ভাৱে বক্তব্য প্ৰদান কৰে জ্যেষ্ঠ পুত্ৰ গৌতম বৰগোঁহাইয়ে।আৰম্ভণিতে বন্তিপ্ৰজ্বলন কৰে মুক্তিযোদ্ধা খনিৰাম মিলি আৰু মুক্তিযোদ্ধা গকুল গগৈয়ে।পতাকা উত্তোলন কৰে শিৱসাগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি পুনেশ্বৰ দুৱৰাই। বিয়লি পতাকা নমিত কৰে স্বাধীনতা সংগ্ৰামী কনক চন্দ্ৰ গগৈৰ পুত্ৰ তথা সমাজকৰ্মী ভুৱন চন্দ্ৰ গগৈ আৰু শিক্ষক সুশীল বৰুৱাই।

# কলকাতাত ‘আজিৰ কবিতা’ৰ ৰাষ্ট্ৰীয় কবি সমাৰোহ সম্পন্ন

## পোন্ধৰখনকৈ গ্ৰন্থ উন্মোচন ঃ পোন্ধৰগৰাকী বিশেষ ব্যক্তিক বঁটা প্ৰদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩০ জুলাই ঃ** কবিতাক গণমুখী তথা বিশ্বমুখী কৰাৰ লক্ষ্যৰে কবিতা আৰু কবিতা বিষয়ক পত্ৰিকা আজিৰ কবিতাৰ উদ্যোগত, মেজাংকৰি প্ৰকাশন, গুৱাহাটী আৰু হিন্দী সাপ্তাহিক কাকত প্ৰজ্ঞা মেইল, দিল্লীৰ সহযোগত যোৱা ২৪ জুলাইত কলকাতাৰ নিউটাউনস্থিত ৰবীন্দ্ৰ তীৰ্থত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ কবি সমাৰোহ অনুষ্ঠিত হয়। আজিৰ কবিতাৰ সম্পাদক বিনয় চলিহাই আঁতধৰা আৰু বিশিষ্ট সাংবাদিক,সাহিত্যিক তথা আজিৰ কবিতাৰ মুখ্য সম্পাদক ড° ভৱেশ দাসে সঞ্চালনা কৰা অনুষ্ঠানটিৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি, বিশিষ্ট সাহিত্যিক দীল্ স লক্ষ্মীন্দ্ৰ সিংহই। উষামণি শইকীয়াৰ পৰিচালনাৰে পৰিৱেশিত সমবেত সংগীতৰ পিছতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক কবিৰ অসমীয়া,বাংলা, মণিপুৰী, উৰিয়া, মালায়ালম,হিন্দী, উৰ্দু, ইংৰাজী ভাষাৰ কবিতাৰে মুখৰিত হয় কবিগুৰু ৰবীন্দ্ৰনাথৰ স্মৃতি বিজড়িত ৰবীন্দ্ৰ তীৰ্থ। অনুষ্ঠানত কলকতা ৰাষ্ট্ৰীয় কবি সমাৰোহ বিশেষ সংখ্যা ‘আজিৰ কবিতা’ (বত্ৰিশ বৰ্ষ তৃতীয় সংখ্যা) আৰু মেজাংকৰি প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত তিনিকুৰি পোন্ধৰ গৰাকী নিৰ্বাচিত অসমীয়া কবিৰ কবিতাৰ বাংলা অনুবাদৰ সংকলন ‘এক গুচ্ছ অসমীয়া কবিতা’ উন্মোচন কৰাৰ লগতে অধীৰ চন্দ্ৰ দাসৰ কাব্যগ্ৰন্থ ‘তেজে দাগ কটা ৰাতি’, চুমী ৰহমানৰ বাংলা অনুবাদ গ্ৰন্থ “কাজিৰাঙাৰ অজানা ৰহস্য, ইংৰাজীগ্ৰন্থ ‘Unknown Mystery of Kaziranga’, দিলীপ কুমাৰ নন্দীৰ বাংলা কাব্যগ্ৰন্থ “তনয়াৰ ছন্দে”, মান্তাছা জাহাঙ্গীৰ ইংৰাজী কাব্যগ্ৰন্থ Our Actions , চন্দ্ৰমা শৰ্মাৰ উপন্যাসিকা “অনুৰাগ”, অজয় বৰুৱাৰ প্ৰৱন্ধ সংকলন “সুশোভিত জীৱনৰ অন্বেষণ”, কাব্যগ্ৰন্থ “সুঁৱৰিলে ভাল লগা সুগন্ধি অনুৰাগ”, শুক্লেশ্বৰ নাথৰ বাংলা অনুবাদগ্ৰন্থ “ভোৰেৰ ভাৱনা- অন্বেষণ জীৱনৰ”, ৰুণা লাইলাৰ গ্ৰন্থ “জীৱনৰ অন্তিম সত্যৰ পম খেদি”, অনামিকা ৰয় হাজৰিকাৰ কাব্য সংকলন “ত্ৰিভুজ সুন্দৰী”, টুটুমণি নাথ মেধিৰ কাব্য সংকলন “প্ৰেমানুৰাগৰ কলি”, ডাঃ লোহিত শৰ্মাৰ কাব্যগ্ৰন্থ “অৰুন্ধতী অনুৰাধা শব্দ শিল্পৰ কবিতা”, অৰুণ কুমাৰ বৰ্মন সম্পাদিত হিন্দী কাব্য সংকলন “ভাৰত কে বিবিধ ৰং, কবিতা কে সংগ”, সুলাতা পাত্ৰৰ বাংলা উপন্যাস “সুখ-অসুখেৰে ৰঙিন কাচে” আদি গ্ৰন্থসমূহ উন্মোচন কৰা হয়।নীলাক্ষি মেধিৰ ৰবীন্দ্ৰ সংগীতৰ নৃত্য, টুটুমণি নাথ মেধিৰ ভূপেন্দ্ৰ সংগীতৰ নৃত্য আৰু বিহুনৃত্যই অনুষ্ঠানৰ অভ্যাগত দৰ্শকক মোহিত কৰে। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে বিশ্ব বাংলা আন্তৰ্জাতিক সাহিত্য নিকেতনৰ যুটীয়া সচিব সুব্ৰত বোস, হিন্দী সাপ্তাহিক প্ৰজ্ঞা মেইলৰ সম্পাদক অৰুণ কুমাৰ বৰ্মন, বিশিষ্ট লেখক তথা মালায়ালম সাহিত্যৰ অনুবাদক কৰুণাকান্ত ৰায়, দিল্লীস্থ জ্যেষ্ঠ সাংবাদিক ৰত্নজ্যোতি দত্ত, সাহিত্য-সংস্কৃতিৰ আন্তৰ্জাতিক কবি মঞ্চৰ প্ৰধান সচিব কাব্যমণি বৰা, বিশিষ্ট সাংবাদিক ড° মানস বেনাৰ্জী, আশীষ ছাক্সেনা, উৰিয়া সাহিত্যৰ অনুবাদক নৱ কুমাৰ মিশ্ৰ, প্ৰাগ্ নিউজৰ জ্যেষ্ঠ সাংবাদিক তীৰ্থ ৰঞ্জন মহন্ত, নিউজ মানিয়াৰ বৰ্ণালী বিশ্বাস, বিশিষ্ট সংগীত শিল্পী ডাঃ মালবিকা ৰয়, বিশিষ্ট লেখক, প্ৰকাশক মুকুট শৰ্মা, নদী আৰু নাৰী গোটৰ প্ৰতিষ্ঠাপক, বিশিষ্ট কবি ৰোণাল্ডো টাইদ, নতুন দিল্লীস্থ মানৱাধিকাৰ আৰু ভ্ৰষ্টাচাৰ বিৰোধী সংস্থাৰ সভাপতি ড° সৰ্বানন্দ শৰ্মা, বিশিষ্ট ঔপন্যাসিক, কবি ৰুণা লাইলা আৰু আজিৰ কবিতাৰ কাৰ্যবাহী সম্পাদক ঊষামণি শইকীয়া আদি। উক্ত অনুষ্ঠানতে এইবৰ্ষৰ “AJIR KABITA NATOINAL POETRY FESTIVAL, AWARD,2022“ সমাজ আৰু সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ১৫গৰাকী বিশিষ্ট ব্যক্তিলৈ প্ৰদান কৰা হয়। বিশিষ্ট কবি, সমাজসেৱী অধীৰ চন্দ্ৰ দাসক ‘কাব্য সৰস্বতী বঁটা”, বিশিষ্ট কবি, লেখক ডিগবৈ শোধনাগাৰৰ সহকাৰী প্ৰৱন্ধক শুক্লেশ্বৰ নাথক “কবিকণ্ঠ বঁটা”, দিলীপ কুমাৰ নন্দীক “কাব্যশ্ৰী বঁটা”, প্ৰতিশ্ৰুতি সম্পন্ন নবীন কবি, লেখিকা মান্তাছা জাহাঙ্গীৰক “ যুৱ সাহিত্যক বঁটা”, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিল্ স লক্ষ্মীন্দ্ৰ সিংহ, বিশিষ্ট কবি, আন্তৰ্জাতিক সাহিত্য সংস্কৃতি আৰু কবি মঞ্চৰ সচিব প্ৰধান কাব্যমণি বৰা আৰু বিশিষ্ট লেখক কবি, অসম সাহিত্য সভাৰ সাংস্কৃতিক উপসমিতিৰ আহ্বায়ক ডাঃ মৃন্ময় কুমাৰ নাথক “কাব্য শিৰোমণি বটাঁ“ , বিশিষ্ট লেখিকা,সমাজকৰ্মী চুমী ৰহমান আৰু বিশিষ্ট কবি-লেখিকা শাশ্বতী শৰ্মাক “কাব্য নন্দিনী বঁটা”, বিশিষ্ট কবি অল্পনা দলে আৰু বিশিষ্ট কবি, নৃত্যশিল্পী টুটুমণি নাথ মেধিক “কাব্য সুৰভি বঁটা”, বিশিষ্ট সাহিত্যিক, অধ্যাপক ড০ ইকবাল হুছেইন খান আৰু বিশিষ্ট গল্পকাৰ,কবি ৰমেশ চন্দ্ৰ ৰায়ক “কাব্যকীৰ্ত্তি বটাঁ“, বিশিষ্ট উপন্যাসিক, কবি সুলাতা পাত্ৰক “কাব্য কস্তুৰী বঁটা” প্ৰদান কৰা হয়। অনুষ্ঠানত মণিপুৰী ভাষাত ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে দিল্ স লক্ষ্মীন্দ্ৰ সিংহই। অসমৰ জাতীয় সংগীতেৰে কবি সমাৰোহখনিৰ সামৰণি মৰা হয় বুলি “আজিৰ কবিতা”ৰ সম্পাদক বিনয় চলিহা আৰু মেজাংকৰি প্ৰকাশনৰ সচিব ঊষামণি শইকীয়াই জানিবলৈ দিয়ে ।

# দোংপাৰত কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩০ জুলাই ঃ** বিটিআৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু প্ৰজ্ঞাজ্যোতি জাতীয় বিদ্যালয়, দোংপাৰৰ সহযোগত অলপতে প্ৰজ্ঞা জ্যোতি জাতীয় বিদ্যালয়, দোংপাৰত অনুষ্ঠিত হোৱা ৯ দিনীয়া জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ আজি সফল সামৰণি পৰে। শিক্ষক ৰবিৰাম ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত সামৰণি অনুষ্ঠানত তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়ন, জ্যোতিষ দাস, উমেশ দাস আদিয়ে অংশগ্ৰহণ কৰি প্ৰশিক্ষাৰ্থী সকলক উৎসাহিত কৰে। সামৰণি অনুষ্ঠানত কণ কণ প্ৰশিক্ষাৰ্থী সকলে জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীত পৰিৱেশন কৰি অনুষ্ঠানটি উপভোগ্য কৰি তোলে। প্ৰশিক্ষকদ্বয় শ্যামল দাস, প্ৰতাপ ব্ৰহ্ম আৰু প্ৰবীণ শিল্পী নগেন ৰাভাকে ধৰি বহু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা আৰু বহু সংখ্যক অভিভাৱকে অংশগ্ৰহণ কৰা সামৰণী সভাতে প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ সমূহ বিতৰণ কৰা হয়।

# শ্ৰীমন্ত শংকৰ মিছনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩০ জুলাই ঃ** উত্তৰ পূব ভাৰতৰ অন্যতম আগশাৰীৰ মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিচনৰ ২০১৯-২০২১ বৰ্ষৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন অহা ৩১ জুলাইত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ’ব। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিস্থিত শ্ৰীমন্ত শংকৰ মিছনৰ মুখ্য কাৰ্যালয়ৰ লোকসেৱক হলধৰ ভূঞা সভাগৃহত অনুষ্ঠিত হ’বলগীয়া সাধাৰণ সভাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি প্ৰকাশ কৰিছে মিশ্যনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই। সাধাৰণ সভাৰ কাৰ্যসূচী অনুসৰি ৩১ জুলাই পুৱা স্বচ্ছ ভাৰত কাৰ্যসূচী, মিশ্যনৰ পতাকা উত্তোলন,গছ পুলি ৰোপণ, স্মৃতি তৰ্পণ কাৰ্যসূচীৰ পাছত দিনৰ ১০-৩০ বজাত দ্বি-বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হ’ব। বিয়লি পুৰণি বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতিৰ পদত্যাগ আৰু নতুন বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ’ব। উক্ত সাধাৰণ সভাত শ্ৰীমন্ত শংকৰ মিচনৰ ৰাজ্য খনৰ বিভিন্ন প্ৰান্তত থকা সদস্য সকলক উপস্থিত থাকিবলৈ শ্ৰীমন্ত শংকৰ মিছনৰ সভাপতি ডা: ধীৰেন বৰকাকতী আৰু সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই অনুৰোধ জনাইছে।

## জি এছ এ উদ্যোগত ৰাজ্যিক ৰেংকিং বেডমিণ্টন

**গুৱাহাটী, ৩০ জুলাই ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই অহা পহিলা আগষ্টৰ পৰা আয়োজন কৰিছে এছবিআই প্ৰেজেন্টছ য়'নেক্স ছানৰাইজ ২২ সংখ্যক সদৌ অসমৰ ৰেংকিং বেডমিণ্টন টুৰ্নামেণ্ট ২০২২ ।আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা বৰুৱা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতাৰ পাঁচ আগষ্টত সামৰণি পৰিব। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডনবস্কো বিশ্ববিদ্যালয়ৰ ছেবাষ্টিয়ান মেথিউ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদ। প্ৰতিযোগিতাত ৰাজ্যৰ ৭০০ ৰো অধিক শ্বাটলাৰে অংশ ল'ব।

## বৰক্সিংৰ প্ৰি-কোৱাৰ্টাৰত ভাৰতৰ হুছাম মহম্মদ

### আজি মহিলা ক্ৰিকেটত ভাৰত-পাকিস্তান

**বাৰ্মিংহাম, ৩০ জুলাই ঃ** ভাৰতৰ হুছাম মহম্মদে দ্বিতীয়জন বক্সৰৰূপে চলিত কমনৱেলথ গেমছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাত ভাৰতীয় বক্সাৰজনে ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। উল্লেখ্য যে ইয়াৰপূৰ্বে কালি দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০-৬৩.৫ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়।ইফালে, আজি স্ক'ৱাছত ভাৰতৰ সৌৰভ ঘোষালে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত ভাৰতৰ জ্যোৎস্না চিনাপ্পাই বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ১১-৯, ১২-১০ ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, বেডমিণ্টনৰ মিক্সড শাখাত ভাৰতে সহজে পৰাস্ত কৰে শ্ৰীলংকাক। আনহাতে, টেবুল টেনিছৰ পুৰুষ দলে ৩-০ ৰ ব্যৱধানত উত্তৰ আয়াৰলেণ্ডক পৰাস্ত কৰি তৃতীয় বিজয় সাব্যস্ত কৰে। কিন্তু মাৰাথনত ১২ নম্বৰ স্থানত থাকিয়ে বিদায় লয় ভাৰতৰ নৰেন্দ্ৰ সিং ৰাৱটে। চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ভাৰতৰ মহিলা ক্ৰিকেট দল মুখামুখি হ'ব পাকিস্তানৰ। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮) তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭) হাতত। আনহাতে, পকিস্তানো বাৰ্বাডোজৰ বিৰুদ্ধে পৰাস্ত হয়।



## এছিয়ান ব'ডী বিল্ডিংৰ সফলতাৰে বিশ্ব চেম্পিয়নশ্বিপলৈ নিৰ্বাচিত ছায়া

**গুৱাহাটী, ৩০ জুলাই ঃ** মালদ্বীপত অনুষ্ঠিত হৈ যোৱা এছিয়ান বডি বিল্ডিং চেম্পিয়নশ্বিপত অংশ লৈ তেজপুৰৰ এগৰাকী দুটা সন্তানৰ মাতৃ ছায়া বৰুৱাই পঞ্চম স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, এই প্ৰতিযোগিতাত এছিয়াৰ ২৪ খন দেশৰ প্ৰায় চাৰি হেজাৰ প্ৰতিযোগীয়ে অংশ লৈছিল। এই প্ৰতিযোগিতাত লাভ কৰা সফলতাৰ বাবেই তেজপুৰৰ ছায়া বৰুৱাই অহা ছয় ডিচেম্বৰৰ পৰা থাইলেণ্ডত অনুষ্ঠিত হ'ব লগা বিশ্ব বডি বিল্ডিং চেম্পিয়নশ্বিপত অংশ গ্ৰহণ কৰাৰ বাবেও ভাৰতীয় দললৈ নিৰ্বাচিত হৈছে। উল্লেখ্য যে বৰুৱাই সাংসাৰিক ব্যস্ততা, নিজৰ ব্যৱসায় প্ৰতিষ্ঠাৰ কৰ্ম ব্যস্ততাৰ মাজতো কঠোৰ সাধনা আৰু একাগ্ৰতাৰে শৰীৰ চৰ্চাত জড়িত হৈ শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোগাসন, সৌন্দৰ্য চৰ্চাৰ লগতে শৰীৰ চৰ্চাৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় একাধিক প্ৰতিযোগিতাত বিগত সময়ত তেজপুৰলৈ সুনাম কঢ়িয়াই আনিছে বৰুৱাই। বৰুৱাৰ এই সাফল্যৰ বাবে ভাৰতীয় শৰীৰ চৰ্চা ফেডাৰেচনৰ লগতে অসম শৰীৰ চৰ্চা সন্থাই খেলুৱৈ গৰাকীক শুভেচ্ছা জনাইছে। বডি বিল্ডিংৰ দৰে ক্ৰীড়াত মহিলাৰ অংশ গ্ৰহণ বহুতৰে বাবে এক প্ৰত্যাহ্বানপূৰ্ণ বিষয় হিচাপে চিহ্নিত হোৱাৰ সময়ত বৰুৱা এইক্ষেত্ৰত তেওঁৰ পৰিয়াল তথা শুভাকাংক্ষী সকলৰ উৎসাহৰ বাবেই আগবাঢ়িব পাৰিছে বুলিও ব্যক্ত কৰে।

## বড়মপুৰ স্প'ৰ্টছ ক্লাবৰ জয়

**গুৱাহাটী, ৩০ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএগা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত বড়মপুৰ স্প'ৰ্টছ ক্লাবে নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলখনত বড়মপুৰ ক্লাবৰহৈ বিদ্যুৎ বনিয়া আৰু গোমে ৰাভাই গ'ল দুটা দিয়াৰ বিপৰীতে নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছৰহৈ ৰাকেশ আমফিয়ে একমাত্ৰ গ'লটো দিয়ে।

## প্ৰথম টি-২০ ত ভাৰতৰ জয়লাভ



**প'ৰ্ট অব স্পেইন, ৩০ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰাৰ পাছত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচতো ৬৮ ৰাণত জয়লাভ কৰি ১-০ ৰ অগ্ৰগতি লৈছে। যোৱানিশা অনুষ্ঠিত হোৱা প্ৰথমখন টি-২০ মেচত পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত ছয় উইকেটত ১৯০ ৰাণ কৰে। দলৰ হৈ অপেনাৰ তথা অধিনায়ক ৰোহিত শৰ্মাই ৬৪ আৰু দিনেশ কাৰ্তিকে ৪১ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে ১৯১ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ২০ অভাৰত ১২২-৮ ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ অশ্বিন, অৰ্শ্বদীপ তথা ৰবী বিষ্ণয়ে দুটাকৈ উইকেট পায়। পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ অহা পহিলা আগষ্টত অনুষ্ঠিত হ'ব।

## মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত নগেন বৰা ফুটবল লীগ কোৱাৰ্টাৰত হোলোংগুৰি

**গুৱাহাটী, ৩০ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত হোলোংগুৰি চাহ বাগিচা ফুটবল দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে । আজি গ্ৰুপ লীগৰ হোলোংগুৰিৰ অন্তিমখন খেলত দলে উদয়ন সংঘক একমাত্ৰ গ'লত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । গ্ৰুপ লীগত তিনিওখন খেলত জয়ী হৈ হোলোংগুৰিয়ে অন্তিম আঠটা দলৰ মাজত নিজৰ স্থান নিশ্চিত কৰে । আজি খেলৰ চাৰি মিনিটত হোলোংগুৰিৰ বিতুপন কাৰৱাই বিজয়সুচক গ'লটো দিয়ে। খেলখন পৰিচালনা কৰে নিত্যৰঞ্জন ফুকন, দিব্যজ্যোতি শইকীয়া, বাবুল দেৱ আৰু নেইনা ভূমিজে।

কাইলৈৰ খেল ঃ কাঁঠালগুৰি এফ চি বনাম নাগাজাংকা চাহ বাগিচা ফুটবল দল।

## বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন গোগামুখ মহৰিকেম্পত ৭৬সংখ্যক স্বাধীনতা দিৱসৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৩০ জুলাই ঃ** ধেমাজি জিলাৰ গোগামুখৰ মহৰিকেম্পত দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ লগতে মহৰিকেম্পস্থিত ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্পৰ ৫০ বছৰ পূৰ্ত্তি উপলক্ষে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰ হ'ব। স্বাধীনতা দিৱস আৰু খেলপথাৰখনৰ সোণালী জয়ন্তী বৰ্ষ সফলভাৱে উদ্‌যাপন কৰিবলৈ দেবানন্দ বৰাক সভাপতি, দেৱ পেগু, ৰাজেন মিলি, বিনোদ পেগু, দেৱজিৎ গগৈ, মনিকান্ত মিলি, ঘনকান্ত পেগু, গৌতম দলেক উপসভাপতি, সনাতন দলেক সম্পাদক, জয়জ্যোতি কাৰ্দং, ৰোহিত চুতীয়াক ক্ৰীড়া সম্পাদক হিচাপে লৈ এক শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিৰ সম্পাদক সনাতন দলে, ক্ৰীড়া সম্পাদক জয়জ্যোতি কাৰ্দং আৰু ৰোহিত চুতীয়াই জনোৱা মতে স্বাধীনতা দিৱস উপলক্ষে ফুটবল, ভলীবল, বেটমিণ্টন, বাস্কেট বল আদি বিভিন্ন খেল অনুষ্ঠিত হ'ব। ফুটবল খেলত এইবাৰ সীমিত দল অংশ কৰিবলৈ সুবিধা দিয়া হৈছে। অংশগ্ৰহণৰ সুবিধা পোৱা দলসমূহ হৈছে-গোগামুখ মহাবিদ্যালয় এফ চি, লুড' এফ চি, মাজুলী কাৰচাং এফ চি, লখিমপুৰ নকাড়ী এফ চি, মধ্য মাজুলী এফ চি, জি এম এছ এফ চি, গোগামুখ ইউনাইটেড এফ চি, কচুতলী, শলখবাৰী, গোগামুখ মৰ্ণিং, মিচিং আৰ, গোপাল কৃষ্ণ, ওখমাটি, জেন-নে' মাজুলী, মহৰিকেম্প, চুতীয়াপাৰা এফ চি। চূড়ান্ত খেলখন ১৫ আগষ্টত অনুষ্ঠিত হ'ব আৰু উক্ত দিনা সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হ'ব বুলি তেওঁলোকে জানিবলৈ দিছে।

## লন বলৰ তৃতীয় মেচতো পৰাস্ত অসমৰ তানিয়া চৌধুৰী



**বাৰ্মিংহাম, ৩০ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰা অসমৰ তানিয়া চৌধুৰীয়ে লন বলৰ একক শাখাৰ নিজৰ তৃতীয়খন মেচতো আজি পৰাজয়ৰ সন্মুখীন হয়। ৱেলছৰ লৌড়া ডেনিয়েলে ২১-১০ ৰ ব্যৱধানত পৰাস্ত কৰে অসম কন্যা তানিয়াক। উল্লেখ্য যে কালি তানিয়া প্ৰথম দুখন মেচত পৰাস্ত হৈছিল। তানিয়াৰ মেচেৰেই ভাৰতে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। কিন্তু অসম কন্যা তানিয়া প্ৰথম মেচত স্কটলেণ্ডৰ বিৰুদ্ধে ২১-১০ ত পৰাস্ত হোৱাৰ বিপৰীতে দ্বিতীয় মেচতো ফাল্কলেণ্ড আইছলেণ্ডৰ খেলুৱৈৰ হাতত ২১-২০ ত পৰাস্ত হয়। লন বলত ভাৰতৰ পুৰুষ দলো নিউজিলেণ্ডৰ হাতত ২৩-৬ আৰু স্কটলেণ্ডৰ হাতত ১৯-১২ ৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে কমনৱেলথ গেমছৰ ভাৰতীয় লন বল দলত অসমৰ তিনি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ১২ জনীয়া দলত স্থান লাভ কৰিছে অসমৰ তানিয়া চৌধুৰী, নয়নমণি শইকীয়া আৰু মৃদুল বৰগোঁহায়ে।

## বড়মপুৰ স্পৰ্টছ ক্লাবৰ দ্বিতীয় জয়

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ৩০ জুলাই ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ক্ৰীড়া সংস্থাৰ চলিত বৰ্ষৰ নৱ কুমাৰ ভূএগা তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত খেলত বড়মপুৰ স্পৰ্টছ ক্লাবে নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰছ দলক ২-১ গ'লত পৰাস্ত কৰি লীগৰ পইন্ট অৰ্জন কৰে। বড়মপুৰৰ বিদ্যুৎ বনিয়াই ১৭ মিনিটত দিয়া গ'ল ষ্ট্ৰাইকাৰছৰ ৰাকেশ আমফিয়ে ৩২ মিনিটত পৰিশোধ কৰাত বিৰতিৰ সময়লৈ খেলখন ১-১ গ'লত ড্ৰ হৈ থাকে। বিৰতিৰ পাছত বড়মপুৰৰ হৈ জয়সূচক গ'লটো দিয়ে কুঞ্চে ৰাভাই খেলৰ ৮৮ মিনিটত।

## বাস্কেটবল সম্পৰ্কীয় আলোচনা চক্ৰ গুৱাহাটী ক্ৰীড়া সন্থাৰ

**গুৱাহাটী, ৩০ জুলাই ঃ** মহানগৰীৰ বাস্কেটবল প্ৰশিক্ষকসকলৰ বাবে আজি হোটেল লেগুমাৰ্কত গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰে এক আলোচনাচক্ৰ। এই আলোচনাচক্ৰত বক্তা হিচাপে অংশ লৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ মৈথিলী হাজৰিকাই প্ৰশিক্ষকসকলৰ মনস্তাত্বিক আচৰণ সম্পৰ্কে বক্তৃতা দিয়ে। প্ৰশিক্ষক ভৱজ্যোতি ভট্টই মৌলিক কৌশল বিকাশ সম্পৰ্কে বক্তৃতা দিয়ে। আন এগৰাকী বক্তা তথা ৰাষ্ট্ৰীয় বাস্কেটবল খেলুৱৈ দেৱ কুমাৰ বৰুৱাই নতুন নীতি নিয়ম আৰু বাস্কেটবলত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বক্তৃতা দিয়ে। এই আলোচনাচক্ৰত ১৩ গৰাকী প্ৰশিক্ষকে অংশ লয়।

## ভেৰগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত বি-ডিভিজন ফুটবল লীগৰ অন্তিম খেল

### ১-০ গ'লৰ ব্যৱধানত বগৰিবাৰী জৌংচাৰ ক্লাবৰ জয়লাভ

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ৩০ জুলাই ঃ** ভেৰগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত কৰা আন্তঃক্লাব বি-ডিভিজন ফুটবল লীগ- ২০২২ৰ অন্তিম খন খেল আজি ভেৰগাঁও উচ্চ বিদ্যাপীঠ খেলপথাৰত অনুষ্ঠিত হয়।উদমাৰী বিশ্ব ভাৰতী ক্লাব আৰু বগৰীবাৰী জৌংচাৰ ক্লাবৰ মাজত অনুষ্ঠিত হোৱা বি ডিভিজনৰ অন্তিম খেলখন শুভ উদ্বোধন কৰে প্ৰাক্তন ফুটবল খেলুৱৈ তথা সমাজ সেৱক মাধৱ ৰাভাই লগত উপস্থিত থাকে ক্ৰমে অসম ফুটবল সন্থাৰ উপসভাপতি লক্ষী ৰাম বড়ো, ইউপিপিএলৰ নেতা মোনমোহন বড়ো, ভেৰগাও এবছুৰ সভাপতি নগেন বড়োৰ লগতে ভেৰগাঁৱৰ প্ৰতিষ্ঠিত ব্যৱসায়ী আৰ কে কছাৰী সহ



কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তিনি শতাধিক দৰ্শকে উপভোগ কৰা বি-ডিভিজনৰ অন্তিম খেলখনৰ ফলাফল অনুযায়ী জিৰণীৰ পিছত বগৰিবাৰী জৌংচাৰ ক্লাৱৰ খেলুৱৈ সুমিন বড়োৰ একমাত্ৰ গ'লেৰে উদমাৰী বিশ্বভাৰতী ক্লাৱক পৰাস্ত কৰি ১-০ গ'লৰ ব্যৱধানত বগৰিবাৰী জৌংচাৰ ক্লাৱৰ জয়লাভ।

## জিলা কাৰাটে আৰম্ভ

**গুৱাহাটী, ৩০ জুলাই ঃ** বিহপুৰীয়া মহাবিদ্যালয় ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে লখিমপুৰ জিলা ভিত্তিত সপ্তম বাৰ্ষিক কাৰাটে প্ৰতিযোগিতা ।লখিমপুৰ জিলা কাৰাটে সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনি আজি দুপৰীয়া উদ্বোধন কৰে বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ সহকাৰী পৰিদৰ্শক আব্দুৰ ৰাজ্জাকে ।লখিমপুৰ জিলা কাৰাটে সন্থাৰ সম্পাদক মনোজ গগৈয়ে আতঁ ধৰা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত সদ্য অনুষ্ঠিত যুৱ অলিম্পিকৰ কাৰাটে প্ৰতিযোগিতাৰ কুমিটে শাখাত সোনৰ পদক লাভ কৰা ননী গোপাল দত্ত, ব্ৰঞ্জৰ পদক লাভ কৰা মিৰাজ আলি আৰু ছোৱালীৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা ইয়াটি গুপ্তাক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উদ্বোধনী সভাত বিহপুৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক কৃষ্ণ কমল শইকীয়াৰ লগতে সন্থাৰ সভাপতি ৰাজকুমাৰ বৰাই অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনিত জিলাখনৰ ১৪ টা ক্লাবৰ ২৫০ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছে।

## জি এছ এ উদ্যোগত ৰাজ্যিক ৰেংকিং বেডমিণ্টন

**গুৱাহাটী, ৩০ জুলাই ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই অহা পহিলা আগষ্টৰ পৰা আয়োজন কৰিছে এছবিআই প্ৰেজেন্টছ য়'নেক্স ছানৰাইজ ২২ সংখ্যক সদৌ অসমৰ ৰেংকিং বেডমিণ্টন টুৰ্নামেণ্ট ২০২২ ।আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা বৰুৱা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতাৰ পাঁচ আগষ্টত সামৰণি পৰিব ।প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডনবস্কো বিশ্ববিদ্যালয়ৰ ছেবাষ্টিয়ান মেথিউ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদ। প্ৰতিযোগিতাত ৰাজ্যৰ ৭০০ ৰো অধিক শ্বাটলাৰে অংশ ল'ব।

## অসম যুথ অলিম্পিক গেমছ-২০২২ ওদালগুৰি জিলাৰ পদক প্ৰাপক খেলুৱৈক উষ্ম সম্বৰ্ধনা

### উন্নত মানদণ্ডৰ ষ্টেডিয়াম কৰিবলৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক আহ্বান

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ৩০ জুলাই ঃ** অসম যুথ অলিম্পিক গেমছ-২০২২ত ওদালগুৰি জিলাৰ পৰা অংশগ্ৰহণ কৰি বিভিন্ন ইভেণ্টত পুৰস্কাৰ প্ৰাপক খেলুৱৈসকলৰ ভিতৰত হাই জাম্প, ৩০০০ মিটাৰ দৌৰ, ডিস্কাছ থ্ৰ', ফেন্সিঙ আদি ইভেণ্টৰ খেলত ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰি হতাশাৰ মাজত অযুত সম্ভাৱনাৰ সৃষ্টি কৰিছে।অনুশীলন কৰিবলৈ ভাল ক্ৰীড়াঙ্গন নথকা বা আন্তগাঁথনি নথকা অৱস্থাটো ছয় গৰাকী খেলুৱৈয়ে ওদালগুৰি জিলালৈ সুনাম কঢ়িয়াই অনা বাবে জিলা ক্ৰীড়াবিদ, ক্ৰীড়ানুৰাগী ব্যক্তিসকলে সন্তুষ্টিৰ হাঁহি মাৰিছে। ৩০০০ মিটাৰ দৌৰত সাবিয়া চবৰে ব্ৰঞ্জ, ল'ৰাৰ হাই জাম্পত সমীৰ মেছে ব্ৰঞ্জ, ডিস্কাছ থ্ৰ'ত মাইনাও বড়ো ব্ৰঞ্জ, ছোৱালীৰ হাই জাম্পত সান্ত্বনা বড়োই ৰূপ, কল্যাণী বড়োই ব্ৰঞ্জ আৰু ফেন্সিঙত প্ৰিয়ংকা বড়োই ৰূপৰৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈ জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। টংলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত খেলুৱৈয়ে ৰাগবি খেলত জিলাৰ হৈ অসম যুৱ অলিম্পিকক অংশগ্ৰহণ কৰি ছোৱালীৰ দলটিয়ে ৰূপৰ পদক অৰ্জন কৰিও ক্ৰীড়ানুৰাগী ব্যক্তিসকলক আশাৰ বতৰা কঢ়িয়াই আনিছে। জিলা এথলেটিকছ প্ৰশিক্ষক মুকুন্দ শৰ্মা বৰুৱা, চন্দ্ৰ ঠাকুৰীয়া, ৰাগবি খেলৰ প্ৰশিক্ষক নিপম ৰাভা, মৃদুল নাৰ্জাৰী, আন্তৰাষ্ট্ৰীয় কাবাদী ৰেফাৰী নমল ৰাভা, ফেন্সিঙ খেলৰ প্ৰশিক্ষক তিলক বড়ো, ধ্ৰুৱজ্যোতি ৰাভাই পদক অৰ্জন কৰা খেলুৱৈসকলক উষ্ম অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। টংলা ক্ৰীড়া সন্থাৰ সম্পাদক ভাৰত চন্দ্ৰ ৰাভাই আঁত ধৰা আবেলি ৫ বজাত অনুষ্ঠিত অনুষ্ঠানত সন্থাৰ সভাপতি তথা অসম থাই বক্সিং সন্থাৰ কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বৰাই ভাল আন্তঃগাঁঠনি ,পৰ্যাপ্ত সুবিধা নথকা ক্ৰীড়া নগৰী টংলাস্থিত ষ্টেডিয়ামত ফুটবল, ভলীবল, কাবাদী, এথলেটিকছ আদি বিভিন্ন ইভেণ্টৰ খেল খেলি, অনুশীলন কৰি জিলা, আন্তঃজিলা, ৰাজ্যিক তথা আন্তৰ্জাতিক পৰ্যায়ৰ খেলুৱৈ সৃষ্টি কৰিবলৈ সক্ষম হোৱা ষ্টেডিয়ামখন অতি শীঘ্ৰে উন্নত মানদণ্ডৰ কৰিবলৈ অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীক অনুৰোধ জনায়।



**NOTICE INVITING QUOTATION**

Quotation (sealed with lah) is hereby invited from the registered supplier in prescribed format affixing court fee stump of Rs. 8.25 (Rs Eight and paisa twenty five) only, to supply of following inputs for the components "Input supply in new pond", "Input supply in integrated fish farming" & "Fingerling stocking in wet-lands" under the scheme PMMSY 2020-21 & PMMSY 2021-22 for Golaghat District. The terms and condition, technical specification and other details may be obtained from the office of the undersigned during office hours 10.00AM to 2.00PM. The quotation will be received by the office of the undersigned in designated tender box from 10.00 AM to 1.00 PM of 08th August, 2022 and will be opened on the same day at 1.30 PM in presence of the quotationers or their authorized representative(s). The undersigned is not bound to accept the lowest rate and reserves the right to reject the tender in part or whole without assigning any reasons thereof.

The bid will be in two bid system. (1) Technical bid and (2) Price bid. For technical bid the quotationer will have to fill up the prescribed proforma and attach the documents as mentioned in the proforma given with the notice and seal them in one cover. For price bid the quotationer will have to quote the rate both in figure and words for the items including transportation cost to the project site/ O/o DFDO and seal in another cover. Both the bids (covers) will enter in to another seal cover where they will write their name and address etc.

**GROUP A**

| Sl no | Item | Specification | Govt. rate (nos.) | Quantity (in nos.) |
|---|---|---|---|---|
| 1 | FISH SEED (SIZE > 5 inch) | Size > 5 Inch Indian Major carp & exotic carp | Rs.5.00/No. | 72000 |
| 2 | FISH FINGERLING (SIZE >3 inch) | Size > 3 Inch Indian Major carp & exotic carp | Rs.3.00/No. | 4800 |

**GROUP B**

| Sl no | Item | Specification | Govt. rate (nos.) | Quantity (in Kg) |
|---|---|---|---|---|
| 1 | FORMULATED FISH FEED | 4mm pelleted with 26-28% CP Floating- 50%, Sinking- 50% | Rs.46.00/kg. | 11305 |
| 2 | POULTRY FEED | - | Rs. 40.00/kg | 2000 |

**Eligibility criteria:**

1. The successful quotationer will have to supply the fish seed at the project site and fish and poultry feed to the office of the undersigned as per requirement.
2. In no case the amount of contract will exceeded the estimated value.
3. The respective bidder shall sign on all reference, information and certificate.
4. Tenders have to bring the certificates in original for verification during scrutiny if needed.
5. Quotationer should submit the quotation to the undersigned not later than 1.00PM on 08/08/2022, if the specified date declared as a holiday quotation shall be received up to the appointed time on the next working day.
6. Quotationer must submit GST clearance certificate, if applicable.
7. For supply of fish seed the quotationer should be registered in the Fishery Department, Assam as Fish Seed producer/Grower and a copy of up to date renewal certificate is to be submitted along with the quotation.
8. Fish Seed supplied are to be packed/delivered indicating species combination (equal quantity in each pack) as per convenience, pack wise details of which must be properly documented in a sheet indicating species - wise quantity and size range. The documents duly signed with seal by the supplier are to be submitted to the DFDO/his representative at the time of delivery of seeds.
9. The formulated fish feed should contain 26-28% protein (To be reflected in food quality certificate in technical bid).
10. The fish seed should be supplied in live and healthy condition to the beneficiaries in a single installment within the stipulated time from the date of issue of the supply order at the project site in presence of concerned DFDO or his authorized representatives.
11. The fish feed supplier should be a fish feed manufacture/authorized dealer/ agent by the component authority. (Supporting documents of registration/ trade license as application to be furnished)
12. Quotationer should submit the quotation as per group as shown in the notice.
13. The tendered/ quotationer should have minimum three years experience in the particular trade (Supply of fish seed/ fish feed) in Fishery Department. They should submit relevant supporting documents like successful completion certificate, performance certificate etc. as proof. They should submit their complete address, phone number, email address etc. along with the tender or quotation.
14. The envelope must contain the following documents for eligibility criteria-
    a) Duly Signed bid document (Should be signed in each and every page).
    b) Pan card.
    c) Income tax clearance certificate (If applicable).
15. Item during or after supply, if not found conforming as per specification will be summarily rejected.
16. Preference may be given to owner of hatcheries or fish feed mill constructed through support under different schemes of fishery department. Preference also be given to the seed/ feed producer within the jurisdiction of Golaghat district.
17. Packing of fish feed should be in equal quantity in each bag/ pack (preferably in 50kg pack or as per original packing of manufacture). Feed composition, date of manufacturing, expiry date etc. should be mention clearly in each pack/ bag.
18. The tendered/ quotationer for fish feed should agree to arrange quality test of the feed sample in any ICAR institute/ (State/ Central) Agricultural universities/ recognized institutes, if required, as asked by the department at any time of supply at their own cost. Department shall not bear any cost towards sample testing, if required.

Sd/
District Fishery Development Officer,
Golaghat

Janasanyog /C/7412/22

# তৌফিকদাৰ সান্নিধ্য

■ উৎপল বাদল বৰুৱা



মই চেন্নাইত (তেতিয়াৰ মাদ্ৰাজ) ছাত্ৰ হৈ থকা দিনৰ কথা। কেন্দ্ৰত তেতিয়া বিশ্বনাথ প্ৰতাপ সিঙৰ চৰকাৰ। সেই সময়তে এদিন খবৰ ওলাল কেন্দ্ৰীয় চৰকাৰৰ আইন মন্ত্ৰীজন তামিলনাডুলৈ আহিব। ১৯৮৯ চন। সেই আইন মন্ত্ৰীজন আন কোনো নহয় অসমৰ সন্তান প্ৰয়াত দীনেশ গোস্বামীদেৱ। সিদ্ধান্ত হ'ল তেখেতক মাদ্ৰাজত থকা অসমীয়া লোকসকলে সম্বৰ্ধনা জনাবলৈ এটা অনুষ্ঠানৰ আয়োজন কৰিব। মাউণ্ট ৰোডৰ কিছু নিলগত জেমেনি কলপ্লেক্স বুলি কোৱা ঠাইখনৰ ওচৰতে থকা পামগ্ৰ'ভ নামৰ হোটেলখনতে এই সম্বৰ্ধনা জনোৱাৰ অনুষ্ঠানটো পতা হৈছিল। এই গোটেই কামটোৰ দায়িত্ব মূৰ পাতি লৈ দৌৰা-দৌৰি কৰা মানুহজন আছিল কেন্দ্ৰীয় চৰকাৰৰ ক্ষুদ্ৰ শিল্প উদ্যোগ বিভাগৰ উচ্চপদস্থ বিষয়া তৌফিক উদ্দিন আহমেদ। সেই সভাখনত কৰ্মৰত অসমীয়া লোকসকলৰ উপৰিও ছাত্ৰসকলকো উপস্থিত থাকিবলৈ খবৰ দিয়া হৈছিল। তৌফিকদাৰ লগত সেইয়াই আছিল মোৰ প্ৰথম পৰিচয়।

সেইদিনা সভাখন আছিল মূলতঃ আনুষ্ঠানিক। তৌফিকদাই আঁত ধৰা সভাখনত সেই মহানগৰীখনত অসমীয়া লোকসকলে পোৱা কেতবোৰ অসুবিধাৰ কথাই আলোচনা কৰা হৈছিল। তাৰ ভিতৰত আজিও মোৰ মনত থকা এটা বিষয় আছিল— মাদ্ৰাজত এটা 'অসম হাউছ' লাগে। ইয়াৰ অবিহনে অসমৰ পৰা চিকিৎসাৰ বাবে অহা লোকসকলে অনেক সমস্যাৰ সন্মূখীন হ'ব লগাত পৰে। সেইদিনাই গম পাইছিলো, মাদ্ৰাজত অসম আৰু অসমীয়াৰ কথা লৈ সৰৱ হৈ থকা অসমীয়া মানুহকেইজনৰ ভিতৰত তৌফিকদা আছিল অন্যতম।

অলপ সময় কথা পতাৰ পিছতে গম পালোঁ অসমীয়া আলোচনী আৰু শব্দ-শৃংখলত সততে দেখা চিনাকি নাম 'তৌফিক-মুকুল' তেখেতেই। মুকুল আছিল তেখেতৰ ঘৰত মতা নাম। অলপ সময়ৰ ভিতৰতে তেখেতৰ লগত মই ঘনিষ্ঠ হৈ পৰিলোঁ। তদুপৰি তেখেতৰ পৰিবাৰ মোৰ সহপাঠী ইফটিখাৰ আমিনৰ মাহীয়েক- আৰিফা মাহী। ফলত মাজে মাজে মই তেখেতসকলৰ ঘৰলৈ আলহী হৈ যাব পৰাৰো সুযোগ ওলাল। মই সেইখন মহানগৰীত ছাত্ৰ হৈ থকা অৱস্থাত আৰিফা মাহীৰ হাতৰ কিমান সুস্বাদু ব্যঞ্জন খালো তাৰ কোনো হিচাপ নাথাকিল।

সাহিত্য অনুৰাগী তৌফিকদা আছিল হাড়ে-হিমজুৱে অসমীয়া। বিস্ময়, ৰহস্য আদি আলোচনীত তেখেতে মনোৰঞ্জনধৰ্মী গল্প লিখিছিল আৰু বহুবছৰ কে'বাখনো আলোচনীৰ 'শব্দ শৃংখল' নামৰ শিতান এটা পৰিচালনা কৰিছিল। এবাৰ ড° ভবেন্দ্ৰনাথ শইকীয়া ছাৰ চকু চিকিৎসাৰ বাবে মাদ্ৰাজলৈ গৈছিল। খবৰটো পায়েই তেখেত গৈ শংকৰ নেত্ৰালয় ওলাইছিলগৈ আৰু পিছৰ দেওবাৰটোত তেখেতৰ ঘৰলৈ দুপৰীয়া ভাত খাবলৈ নিমন্ত্ৰণ জনাইছিল। সেই নিমন্ত্ৰণৰ ভাগ মযডো পাইছিলো। অসমীয়া শব্দৰ ওপৰত থকা তেখেতৰ দখল দেখি ছাৰ অভিভূত হৈ পৰিছিল আৰু প্ৰান্তিকত লিখিবলৈ তেখেতক পৰামৰ্শ দিছিল। সেইদিনাৰ অভিজ্ঞতাৰ কথা ছাৰে তেখেতৰ আত্মজীৱনীৰ পাততো উল্লেখ কৰি গৈছে। তৌফিকদাই খুশৱন্ত সিং পঢ়ি বৰ ভাল পাইছিল। সেয়ে সুবিধা পালেই মই গৈ তেখেতৰ অফিচ ওলাইছিলোগৈ আৰু তেখেতৰ লগত দীঘলীয়াকৈ আড্ডা মাৰিছিলোঁ। সেইসময়ত মাদ্ৰাজত বাস কৰা অসমীয়া লোকসকলৰ মাজত মাজে মাজে সাহিত্য সম্পৰ্কীয় আলোচনা চক্ৰ পতা হৈছিল। এই আলোচনাৰো গুৰি ধৰিছিল তৌফিকদাই। তেনে আলোচনা চক্ৰবোৰ ৰসাল কৰি তুলিছিল তৌফিকদাৰ কাহিনী আৰু গল্প কথাই। ১৯৯০ চনত ছাত্ৰসকলে প্ৰকাশ কৰা 'ব্ৰহ্মপুত্ৰ' নামৰ আলোচনীখনতো তেখেতে এলবাৰ্ট আইনষ্টাইন আৰু মাৰ্ক টোৱেইনৰ কেইটামান ৰসথকা কথাৰে এটা সৰু নিবন্ধ লিখি সহায় কৰিছিল।

তৌফিকদাৰ যিটো গুণে মোক আজিও তেখেতক মোৰ মনত নমস্য কৰি ৰাখিছে সেইটো হৈছে তেখেতৰ 'পৰৰ দুখত পৰি মৰিব পৰা' গুণটো। এদিনৰ কথা, হঠাতে হিন্দু কাকতত এটা বাতৰি ওলাল। তেল কোম্পানীত চাকৰি কৰা অসমৰ এজন উচ্চ-পদস্থ বিষয়াৰ পত্নীৰ হঠাতে মাদ্ৰাজত মৃত্যু হ'ল। সেইদিনাই আবেলিলৈ তেখেতক সৎকাৰ হ'ব। ঘৰৰ পৰা ইমান দূৰত এনেকুৱা এটা ঘটনা ঘটিল, মানুহজনে বা এতিয়া কেনেকৈ কি কৰিছে, লগত বা কোন কোন আছে বাতৰি কাগজৰ পৰা ঠিকনা লৈ আক-তাক সুধি সুধি অৱশেষত তৌফিকদা গৈ সেই সৎকাৰথলীত উপস্থিত হ'লগৈ। আজিৰ দিনত এইটো এটা আচৰিত হ'ব লগা কথা। এনেকুৱা উদাহৰণ অলেখ আছে। বিশেষকৈ মাদ্ৰাজত চিকিৎসা কৰিবলৈ যোৱা ৰোগীসকলক সেই সময়ত তৌফিকদাই কৰা সহায়ৰ তুলনা নাছিল। তদুপৰি মাদ্ৰাজত শিক্ষাৰ্থী হৈ থকা অনেক লোকৰে অভিভাৱকৰ দৰে আছিল তৌফিকদা।

জীৱনটোক পূৰ্ণোদ্যমে উপভোগ কৰিব খোজা মানুহজন হঠাতে এদিন অসুস্থ হৈ একাকীত্বক আকোৱালি ল'ব লগা হ'ল। লোকক সহায় কৰি ভাল পোৱা মানুহজনে আনৰ সহায় নহ'লে নচলা অৱস্থা হ'ল। তেখেতৰ পত্নী আৰিফা মাহীয়ে ঘৰখনৰ সমস্ত দায়িত্ব মূৰ পাতি লৈ তিনিওজনী ছোৱালীকে ডাঙৰ কৰিলে। এতিয়া তিনিওজনী ছোৱালীয়ে নিজৰ ভৰিত নিজে থিয় হৈ জীৱন বাটত বাট বুলিছে। ১৯৪৩ চনত যোৰহাটৰ লিচুবাৰীত জন্মগ্ৰহণ কৰা তৌফিকদাৰ আৰু ঘৰলৈ উভতি যোৱা নহ'ল। মাদ্ৰাজৰ ভিৰুগামবক্কম নামৰ ঠাইত কেইবাবছৰো বাস কৰাৰ পিছত তেখেতসকলে বাংগালোৰত থাকিবলৈ লৈছিল। প্ৰায় তিনিটা দশক আৰিফা মাহীয়ে নিজৰ সন্তানক প্ৰতিপাল কৰাৰ দৰে তেখেতক পৰিচৰ্যা কৰিছিল। বহুদিনৰ মূৰত লগ পালে তেখেতে অসম, অসমীয়া আৰু অসমৰ সাহিত্যৰ খবৰ সুধি সুধি অন্ত কৰিব নোৱাৰিছিল।

যোৱা ২২ জুন তাৰিখে ৭৯ বছৰ বয়সত তৌফিকদাই সকলোকে এৰি পৰলোকলৈ গমন কৰিলে। আজি ইছলাম ধৰ্ম মতে 'চল্লিছা' পৰিছে। তেখেতৰ স্মৃতিয়ে বৰকৈ আমনি কৰিছে। তৌফিকদালৈ শ্ৰদ্ধাঞ্জলি জনালোঁ।

*(লেখক গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ মুখ্য বিমানকোঠ বিষয়া।)*



## ডাঃ হেডগেৱাৰ স্মাৰক সমিতিৰ প্ৰশংসনীয় পদক্ষেপ

# হৰিজন কলনীৰ শিশুসকলক সংগীত-নৃত্যৰ মাজেৰে সংস্কাৰ দিয়াৰ প্ৰয়াস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুলাই ঃ** সংগীত আৰু নৃত্য কলাৰ জৰিয়তে সমাজ সংস্কাৰিত, বিকশিতৰ লগতে আহ্লাদিত হ'ব পাৰে। সংগীত আৰু নৃত্য কলাই মানুহৰ মন প্ৰশান্তিৰে ভৰাই মানসিক স্তৰ বহু দূৰ আগুৱাই লৈ যোৱাত সহায় কৰে। নৃত্য আৰু সংগীত সমাজৰ এনে এক মাধ্যম যাৰ জৰিয়তে সকলো শ্ৰেণীৰ ব্যক্তিৰ উৎকৰ্ষ সাধিত হব পাৰে। এনে এক প্ৰচেষ্টাৰে ডাঃ হেডগেৱাৰ স্মাৰক সমিতিৰ দ্বাৰা পৰিচালিত বাল্মীকি সংগীত বিদ্যালয়ৰ সৌজন্যত বিগত এমাহ ধৰি গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত নৃত্য কৰ্মশালাৰ আয়োজন কৰি পৰিচালনা কৰি থকা বুলি ডাঃ হেডগেৱাৰ স্মাৰক সমিতিয়ে এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। বিশেষকৈ গুৱাহাটী মহানগৰীৰ আৰ্থিকভাৱে পিছপৰা হৰিজন কলনীৰ কণ-কণ ছাত্ৰ ছাত্ৰী সকলক সংস্কাৰিত কৰাৰ উদ্দেশ্যেৰে সম্পূৰ্ণভাৱে বিনামূলীয়াকৈ বিভিন্ন অঞ্চলত এই কৰ্মশালা আয়োজন কৰা হৈছিল। উক্ত কৰ্মশালাত অসমৰ জাতীয় প্ৰাণ স্বৰূপ সত্ৰীয়া নৃত্যৰ লগতে ভোৰতাল নৃত্যৰ প্ৰশিক্ষণ দিয়া হয়। এমাহ ধৰি চলি থকা কৰ্মশালাৰ শুকুৰবাৰে সন্ধিয়া সামৰণি পৰে। হেঙেৰাবাৰীস্থিত সুদৰ্শনালয়ত অনুষ্ঠিত কৰ্মশালা সামৰণী অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সহ ক্ষেত্ৰীয় প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই। ডাঃ হেডগেৱাৰ স্মাৰক সমিতিৰ সভাপতি খগেন শইকীয়া, মহানগৰ সংঘচালক গুৰুপ্ৰসাদ মেধি, জ্যেষ্ঠ প্ৰচাৰক ভাস্কৰ কুলকাৰ্নীকে ধৰি বহুসংখ্যক লোকৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটিত কৰ্মশালাত আশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে এক মনোমোহা নৃত্যানুষ্ঠান পৰিৱেশন কৰে। গুৱাহাটী পৌৰ নিগমৰ যুটীয়া আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে সামৰণী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ভাষণত পংকজ চক্ৰৱৰ্তী দেৱে অসমৰ সভ্যতা-সংস্কৃতিৰ অন্যতম নৃত্য কলা সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, সত্ৰীয়া নৃত্যৰ নৃত্য ভংগিমাত আৰু ইয়াৰ অন্তৰালত নিহিত হৈ থকা দিকদৰ্শনৰ বিষয়ে আয়ত্ত কৰি সুন্দৰ জীৱন গঢ়ি তুলিবৰ বাবে সকলোকে আহ্বান জনায়। অনুষ্ঠানত হৰিজন সমাজৰ প্ৰমুখ ব্যক্তি সকলকো সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰশিক্ষণ প্ৰদান কৰা প্ৰশিক্ষক সকলো বিশেভাৱে সম্বৰ্ধনা জনোৱা হয় বুলিও উদ্যোগতাসকলে জানিবলৈ দিছে।

# বছৰৰ চাৰিটা তাৰিখত সংশোধনী কৰিব পাৰিব ভোটাৰ তালিকা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩০ জুলাই ঃ** এতিয়াৰে পৰা ইংৰাজী ১ জানুৱাৰী ২০২২ তাৰিখক ভিত্তি বৰ্ষ লৈ প্ৰস্তুত কৰা নহয় ফটোযুক্ত ভোটাৰ তালিকাৰ। বছৰত চাৰিটা তাৰিখত সংশোধনী কৰিব পাৰিব ভোটাৰ তালিকা। এই প্ৰক্ৰিয়াটোক অধিক গতিশীলতা প্ৰদানৰ লক্ষ্যৰে দৰং জিলা প্ৰশাসনে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক সংবাদ মেলৰ আয়োজন কৰি বিশদভাৱে জানিবলৈ দিয়ে। জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ বৰা আৰু নিৰ্বাচন বিষয়া প্ৰাঞ্জল প্ৰাণ শইকীয়াৰ উপস্থিতিত অনুষ্ঠিত সংবাদ মেলত জানিবলৈ দিয়ে যে ১ জানুৱাৰী, ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰ যিকোনো এটা তাৰিখত ১৮ বছৰ হ'লেই আবেদন কৰিব পাৰিব ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তৰ বাবে। এই সংশোধীত চূড়ান্ত ভোটাৰ তালিকা ২০২৩ চনৰ ৫ জানুৱাৰী তাৰিখে প্ৰকাশ পাব। সবিশেষ জানিবলৈ www.nsvp.in ৱেবছাইট চাব পাৰিব।

### নগাঁৱত উপায়ুক্তৰ সংবাদ মেল ঃ ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনীৰ পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও,** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাতো ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী ২০২৩ৰ কাম আৰম্ভ কৰা হৈছে। এই ক্ষেত্ৰত আমি ৰাইজৰ লগতে সংবাদ মাধ্যমৰ সহযোগিতা কামনা কৰিছোঁ। আজি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এক সংবাদ মেলত উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে এই কথা সদৰী কৰি কয় যে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে যে ৯ নৱেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ৯ নবেম্বৰৰ পৰা ৮ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ সন্দৰ্ভত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ২০২৩ চনৰ ৫ জানুৱাৰীত জিলাখনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব বুলি উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। ভোটাৰ তালিকাত নিজৰ নাম অন্য সমষ্টি বা অন্য কেন্দ্ৰলৈ সলনি কৰা, নাম শুদ্ধ কৰা আদিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দিষ্ট প-প্ৰত্ৰযোগে আবেদন কৰিব পাৰিব। তদুপৰি ১৮ বছৰ সম্পূৰ্ণ নোহোৱা ১৭ বছৰ উৰ্দ্ধৰ যুৱক-যুৱতীসকলেও নিজৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিব বুলি উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। তদুপৰি ৰাইজৰ মাজত এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আজিৰ সংবাদ মেলত জিলা নিৰ্বাচনী বিষয়া গায়ত্ৰী শৰ্মা, জিলা ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া বিদ্যাশ্ৰী লাংথাছা উপস্থিত থাকে। উল্লেখ্য যে নগাঁও জিলা নিৰ্বাচনী বিষয়া কাৰ্যালয়ৰ অধীনত ৭টা বিধানসভা সমষ্টি আছে।

### মৰিগাঁও উপায়ুক্ত কাৰ্যালয়ত ভোটাৰ তালিকা সংক্ষিপ্ত সংশোধনীৰ ওপৰত সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও ঃ** উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি ভোটাৰ তালিকাৰ আগন্তুক বিশেষ সংক্ষিপ্ত সংশোধনি বিষয়ক লৈ এখন সাংবাদিক মেল অনুষ্ঠিত হয়। এই বিশেষ সংক্ষিপ্ত পুনৰ সংশোধনীত কে'বাটাও বিষয় সামৰি লোৱা হ'ব— যেনে ১ অক্টোবৰ ২০২২ বা ১ জানুৱাৰী ২০২৩ত ১৮ বছৰ সম্পূৰ্ণ হোৱা তৰুণ ভোটাৰসকলৰ নাম অন্তৰ্ভুক্ত কৰা, ভোট কেন্দ্ৰ পুন নিৰ্ধাৰণ, বিগত বছৰত মৃত্যু হোৱা ব্যক্তি বা বসবাসৰ ঠিকনা সলনি সূত্ৰে তালিকাৰ পৰা নাম কৰ্তন, ভুল হৈ থকা নাম বা ফটো সলনি কৰা, ইচ্ছাকৃত আধাৰ নম্বৰ সংলগ্ন কৰা হ'ব। এই সংক্ৰান্তীয় আবেদন প্ৰ-পত্ৰ অনলাইন অফলাইন দুয়োটা মাধ্যমতে উপলব্ধ হ'ব। ৯ নৱেম্বৰত খচৰা তালিকা প্ৰকাশ কৰা হ'ব, ৮ ডিচেম্বৰলৈ ওজৰ-আপত্তি গ্ৰহণ কৰা হব, ২৬ ডিচেম্বৰৰ ভিতৰত ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব আৰু ৫ জানুৱাৰী ২০২৩ তাৰিখে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ পৌৰাহিত্যত অনুষ্ঠিত আজিৰ সভাত অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাস, নিৰ্বাচনী বিষয়া দ্বীপময় ঠাকুৰীয়াও উপস্থিত থাকে।

# ভূৰাগাঁও চাৰিআলিত পথ দুৰ্ঘটনাত থিতাতে মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ জুলাই ঃ** ভূৰাগাঁও চাৰিআলিত পথ দুৰ্ঘটনাত টমটমৰ খুন্দাত মলহু চাপৰিৰ বক্কৰ আলীৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে টমটম চালকে। বিগত কিছুদিন ধৰি অঞ্চলটোত বৃদ্ধি পাইছে অনুজ্ঞা-পত্ৰবিহীন চালক আৰু পঞ্জীয়নবিহীন টমটমৰ দৌৰাত্ম্য।

# চিকিৎসালয় আছে, চিকিৎসক নাই, ৰোগীৰ মাজত হাহাকাৰ

## ৰাধাবাৰী চাহ বাগিচা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৩০ জুলাই ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰাধাবাৰী চাহ বাগিচাত চিকিৎসা সেৱাৰ নামত ৰোগীসকলক লৈ হেতালি খেলিছে বাগিচা কৰ্তৃপক্ষই। যাৰফলত বাগিচাখনৰ ৰোগীসকলৰ মাজত চিকিৎসাৰ ক্ষেত্ৰত হাহাকাৰ পৰিস্থিতি সন্মুখীন হৈছে। প্ৰায় দুই হাজাৰ লোকে বসবাস কৰা বাগিচাখনত চিকিৎসালয় আছে যদিও নাই চিকিৎসক। আনহাতে, বাগিচাখনৰ চিকিৎসালয়খনত চিকিৎসক নথকাত সম্প্ৰতি সাধাৰণ জ্বৰ, পানীলগা হোৱা ৰোগীৰ উপৰি প্ৰসূতি আৰু শিশুসকল যথেষ্ট সমস্যাৰ সন্মুখীন হোৱাত হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে জনৈক ৰাহুল মোদী স্বত্বাধিকাৰী এই বাগিচাখনত থকা একমাত্ৰ চিকিৎসালয়খনত এগৰাকী ফাৰ্মাচিষ্টে একাংশ ৰোগীক চোৱাচিতা কৰি সাধাৰণ জ্বৰ, পেটৰ বিষতো ৰোগীক অন্য চিকিৎসালয়লৈ ৰেফাৰ কৰাটো এতিয়া নিয়মত পৰিণত হৈ পৰিছে। ইফালে, চিকিৎসালয়খনত চিকিৎসকৰ অভাৱত এটা বন্ধ কোঠাত সিঁচৰতি হৈ আছে অসম চৰকাৰে যোগান ধৰা বহুতো বিনামূলীয়া ঔষধ। চিন্তনীয় বিষয় যে মানৱ সেৱাৰ একমাত্ৰ চিকিৎসালয়খনত ৰাতি-বিয়লি চিকিৎসক স্বাস্থ্যকৰ্মী নথকাত অঞ্চলটোৰ ৰাইজে জৰুৰী সেৱাৰ এটি পৰামৰ্শ বিচাৰি হাবাথুৰি খাব লগা পৰিস্থিতি হয়। ইফালে চিকিৎসালয়খনত মাজুলী জিলাত কৰ্মৰত জনৈক বৰা উপাধিৰ এগৰাকী চৰকাৰী চিকিৎসালয়ত কৰ্মৰত চিকিৎসকক বাগিচা কৰ্তৃপক্ষই মাহেকে-পযেকে মাতি আনি জোৰা-টাপলি মাৰি একাংশ ৰোগীক চিকিৎসা আগবঢ়াই অহাৰ অভিযোগ স্থানীয় শ্ৰমজীৱী ৰাইজৰ। ইফালে বাগিচাখনত শ্ৰমজীৱী ৰাইজক চিকিৎসা সেৱাৰ নামত মালিকপক্ষই প্ৰতাৰণা কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে আটছা ৰাধাবাৰী উপ-শাখাই। উক্ত বাগিচাৰ চিকিৎসালয়খনত এজন স্থায়ী চিকিৎসক নিযুক্তি দিবলৈ ৰাধাবাৰী চাহ বাগিচা আটছাৰ উপ-শাখা, স্থানীয় গাঁওৰক্ষী বাহিনী আৰু অঞ্চলটোৰ সচেতন ৰাইজে বাৰম্বাৰ বাগিচাখনৰ স্বত্বাধিকাৰী, মেনেজমেন্টক দাবী জনাই আহিছে যদিও কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে। শীঘ্ৰেই ৰাধাবাৰী চাহ বাগিচাত এগৰাকী স্থানীয় চিকিৎসক নিযুক্তি দিবলৈ মালিকপক্ষক কাতৰ আহ্বান স্থানীয় ৰাইজৰ।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি